# গ্ৰীষ্মকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ৩১/০৭/২০১৯ বুধবাৰ

**আজি ইংৰাজী ৩১-০৭-২০১৯ তাৰিখে ৰাতিপুৱা ০৯.৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষৰ অধ্যক্ষতাত পূৰ্ব নিৰ্ধাৰিত সময়সূচী মতে অসম বিধান সভাৰ অধিবেশন অনুষ্ঠিত হয় ঃ**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৮১। শ্ৰী টেৰচ গোৱালা। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, জলসম্পদ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী টেৰচ গোৱালা (দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ পাইছো। মোৰ এটা প্ৰশ্ন থাকি গ'ল যে, ভেটি থাকিলে মানুহ থাকিব, মানুহ থাকিলে ভোট থাকিব আৰু ভোট থাকিলে আমি বিধায়ক হ'ম। ইয়াত মই এটা প্ৰশ্নৰ উত্তৰত সুধিছিলো যে বুঢ়ীদিহিঙৰ গড়াখহনীয়া কেতিয়াৰ পৰা চলি আছে? ইতিমধ্যে এটা ভাল উত্তৰ আহিছে যে প্ৰায় ৭০০ কোটি টকাৰ এটা অভিলাষী আঁচনি ইতিমধ্যে গ্ৰহণ কৰিছে। মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাম যে এই আঁচনিখন অতি সোনকালে কাৰ্যকৰী কৰি বুঢ়ীদিহিঙৰ গড়াখহনীয়াৰ সমস্যাটো সমাধান কৰিব পাৰি নেকি?

**শ্ৰী কেশৱ মহন্ত, জলসম্পদ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বুঢ়ীদিহিঙৰ কথা যিটো এখেতে আনিছে, মই অকন মান আগৰ পৰা কৈছো যে যদিও মই উত্তৰটো দিছো যে বুঢ়ীদিহিঙৰ গড়াখহনীয়া কেইবা দশকৰ পৰা চলি আছে কিন্তু আচলতে ৫০ ৰ দশকৰ পৰাই বুঢ়ীদিহিঙৰ গড়াখহনীয়া আৰম্ভ হৈছে আৰু বুঢ়ীদিহিং নৈ খন এনেকুৱা যে ই পাটকাই পৰ্বত, অৰুণাচল প্ৰদেশৰ পৰা ওলোৱাৰ পিছত বিশেষকৈ উজনিৰ মাৰ্ঘেৰিটা, দুলীয়াজান, লাহোৱাল, নাহৰকটীয়া, টিংখং, মৰাণৰ লগতে ডিব্ৰুগড়ৰ কিছু অংশ চুই গৈছে। এইখন প্ৰায় ৩০ কি.মি. দীঘল নৈ আৰু প্ৰায় ২০০ কি.মি. অসমৰ ভিতৰত আছে। ৰাইট বেংকত মথাউৰি ১২৬ কি.মি., লেফ্‌ট বেংকত ৯৩ কি.মি. মুঠতে প্ৰায় ১২০ কি.মি. মথাউৰি তাত আছে। এই নৈ খন একাবেকাকৈ অহা নৈ। গতিকে ইয়াত যিখিনি গড়াখহনীয়া হৈছে সেয়া ইয়াৰ যিটো ধেনুভেৰীয়া অঞ্চল তাতে হয়। আনকি মাৰ্ঘেৰিটাৰ পৰা মৰাণ সমষ্টি, শিৱসাগৰৰ ওচৰত পৰোতে এইখিনিতে ২০০ কি.মি. হৈ আহি ইয়াত পৰিছেহি। গড়াখহনীয়াৰ ক্ষেত্ৰত ইয়াত মেজৰ পইণ্ট প্ৰায় ৩৭ টা মান আছে। এইক্ষেত্ৰত আমি এটা আঁচনি লৈছিলো যদিও এই আঁচনিটো সম্পূৰ্ণ নিয়ন্ত্ৰণ আমাৰ হাতত নাই। ইয়াৰ নিয়ন্ত্ৰণ কেন্দ্ৰীয় চৰকাৰৰ হাতত আছে। এই আঁচনিখন হৈছে Integrated Water Resource Management of Burhidihing Basin. ইয়াত ৭৫৭ কোটি টকাৰ ডি পি আৰ বনাই চূড়ান্ত পৰ্য্যায়ত Central Water Commission ত আছে। মই আপোনালোক আটাইকেইজন বিধায়ককেই ধন্যবাদ জনাওঁ যে টেৰচ গোৱালা , ঋতুপৰ্ণ বৰুৱা, সঞ্জয় কিশান, চক্ৰধৰ গগৈ, প্ৰশান্ত ফুকন ডাঙৰীয়াকে ধৰি এই অঞ্চলৰ বুঢ়ীদিহিঙৰ পাৰৰ আটাইকেইজন বিধায়কে লগ হৈ এই আঁচনিখনৰ বাবে শ্বিলঙৰ অফিচ, দিল্লীৰ অফিচলৈ গৈ নিজে গোটেই কামখিনিত লাগি আছে। বিমল বৰা

ডাঙৰীয়াও আছিল। গতিকে তেওঁলোকে আটাইয়ে এই কথাটোৰ লগত জড়িত আৰু এই আঁচনিখন investment clearance কৰিবৰ কাৰণে এতিয়া শেষ পৰ্য্যায়ত আছে। আমি World Bank ৰ ১৫০০ কোটি টকাৰ যিটো লোণৰ কাৰণে লাগি আছো তাৰে প্ৰায় ৭৫৭ কোটি টকা অৰ্থাৎ আধাতকৈ বেছি আমি এই আঁচনিখনতে ধৰিছো আৰু বাকীখিনি আমি নামনি অসমৰ বেকী নদীত ধৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ঋতুপৰ্ণ বৰুৱা। মোক কৈছে যে মাৰ্ঘেৰিটা, লাহোৱাল, নাহৰকটীয়া, টিংখং, মৰাণ, থাওৰা এইকেইটা সমষ্টিৰ লগত জড়িত। গতিকে বুঢ়ীদিহিঙৰ লগত জড়িত প্ৰশ্ন সুধিব।

**শ্ৰী ঋতু পৰ্ণ বৰুৱা (লাহোৱাল) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো কিন্তু এইটো প্ৰেকটিকেল হয়নে নহয় মই নাজানো যে বৰাক নদীত dredging কাম আৰম্ভ হৈছে বুলি আমি গম পাইছো। আমি দেখিছো যে বুঢ়ীদিহিঙৰ কিছু কিছু ঠাইত তাৰ স্থানীয় ব্যক্তিয়ে কয় বা আমাৰ জলসম্পদ বিভাগৰ বহু অভিযন্তাই কয় যে যদি কিছুমান ঠাইত dredging কৰি দিয়া হয় তেন্তে আমি বহুখিনি গড়াখহনীয়াৰ পৰা ৰক্ষা পৰিম বুলি আমাক ব্যক্ত কৰিছে। গতিকে যদি সম্ভৱ হয় নিশ্চয় ভাল হ'ব বুলি মই ভাৱো।

**শ্ৰী কেশৱ মহন্ত, জলসম্পদ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰাক নদীৰ যিখিনি dredging হৈছে সেইখিনি জলসম্পদ বিভাগৰ তৰফৰ পৰা হোৱা নাই, সেইখিনি পৰিবহন বিভাগৰ তৰফৰ পৰা হৈছে। পৰিবহন বিভাগে তাতে জাহাজ চলোৱৰ কাৰণে dredging কৰিছে। গতিকে তাত সেই dredging টো কৰা কাৰণে নৈ খন দ' হৈছে আৰু হয়তো আমি উপকৃত হৈছো। কিন্তু আমাৰ এটা সুখবৰ আছে যে এখন dredger কিনিবৰ কাৰণে বহুদিন ধৰি আমাৰ ইয়াতো আলোচনা হৈছিল আৰু পৰামৰ্শ দিছিল, যোৱা পৰহি বিত্ত বিভাগে ক্লীয়াৰ কৰিছে, টেণ্ডাৰ হৈ গ'ল, বিত্ত বিভাগে dredger এখন লবৰ কাৰণে অনুমোদন দিছে আৰু এই dredger খনৰ বাবে আমাৰ টেণ্ডাৰ হৈ আছে মাথো যি পাৰ্টীয়ে পাব সেই পাৰ্টীক অৰ্ডাৰ দিব লগীয়া পৰ্য্যায়ত আছে। এই dredger খনৰ উদ্দেশ্যটো অকল corrective dredging কাৰণেহে। গোটেই নৈ খন খান্দি লৈ যাবৰ কাৰণে নহয়। গতিকে প্ৰথম পদক্ষেপ হিচাবে সেইটো লোৱা হৈছে। মই ভাৱিছো যে এতিয়া আমি অৰ্ডাৰ দিলে ৬ মাহ মানৰ ভিতৰত আমি সেইখন আনিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৮২। শ্ৰী পবিন্দ্ৰ ডেকা। বহুকেইজনে হাত দাঙিছে, মই দুজন বা তিনিজনকহে দিব পাৰিম। আপোনালোকে বেয়া নাপালে আপোনালোকে কেতিয়াবা Slip pad তো মোলৈ পঠিয়াব পাৰে। কিবা Supplementary থাকিলে মই চাব পাৰিম।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত উত্তৰ দিয়া আছে।

**শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰ পাইছো, আমাৰ বিভিন্ন নদীয়ে ২৭ টা ঠাইত ভাঙিছে আৰু পাটাছাৰকুছি সমষ্টিত এটা নদীয়ে ৬ ঠাইত ভাঙিছে। আৰু কালদিয়া নদী ভাঙিছে ৪ টা ঠাইত ভাঙিছে, টিহু নদী আছে, মৰা পাগলা দিয়া আছে আৰু ইপিনে বুঢ়াদিয়া আছেই। বুঢ়াদিয়া যদিও পাটাছাৰকুছি সমষ্টিৰ মাজেৰে বৈ যোৱা নাই কাষেৰে বৈ গৈছে, তাতেও বেয়াকৈ ভাঙিছে। আমাৰ মাননীয় মন্ত্ৰী পাটোৱাৰী ডাঙৰীয়াৰ সমষ্টিতো সেইটোৱে বহুত ক্ষতি কৰিছে। মই তাৰমানে সেইবিলাক ক্ষতিলৈ নাযাও, মই কেৱল এটা মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো যে কালদিয়া নদী আৰু বুঢ়াদিয়া নদী, এই দুটা নদী ডাঙৰ নদী। টিহু নদীৰ এতিয়া প্ৰকোপটো খূব বেছি হৈছে। এই নদী বিলাক আমাৰ জলসম্পদ বিভাগে কাম নকৰে বা তেখেত

সকলৰ অন্তৰ্গত নহয়, ফলত আমাৰ বহুত অসুবিধা হৈছে। এতিয়া খুব সৰু দলং বিলাক সদায় বিধায়ক পুঁজিৰ টকাৰে আমি বান্ধি আছো। এইবাৰো ইতিমধ্যে আমি বান্ধিব দি দিছো। এইবাৰ অৱশ্যে এটা সিদ্ধান্ত লৈছো নলবাৰীত চতুৰ্দশ বিত্তীয় আয়োগৰ পঞ্চায়তৰ যি টকা আছিল সেই টকাৰে বান্ধিবলৈ আমি ইতিমধ্যে দিছো। এই নদী তিনিটা টিহু, কালদিয়া আৰু বুঢ়াদিয়া এই নদীকেইটা জলসম্পদ বিভাগৰ অন্তৰ্ভূক্ত কৰিব পাৰি নে নোৱাৰি সেই কথাটো মন্ত্ৰী ডাঙৰীয়াই কব লাগে আৰু মই এটা অনুৰোধো ৰাখিছো এই ক্ষেত্ৰত যে এই তিনিটা নদী অন্তৰ্ভূক্ত কৰাটো উচিত বুলি ভাৰিছো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় পবিন্দ্ৰ ডেকা ডাঙৰীয়াই যিখিনি পৰামৰ্শ দিছে মই এইক্ষেত্ৰত অকমান সদনত আপোনাৰ জৰিয়তে অৱগত কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ আজি জলসম্পদ বিভাগৰ কাটমোচন আছেই, বহুত কথাৰ তাতেও আপোনাৰ পৰা উত্তৰ পাম চাগে। সেইকাৰণে চমুকৈ কলে ভাল হ'ব এতিয়া।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** হয়, সেইকাৰণে চমুকৈ কম এতিয়া। এতিয়া কথা হ'ল কি তেখেতে যিকেইটা কথা কৈছে তাত হৈছে কি পহুমৰা, কালদিয়া, বুঢ়িদিয়া গতিকে এই নদী কেইখন আমি অধ্যয়ণ কৰি চাইছো। এই নদীকেইখনৰ বহু ঠাই এনেকুৱা আছে একেইবাৰে মানুহৰ জনবসতিৰ মাজেৰে পাৰ হৈ গৈছে। জনবসতিৰ মাজেৰে পাৰ হৈ যাওঁতে তাত আমাৰ পঞ্চায়ত, বিভাগ বা ডি আৰ ডি য়ে তাত বহু বান ঠিক কৰিছে। ইয়াৰ এই নদীকেইখন বিশেষকৈ চাপাগুৰি, চাপাগুৰিত আমাৰ বসুমতাৰীৰ সমষ্টি, তাৰ পিছত পাটাচাৰকুছি, ভৱানিপুৰ তাৰপিছত ইফালে আহি আমাৰ মাননীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াৰ সমষ্টিৰ লগতে সৰুক্ষেত্ৰীকে ধৰি এইফালে এইকেইটা নদী পাৰ হৈ গৈ বৰপেটাত একেইবাৰে ব্ৰহ্মপুত্ৰত পৰিছে। গতিকে ইয়াতে এইবাৰ মানে মহাৰানী বোলা ঠাইটোত সৰু সৰুকৈ ৫ টা দলং হৈছে, এটা ডাঙৰ দলং তাৰ পিছত পূৰকলৰ গুৰিত হৈছে তাৰপিছত গহিনপাৰাত হৈছে, এইখিনিত দলং বিলাক হৈছে। কেতিয়াবা কি হয় এইনদীখনে ভৱানীপুৰ সমষ্টি আৰু পাটাচাৰকুছি সমষ্টি দুটা দুভাগ কৰিছে। কেতিয়াবা যদি সোফালে থকা পাৰ ভাঙে তেতিয়া এটা সমষ্টিত বেছিকৈ হয় আৰু কেতিয়াবা বাওঁ ফালৰ পাৰ ভাঙে, দুয়োটা পাৰত এইবাৰ ইমান পানী হৈছে যদিও ভৱানীপুৰৰ ফালে ভঙা নাই, পাটাচাৰকুছিৰ ফালে ভাঙিছে। কোনোবাবাৰ সেইফালে ভাঙে, গতিকে তাৰ মই নদীৰ যিটো চৰিত্ৰ সেইটো কৈছো। গতিকে এতিয়া এইবাৰ ভৱানীপুৰত ভাঙিছে ৰূপহী নদী ভাঙিছে। তেখেতে যিকেইটা কথা কৈছে সেইকেইটা কথা হৈছে কি অধ্যক্ষ মহোদয়, মই এতিয়াই লিষ্টখন দি নিদিও, কাঠমোচনতে দিম। তাত কি হৈছে ১০ টা অন্যান্য বিভাগে ২৩৬ টা বেলেগ বান্ধ কৰি থোৱা আছে আমাৰ। প্ৰায় ৭০০ কি. মিটাৰ মথাউৰী তাত টাউন কমিটিও আছে, অন্যান্য, ডি আৰ ডিও আছে, পঞ্চায়তো আছে, জলসিঞ্চনো আছে তাৰ পিছত ভূমি সংৰক্ষণ বিভাগো আছে এনেকৈ ১০ টা বিভাগ আছে। গতিকে এই গোটেইখিনি কথা হ'ল কি জলসম্পদ বিভাগে মথাউৰী বনালে তাৰ নিৰ্দিষ্ট এটা হিচাপত কৰে, যে নদীৰ কিমান আতৰত কৰিব লাগিব, নদীৰ পানীখিনি বৈ যাবৰ কাৰণে কিমান ঠাই এৰি দিব লাগিব, গতিকে এই খিনি আটাইখিনি অলপ বিজ্ঞানসন্মত অধ্যয়নৰ পিছত মথাউৰীটোৰ স্থান নিৰ্নয় কৰে। কিন্তু আমাৰ বাকী বিভাগৰ ক্ষেত্ৰত কি হৈছে যে পানী উঠিছে নদীৰ গড়াতে বহুত বান্ধ বন্ধি থোৱা আছে। আৰু এতিয়া বৰ্ননা দিয়া যিকেইখন নদীৰ কথা তেখেতে কৈছে তাত প্ৰায়বিলাক নদীত একেবাৰে নদীৰ গড়াতে বান্ধটো দিয়া আছে নদীৰ পানী বাঢ়ি উঠাৰ লগে লগে সেইখিনিতে হয় ওপৰেৰে বাগৰি যাব নহয় ভাঙিব। গতিকে এই কথাখিনি আপোনালোকে যদি

চাই তেতিয়াহলে আমি জলসম্পদ বিভাগে লব পৰা যাব কিন্তু লব পৰা গলেও ইয়াৰ ব্যৱস্থাটো অলপ বেলেগ ধৰণৰ হ'ব লাগিব। কাৰণ তাত নদীৰ গড়াত আৰু সেই ধৰণে বান্ধ দি থলেটো ভাঙিবই। গতিকে এই কথাখিনি বিচাৰ বিবেচনা কৰিলে, আলোচনা বিলোচনা হলে এইটো বিবেচনা কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ইয়াৰ পিছত নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিলঘাট ধিং যিটো মথাউৰী এই মথাউৰী নিৰ্মাণ কৰাতো ৫০ বছৰৰ ওপৰত হ'ল। আমাৰ জলসম্পদ বিভাগৰ মন্ত্ৰীৰ সমষ্টিৰ পৰা মথাউৰীটো আৰম্ভ হৈছে, কিন্তু এই মথাউৰীটো মেৰামতি নকৰাৰ কাৰণে প্ৰতিবছৰে ভঙাৰ উপক্ৰম হয়। গতিকে একেইবাৰে জৰজীৰ্ণ হৈ আছে সেই মথাউৰীটো তাত পুনৰ নিৰ্মাণৰ প্ৰয়োজন হৈছে, গতিকে কিমান দিনৰ ভিতৰত এই মথাউৰীটো পুনৰ নিৰ্মাণ কৰা হ'ব আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিলঘাট ধিং যিটো মথাউৰী সেইটো দীঘল মথাউৰী। সেই মথাউৰীটো মেৰামতি নকৰা নহয়, এই মথাউৰীটো মেৰামতি হৈছে। আগৰ চৰকাৰৰ দিনতো হৈছে। সেই মথাউৰীৰ ওপৰত কৰবাত পকাও কৰা হৈছে। ধিং ৰ পৰা যেতিয়া শিলঘাটলৈ বুলি কব, তেতিয়া পকাও কৰা হৈছে। পকা কৰা জাগাটো সকলো সমষ্টিতে নহয়। মই সমষ্টিৰ নামটো এতিয়াই কৈ নিদিও। তেখেত সকলৰ ওচৰতে মথাউৰীৰ ওপৰত পকাও আছে, তেখেত সকলৰ ওচৰতে মাথাউৰী ভাঙিব পৰাকৈও থোৱা আছে। গতিকে দুয়োটাই হৈ আছে। আপুনি যদি এই মথাউৰীৰে গৈ থাকে কিছু অঞ্চল পকা পাব সেইটো চামগুৰি সমষ্টি, তাৰপিছত গৈ কিছু অঞ্চল বেয়া পাব সেইটো কলীয়াবৰ সমষ্টি, এইবাৰ অলপ ভাল কৰিছো আমি। তাৰ পিছত ইফালে যদি আহি থাকে আপোনাৰ ৰূপহী সমষ্টি, ৰূপহী সমষ্টি বেয়া হৈ আছে তাৰপিছত ধিঙতো বেয়া হৈ আছে, গতিকে বেয়া হৈ আছে। গতিকে ইয়াত আমি পৰ্য্যায়ক্ৰমে আঁচনি লৈছো এইটো আমি Raise and Strengthening কৰিবৰ কাৰণে, গতিকে এই কথাটোত বেলেগ বেলেগ ঠাইত কেনেকুৱা হৈছে সেইখিনি আমি ঠিক কৰিব পাৰিম। গতিকে পৰ্য্যায়ক্ৰমে ইয়াত আঁচনি লোৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মই এটা কথা কৈছো, সকলোৱে হাত দাঙিছে কিন্তু আমাৰ আজি জল সম্পদৰ ওপৰত বিতং আলোচনা আছে, প্ৰত্যেকটো বিধায়িনী দলৰ মই এটা এটা দিম, যদিও মই দুটা দিব লাগে। গতিকে মোৰ হাতত লিষ্ট আছে, এতিয়া দিলীপ পাল। গতিকে মই এটা এটাকৈ দিব বিচাৰিছো, তাতকৈ নোৱাৰিম।

**শ্ৰী দিলীপ পাল ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টি শিলচৰ এইবাৰ বানপানীত যথেষ্ট লোকচান হৈছে। দুটা মথাউৰী আছে, Road cum dyke এটা আছে বেতু কান্দিত আৰু এটা আছে শিৱবাৰী তাৰাপুৰত। বেতু কান্দিটোৰ অৱস্থা খুবেই বেয়া আছে মানে এইবাৰ খুব জৰজীৰ্ণ অৱস্থা। যিকোনো মুহূৰ্ততে চিঙি যাব। এইটো চিঙিলে আমাৰ শিলচৰ টাউনৰ ৭০ শতাংশ পানীৰ তলত সোমাই যাব বা Submerge হৈ যাব। যোৱা তিনিবছৰত একবছৰো কাম হোৱা নাই। মাননীয় মন্ত্ৰী ডাঙৰীয়াই সেইটো পৰিদৰ্শন কৰিছিল, দুইবাৰ, তিনিবাৰ পৰিদৰ্শন কৰিছিল।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটোলৈ আহক।

**শ্ৰী দিলীপ পাল ঃ** আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে আমাৰ এই Sibbari Road cum dyke and Betukandi Road cum dyke এইটোৰ কেতিয়া

কাম আৰম্ভ হ'ব, মেৰামতিৰ কাম কেতিয়া আৰম্ভ হ'ব, ঠিক হ'বনে এই বছৰ এইটো জানিব বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই অঞ্চলটোলৈ মাননীয় সদস্য তেখেত তেতিয়া উপাধ্যক্ষ হৈ আছিল আৰু তেতিয়া আমি তেখেতৰ লগত গৈছো। এবাৰ মাননীয় মুখ্যমন্ত্ৰীয়ো গৈছে তেখেতৰ লগত তেখেতৰ ঠাইত, ময়ো গৈছো দুই, তিনিবাৰ। যিটো ঠাইৰ কথা কৈছে সেইটো অলপ আচৰিত ঠাই। তাৰ প্ৰকৃতিটো খুব বেলেগ। বৰাক নদীৰ একেইবাৰে পাৰত আপুনি যদি এঘৰ মানুহৰ ভিতৰলৈ গুচি যায় মানে মানুহঘৰৰ পাকঘৰৰ তলদি ধৰক নদীখনে খহাই গৈ আছে, ওপৰতে যেনেতেনে পাকঘৰটো ওলমি আছে। তেনেকুৱা এটা অৱস্থা আৰু ইয়াত কি হয় যিটো গড়কাপ্তানি পথ তাত যিমান মেৰামতি কৰিলেও বহি যায় । তাত কোনো ধৰণৰ সমাধান উলিয়াব পৰা নাই । গড়কাপ্তানি মন্ত্ৰীও আছে তাত, তেখেতেও গুৰুত্ব দিছে। কিন্তু সমাধান উলিয়াব পৰা নাই। তাত দেখিছো আমাৰ পাটোৱাৰী দাৰ তৰফৰ পৰা ড্ৰেজাৰেদি খান্দিও আছিল । তেতিয়া তেখেতে কৈছে যে এতিয়াই এই অৱস্থা আৰু খান্দিলে পিছত বেছি বেয়া হ'ব । গতিকে এনেকুৱা এটা পৰিবেশ, তাত টকাও ধৰা হৈছিলে কিন্তু কাম কৰিব পৰা নাই । ইয়াৰ এটা technological solution নোহোৱাকৈ তাত কাম কৰি লাভ নাই। এই কামটোৰ বাবে টকাৰ অভাৱ নহ'ব কিন্তু তাক এটা বিজ্ঞান সন্মত ভাবে কৰিব লাগিব । বেতুবান্ধিৰ ক্ষেত্ৰতো আমি ব্যৱস্থা লম।

**মাননীয় অধ্যক্ষঃ** অনন্ত কুমাৰ মালো।

**শ্ৰী অনন্ত কুমাৰ মালো (দক্ষিণ অভয়াপুৰী ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বানপানী আমাৰ অসমৰ বাবে ভয়াৱহ। কিন্তু তাতকৈ অধিক ভয়াৱহ গৰাখহনীয়া। মোৰ সমষ্টিত এই বছৰত ২৯০ টা পৰিয়াল গৃহহীন হৈছে, ৩ খন স্কুল ভাহি গৈছে বানপানীত । মই মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো যে আমাৰ যোগীঘোপা নৰনাৰায়ণ সেতু, তাৰ তলৰ ভাগত কিছু আৰ চি চি porcupine scheme কাম হৈছে, কিছু উপকাৰ হৈছে। আমাৰ অশোক পেপাৰ মিলৰ লগত সংলগ্ন সেই গাওঁ খন যদি নিয়ে তেতিয়া হ'লে অশোক পেপাৰ মিলত আক্ৰান্ত হ'ব। ইমান টকা খৰচ কৰি আমাৰ মন্ত্ৰী মহোদয়ে তাত boundary wall বনাইছে। বহুত মূল্যৱান মাটি গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে bamboo scheme ধৰি হ'লেও এই এলেকাটো উদ্ধাৰ কৰিব লাগে আৰু অধ্যক্ষ মহোদয় এইবাৰ মোৰ সমষ্টিত বানপানীত দয়াল দাস নামৰ এজন মানুহে মৃত্যুবৰণ কৰিছে। তেখেতৰ তিনিজনী ছোৱালী, বৃদ্ধা মা আৰু পত্নীক এৰি থৈ গৈছে। ৭২ ঘন্টাৰ ভিতৰত আমাৰ মাননীয় মন্ত্ৰী ফণীভূষণ চৌধুৰী, উপায়ুক্ত, এছ ডি ও আৰু মই লগত থাকি ৪ লাখ টকাৰ চেক প্ৰদান কৰিছো । তাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো যে ইমান তাৎক্ষণিক ভাবে দুৰ্দশাগ্ৰস্ত পৰিয়ালটোক সহায় কৰিছে। এইটো এটা খুবেই ভাল কাম হৈছে।

মাননীয় অধ্যক্ষঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মন্ত্ৰী ফণীভূষণ চৌধুৰী ডাঙৰীয়া তালৈ গৈছিলে আৰু সেই কথাখিনি তেখেতে তাৰ পৰাই ফোন কৰি কৈছিল আৰু লগে লগে মই ইঞ্জিনিয়াৰক ফোন কৰি তাত যিখিনি ব্যৱস্থা ল'ব লাগে সেইখিনি কথা কৈছো। এতিয়াও আজি আমাৰ বিধান সভাৰ পিছত আমাৰ মাননীয় বিধায়কো থাকিব, আমাৰ বিষয়া সকলো আছে আৰু ইয়াৰ পিছত কি ব্যৱস্থা লোৱা হ'ব মই সেইটো ঠিক কৰি দিম ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মহেশ্বৰ বড়ো।

**শ্ৰী মহেশ্বৰ বড়ো (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে মথাউৰি বহু চিগি গ'ল, এই মথাউৰি বিলাক স্থায়ী ভাবে ঠিক কৰি দিয়া হওঁক। বানপানী যে নহ'ব তাৰ মানেই নাই, বৰষুণ বতৰ আছে যিহেতু বানপানী হ'বই । গতিকে মোৰ সমষ্টিতো প্ৰায় ৫টা মান মথাউৰি ভাঙিলে। এতিয়া যদি তাত অস্থায়ী ভাবে কিছু বাহ বা বস্তা ভৰাই মাটি যদি তাত বান্ধ দি সুৰক্ষা দিব পাৰে, তেতিয়া হ'লে তাত দ্বিতীয় বাৰৰ বনাপানীত যথেষ্টখিনি ৰক্ষা হ'ব । এই খিনি কৰিবৰ কাৰণে এতিয়া বিভাগত বা division বিলাকত কোনো এটা পইচা নাই। তাৰ কাৰণে যাতে চৰকাৰে তাৎক্ষণিক ভাবে ব্যৱস্থা কৰে যাতে দ্বিতীয়বাৰৰ কাৰণে অসুবিধা নহয়, এই খিনি কৰিবৰ কাৰণে চৰকাৰে division বিলাকত পইচা দিয়াৰ ব্যৱস্থা কৰিব নেকি । সেইটো মই জানিব বিচাৰিছো ।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো এনেকুৱা যে যিখিনি বিটিএডি এলেকাত পৰিব, তাত টকা পইচা দিয়া নিয়ম বেলেগ, autonomous hills ত টকা পইচা দিয়া নিয়ম বেলেগ। কাৰণ তেখেত সকলৰ এনেকুৱা কামৰ কাৰণে যিহেতু তেখেত সকলৰ লগত পুঁজি থাকে। তেখেত সকলৰ তাতো এজন জলসম্পদ মন্ত্ৰী আছে, ই এম আছে। গতিকে তেখেত সকলৰ দায়িত্বত সেইখিনি তাতে কৰা হ'ব আৰু যদি out side BTAD ৰ কথাবিলাক আছে তেতিয়াহ'লে সেই ঠাইত আমি আমাৰ অন্য ঠাইৰ নিচিনাকৈ কাম কৰিব পাৰিম। এতিয়া আমি কতো কৰা নাই। flood fightingবুলি এটা পুঁজি আমি প্ৰত্যেকটো সংমণ্ডলত মুকলি কৰি দিয়া আছে। সেই সংমণ্ডলে সেই পৰিমানৰ যদি টকা খৰচ কৰিব লাগে তেতিয়াহ'লে তেওঁলোকে আমাৰ prior approval নোহোৱাকৈ সেইখিনি কাম কৰিব পাৰে । সেই কাৰণে আমাৰ এটা অগ্ৰিম পুঁজি দিয়া আছে, হয়তো পুঁজিৰ পৰিমান কম হ'ব পাৰে। যদি তেখেতৰ ঠাইত এনেকুৱা কিবা সমস্যা হৈছে আমি অতিৰিক্ত পুঁজি দি হ'লেও কাম আগবঢ়াই দিম।

**মাননীয় অধ্যক্ষ ঃ** Last supplementary Utpal Dutta. বানপানীৰ কথা আজি বহুত আলোচনা হ'ব। মই দৰকাৰী কাৰণে ৫ টা দিলো, নহলেটো দিব নোৱাৰো। বাকী সকলে কাটমোচনট ক'ব আৰু মন্ত্ৰীয়ে আজি উত্তৰ দিবৰ কাৰণে ব্যৱস্থা কৰিছে ।

**শ্ৰী উৎপল দত্ত (লক্ষীমপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যোৱা বছৰৰ আগ বছৰ যেতিয়া বানপানী হৈছিল, ৰঙানদী বগলীজান ব্ৰীজ ভাঙিলে । আমি বাৰিষাই কামতো কৰি দিলো, ৰেভিনিউৰ পৰা অনুমোদন ও পালো। আজি দুবছৰ হৈ গ'ল ঠিকাদাৰ সকলে পইচা পোৱা নাই । মন্ত্ৰী মই ডাঙৰীয়াক ব্যক্তিগত ভাবে লগ কৰি হ'লেও কথাটো কৈছো যি ঠিকাদাৰ সকলৰ দুবছৰ হৈ গ'ল কাম কৰা , SDRF ৰ পৰা টকাটো অনুমোদন পোৱা কিন্তু পইচাটো পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই বেলেগলৈ নাযাব। এইটো supplementary. নাই আপোনাক পইচা দিয়াটো কবলৈ দিব নোৱাৰো। বাকী কথা কওঁক ।

**শ্ৰী উৎপল দত্ত(লক্ষীমপুৰ)ঃ** এতিয়া এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দায়িত্বত আছে যিহেতু তেওঁৰ বিভাগে কামতো কৰিলে আৰু দুবছৰ হ'ল । এই পইচা খিনি দিয়াৰ কাৰণে আজি বিধান সভাত মন্ত্ৰী ডাঙৰীয়াৰ পৰা এটা প্ৰতিশ্ৰুতি বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো তেখেতৰে নহয়, আমাৰ প্ৰায় বিলাক ঠাইতে হৈ আছে। আমি লগে লগে কাম কৰিব দিও পিছত estimate বনাই ঠিকা দিয়া হয় । তাৰমানে SDRF ৰ টকাটোৰ ক্ষেত্ৰত আমাৰ বিশেষ হাত নাই। কিয় নাই যে আমি কেৱল esti-

mate বনাও Administrative approval দিয়ে ৰেভিনিউ য়ে, আমৰ Administrative approval নহয় তাৰ পিছত কৰ্য্যকাৰী কৰা হয়। আমাৰ বিভাগে বিল খন বনাই উপায়ুক্তৰ তাত দিয়ে। বাকী প্ৰক্ৰিয়াটো উপায়ুক্তৰ ওপৰত। তাৰমানে উপায়ুক্তই সেই বিল খন ৰেভিনিউলৈ দিব লাগিব, ৰেভিনিইউয়ে পইচা দিব উপায়ুক্তক আৰু উপায়ুক্তই পেমেন্ট কৰিব । মোৰ পোনপোটীয়া control নাই।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** আপুনি বিষয়টো take up কৰক।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** এই বিষয়টো আমি estimate বনাই দিয়া, কামতো চাই দিয়া, বিল বনায় দিয়া তাৰ বাহিৰে আমাৰ হাতত একো নিয়ন্ত্ৰণ নাই। বাকী সকলো খিনি ৰাজহ বিভাগ আৰু উপায়ুক্তৰ দায়িত্ব। এইখিনিতে কথা এটা কওঁ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত অতি দৃঢ় পদক্ষেপ গ্ৰহন কৰিছে আৰু মুখ্যমন্ত্ৰী কাৰ্য্যালয়ৰ পৰা প্ৰতিজন উপায়ুক্তক ফোন কৰি আৰু video conference ত জোৰ দি তেখেতে কৈছে যে এই বিল বিলাক দিয়ক । কাৰণ এই বিল বিলাক যদি পেমেন্ট নকৰে আমি পিছৰ বছৰত SDRF ৰ টকা পোৱা অসুবিধা হ'ব । যেতিয়া কৈ দিয়ে যে ৫০০ কোটি দিছো আৰু ৩০০ কোটি আছেই কিন্তু এক পইচাও আমাৰ নাই । বিল দিয়া নাই কাৰণে।

**মাননীয় অধ্যক্ষ মহোদয়ঃ** Release নিদিয়াৰ কাৰণটো কি?

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** উপায়ুক্ত বিলাকে বহুত কামত জড়িত আছে ।

**মাননীয় অধ্যক্ষ ঃ** নাই, নাই এনেকৈ নহয়।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, জলসম্পদ ইত্যাদি ঃ** গতিকে এনেধৰনে বহু ক্ষেত্ৰত কাম কৰাৰ ডেৰ-দুই বছৰে বিলবিলাক নহয়। আমাৰ বহু বিধায়কে মন্ত্ৰী ভবেশ কলিতাৰ ওচৰত গৈ গৈ ফোন কৰাইছে। ভালকৈ জানো মই। গতিকে এই কামটো লেহেম হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এই লেকুনাটো গুচাব লাগিব। এতিয়া কোৱেশ্চন নং - ৮৩, আমিনুল ইছলাম।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীআমিনুল ইছলাম,বিধায়ক ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰথম প্ৰশ্নটো কৰিছিলো যে, শিক্ষানুষ্ঠানৰ প্ৰাদেশিকীকৰণৰ কিমানখিনি কাম আগবাঢ়িছে- এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে উত্তৰ দিলে যে- ১৩৪খন মহাবিদ্যালয় প্ৰাদেশিকীকৰণৰ ব্যৱস্থা হৈছে আৰু সেইমতে ইতিমধ্যে ১১০ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ১০৪ খন চিনিয়ৰ চেকেণ্ডৰী স্কুল আৰু তাৰ লগতে নিম্ন প্ৰাথমিক বিদ্যালয় ৫৫৫৬ আৰু উচ্চ প্ৰাথমিক বিদ্যালয় ২২৯৮ খন এইখিনিৰ ইতিমধ্যে যাৱতীয় প্ৰক্ৰিয়া আৰম্ভ হৈছে। ২০১৭ চনত বিলখন পাছ হোৱাৰ পিছৰ পৰাই এতিয়ালৈকে স্কুটনীৰ পৰ্য্যায় চলি আছে। প্ৰত্যোকবাৰ সদনত যেতিয়া প্ৰশ্নটো উত্থাপন হয় এই প্ৰক্ৰিয়াটো আগবাঢ়িছে অতি সোনকালে হৈ যাব , এনেধৰনে উত্তৰবিলাক পাই থাকো। কিন্তু আমি এটা Time Bound বিচাৰিছিলো যে কিমান দিনৰ ভিতৰত প্ৰাদেশিকীকৰণখিনি হ'ব। অধ্যক্ষ মহোদয়, এই প্ৰাদেশিকীকৰণৰ প্ৰক্ৰিয়াটো লেহেমীয়া হোৱাৰ কাৰণে বহু শিক্ষক ইতিমধ্যে retire হৈ আছে। প্ৰাদেশিকীকৰণ হ'লেও অধিকাংশ শিক্ষক তেওঁলোক Tutor হ'ব। Regular Teacher নহয়। কিন্তু তেওলোকে ভাবিছিল যে ৰিটায়াৰ হোৱাৰ আগতে অন্তত দুই - এবাৰ দৰমহা পাই আমি Teacher ৰ হিচাপে ৰিটায়াৰ হ'ব পাৰিলো হয়। কিন্তু যিমানে দেৰী হৈ আছে, Teacher সকল retire হৈ আছে। তেওলোকে Pension নাপায়, তথাপিও এটা আত্ম সন্তুষ্টি যে সোনকালে কামখিনি হৈ গ'লে কিবা এটা

পাৰিতোষিক পালেহেঁতেন। গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে চলিত বিত্তীয়বৰ্ষতে সোনকালে প্ৰাদেশিকীকৰণ কৰিব পৰা যাব নেকি? শিক্ষকসকলে যিটো হতাশাত ভূগিছে। এই হতাশাৰ পৰা মুক্তি দিব পৰা কিবা ব্যৱস্থা হ'ব নেকি ?

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মাননীয় সদস্যগৰাকীয়ে উল্লেখ কৰাৰ দৰে এই প্ৰদেশিকীকৰণৰ প্ৰক্ৰিয়াটো এতিয়া আৰু কিমান ক্ষিপ্ৰ কৰিব পৰা যায়, তাৰ বাবে আমি পদক্ষেপ হাতত লৈছো। আমি ‑ আশা কৰিছো যে, এই বিত্তীয় বৰ্ষতে গোটেই প্ৰক্ৰিয়াটো আমি সম্পন্ন কৰিব পাৰিম।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে আৰু এটা প্ৰশ্ন আছিলে যে, Issue date আৰু effect date লৈ পেলাই এটা controversy চলি আছে। অধ্যক্ষ মহোদয় আপুনি নিজেও জানে এই সদনতে আমি কেইবাবাৰো দাবী কৰিছিলো যে, 1995 পৰা 2005 চনলৈকে recognition বন্ধ আছিলে। যেতিয়া খুলি দিলে ২০০৫ চনত তেতিয়া সকলো স্কুলে একেলগে Apply কৰিলে তেওলোকক recognition কৰাৰ বাবে। বহু খিনি জমা হোৱা বাবে অফিছে ষ্টেপ বাই ষ্টেপ কৰিলে । কিছুমানক ০১-০১-২০০৬ৰ আগতে দিলে। আৰু কিছুমান পিছত দিলে। কিন্তু Apply একেলগে কৰিছিল। বাকী যিখিনি মাটি বা অন্যান্য Criteria সেইখিনি ঠিকেই আছে। আমি এটা অনুৰোধ জনাইছিলো যাতে এই বিলখন এমেণ্ডমেণ্ড কৰি যাতে effect date টো কাৰ্য্যকীৰ কৰা হয়। কাৰন বেছিভাগ শিক্ষকৰে কাৰ্য্যকাল ২-৩ বছৰহে আছে। গতিকে এই ক্ষেত্ৰত চৰকাৰে সিদ্ধান্ত লোৱা নাই বুলি মন্ত্ৰী মহোদয়ে উত্তৰ দিছে আৰু এটা কথা হ'ল কলেজৰ ফোৰ্থ টিছাৰ সকলৰ বাবে - 150 no of Students in Six Semester এইটোহে বিলখনত আছে। টিছাৰ সকলে কৈছে যে, English- Assamese ৰ কাৰনে Second Semester আৰু বাকী চাবজেক্টৰ কাৰনে Six Semester . Major Subject ত Six
Semester ত 150 Students নাথাকে গতিকে এইটো কৈছে যে, English- Assamese যিহেতু Second Semester ধৰা হৈছে বাকী চাবজেক্টবিলাকো চেকেণ্ড চেমিষ্টাৰ ধৰিলে তেতিয়া এটা uniform হয়। এই কথাটো যাতে বিলত সংশোধনী আনে , সেইটো মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে ইছু ডেট আৰু এফেক্ট ডেটৰ যিটো কথা কৈছে সেইটোত যথেষ্ঠ যুক্তি আছে। আমি এই ক্ষেত্ৰত গোটেইখিনি চাই মেলি এটা এমেণ্ডমেন্ট আনিবলৈ এটা প্ৰচেষ্টা আৰম্ভ কৰিছো আৰু এইটো খুব সোনকালে হ'ব লাগে। এইবাৰে কৰিম বুলি ভাবিছিলো কিন্তু সম্পূৰ্ণ কৰিব নোৱাৰিলো। আৰু কলেজ টিছাৰৰ যিটো কথা কৈছে আমি চাম।কিন্তু কিছু ক্ষেত্ৰত আমাৰ অসুবিধাও হৈছে এনেকুৱা হৈছে যে, আমি হয়তো কলেজত শিক্ষক নিযুক্তি দিছো কিন্তু সেই বিষয়টোত এজন বা দুজন ছাত্ৰহে থাকে। এই ক্ষেত্ৰত বিত্তীয় বা অন্যান্য অসুবিধা আছে তথাপি এই ক্ষেত্ৰত এই বিষয়টো ত বিভিন্ন শিক্ষক সংগঠন বা অন্যান্য সকলোৱে এই সংক্ৰান্তত আমাক আবেদন দিছে। এই বিষয়টো বিচাৰ্য্য হৈ আছে আৰু সোনকালে কৰাৰ বাবে চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ৰমেন্দ্ৰ নাৰায়ণ কলিতা

**শ্ৰীৰমেন্দ্ৰ নাৰায়ন কলিতা , বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয় আমাৰ যিখন The Assam Education provincialisation Service of Teachers and instruction

act,2017 ৰ এটা বিশেষ অসুবিধা হৈছে , অধ্যক্ষ মহোদয়। আমাৰ স্কুলবিলাকৰ যিটো ডাইচ কোড লাগে আৰু দ্বিতীয়তে ২০০৬চনৰ পাছত এইট - নাইন- টেন এই তিনিটা একেলগে আছিল কিন্তু পিছত গৈ নাইন- টেনটো separate কৰা হল। separate কৰাৰ কাৰনে নাইন- টেনৰ permission লাগে আৰু এইটৰ recognitionটো লাগে। ২০০৫ চনত যেতিয়া ক্লাছ এইটৰ recognitionৰ বাবে এপ্লাই কৰিলে ২০০৭-০৮ চনত পালে। এতিয়া ক্লাছ এইটটো যদি তাত অৰ্ন্তভুক্ত কৰে তেন্তে ১০০ খনমান School provincialised হ'ব। আমাৰ যিবিলাক ভেঞ্চাৰ স্কুল আছে সেইবিলাক নহয় কাৰন সেইসময়ত এইট - নাইন- টেন একেলগে আছিল। মই মাননীয় মন্ত্ৰী অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ জনাইছো যে এইটো বিবেচনা কৰা হওক যাতে ক্লাছ এইটটো অৰ্ন্তভুক্ত কৰা হয়।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে নাইন- টেনৰ লগত ক্লাছ এইটো include কৰাৰ কথা কৈছে। এতিয়া আমাৰ প্ৰচলিত নিয়মমতে এইটটো আপাৰ প্ৰাইমেৰীত পৰে। গতিকে এই ক্ষেত্ৰত আমাৰ যিটো নীতি আছে, এই নীতি সম্পৰ্কে পুনৰ বিবেচনা কৰিলে হয়টো তেখেতৰ পৰামৰ্শটো বিচাৰ্য্যলৈ আমি আনিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, Director of Secondary Education ৰ ফালৰ পৰা এখন Guide Line ওলাইছে। এই Guide Line খনত the proportion of the Post of the Vice Principal. Fresh list of the suitable candidates with and without B.Ed Degree. Illigebility of the Post of Master the minimum qualification of the Post of the Head Master shall be gradguate Arts/Science/ Commerce/BT/B.Ed. ইয়াত কোৱা হৈছে যে Head Master Post ৰ কাৰণে BT বা B.Ed. লাগিব কিন্তু Vice Principal Post ৰ কাৰণে B.T. বা B.Ed. বাধ্যতামুলক নহব। এই Qualification ৰ ক্ষেত্ৰত থকা বিসংগতি বিলাক আমাৰ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে ভাল দৰে লক্ষ কৰিলে ভাল হয়।

দ্বিতীয়তে, আমাৰ Transfer Policy of Women Teacher in Assam ৰ সম্পৰ্কীয় এখন Order ওলাইছিল। প্ৰায় ১০ খন মান জিলাৰ Transfer Order ওলাইছিল যেনে - বৰপেটা, বিশ্বনাথ চাৰিআলি, ধেমাজী ইত্যাদি বাকীখিনি জিলাৰ অৰশ্যে ওলোৱা নাই। ১০ খন জিলাৰ Transfer Order যিহেতুকে ওলাইছে, গতিকে বাকী কেইখন জিলাৰো Transfer Order বিলাক ওলালে ভাল হয়, কাৰণ আইন এখনেই হব লাগে আৰু সেইখন সকলোৰে বাবে সমানে প্ৰযোজ্য হ'ব লাগে।

শেষত প্ৰাদেশীকৰণৰ ক্ষেত্ৰতআমিনুল ডাঙৰীয়াই যিটো কথা কলে তাৰ লগত মই একমত যে - প্ৰাদেশীকৰণৰ ক্ষেত্ৰত চৰকাৰে সঠিক ভূমিকা লৈ সোনকালে সমস্যা বিলাক সমাধান কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰীয়ে উত্তৰ দিয়ক।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ঃ** Principa আৰু Vice Principal ৰ Post ৰ কথা নহয় জানো ?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক ঃ** হয়, আপোনালোকে Vice Principal ৰ ক্ষেত্ৰত কম qualification বিচাৰিছে কিন্তু Head Master Post ৰ ক্ষেত্ৰত বেছি qualification

বিচাৰিছে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ঃ** ঠিক আছে, আমি এইটো বিষয়ত কথা পাতি লম। আপুনি মোৰ ওচৰত আহিব। দ্বিতীয়তে আপুনি Ladies Teacher ৰ Transfer ৰ কথা ক'লে আমি নতুনকৈ transfer policy বনাবলৈ গৈ আছো, তাৰ কাৰণে আমি গোটেই অসমৰ শিক্ষক খিনিক Zone হিচাপে ভাগ কৰিব লাগিব। Zone হিচাপে ভাগ নকৰিলে অসুবিধা হ'ব। যিসকল শিক্ষক শিক্ষয়িত্ৰীয়ে National Highway ৰ ওচৰতে থকা স্কুলত শিক্ষকতা কৰি আছে তেওঁলোককো একে দৃষ্টিৰে চাওঁ তেতিয়াহলে অসুবিধা আছে কিয়নো তেখেতসকলেও একে কষ্ট বা অসুবিধাৰ মাজতে আছে। আমি এই কেইদিনৰ ভিতৰতে Zone হিচাপে Transfer Policy এটা খুলিম। সদ্যহতে আমি সকলোবোৰ Transfer বন্ধ কৰি থৈছো কিয়নো পাবনলগীয়া মানুহখিনিও যাতে Transfer লৈ তেওঁলোকৰ সুবিধাজনক ঠাইলৈ গুছি নাযায়। কিন্তু যিখিনি মানুহ অতি দুৰ্গম ঠাইত আছে তেওঁলোকৰ প্ৰতি আমাৰ সহানুভুতি আছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী যোগেন মোহন।

**শ্ৰী যোগেন মোহন ঃ** মাননীয় অধ্যক্ষ মহোদয়, College provincialization ৰ ক্ষেত্ৰত এটা কথা শুধিব বিচাৰিছো। চৰকাৰে Need Based Category ৰ কথা কিবা চিন্তা কৰিছে নেকি? ধৰি লওঁক এখন কলেজ স্থাপন কৰা অআজি ৪০ বছৰ হ'ল কিন্তু ১-১-২০০৬ আইনত নপৰিলে এমাহ বা দহদিন কিবা কাৰণত থাকি গল। ধৰক ৪০-৫০ কি.মি. দুৰত্বলৈকে কোনো কলেজো নাই আৰু শিক্ষাৰ্থীখিনিও A.P.L. বা B.P.L. Category ত পৰে অথচ স্কুল বা কলেজখনে 1st class 1st বা Division পাই আছে প্ৰতি বছৰে। তেতিয়াহলে তেনেকুৱা কলেজবিলাকক Need Based Category ত কৰে নেকি? মই শিমলুগুৰিৰ মহিলা কলেজৰ কথা কৈছো আৰু এখন কলেজ যিখন থাওৰা আৰু মাতমৰা মধ্যস্থলত পৰে সেই খন কলেজকো Need Based Category ত অন্তৰ্ভুক্ত কৰিলে বৰ ভাল হব, কাৰণ তেতিয়া তাৰ শিক্ষা ব্যৱস্থাটো উন্নত হব। এটা কথা প্ৰায়ে কোৱা হয় যে শিক্ষাই হল এটা জাতিৰ মেৰুদণ্ড ।

গতিকে মই প্ৰধানকৈ এই তিনিটা কথাকে কবলৈ গৈছো

১) Need Based Category ২) শিশু আৰু মহিলা ৩) কাৰ্বি-আং-লং ত থকা এখন শিক্ষনুস্থানৰ কথা কবলৈ বিচাৰিছো যি খন ০১-০১-২০০৬ চনতেই তাৰ Council এ Pass কৰিছিল, কিন্তু কিবা কাৰণত চৰকাৰৰ ওচৰ নাপালেহি, এই ক্ষেত্ৰত চৰকাৰে অৰ্থাৎ শিক্ষা মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী - - -

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া এখন আইন প্ৰণয়ণ কৰা হয়, যেতিয়া Cut of date এটা fixed কৰা হয় তেতিয়া এনেকুৱা Marginal Case কিছুমান থাকি যায়। তেখেতে যিটো Need Based চিন্তাধাৰাৰ কথা কৈছে, Need Based Conceapt টো বিবেচনা কৰিব পৰা যায়, কিন্তু বিবেচনা কৰাৰ সময়ত ইয়াৰ ব্যৱহাৰিক দিশটোও চাব লাগিব। এবাৰ যদি আমি Need Based Conceapt টো আৰম্ভ কৰি দিওঁ, তেতিয়া বাকী বিলাকো আহি কব যে আমাৰটোও Need Based Conceapt ৰ আওঁতাত পৰে। তেতিয়া আইনখন প্ৰণয়ণ কৰোতে যথেষ্ট অসুবিধা হব। এইখিনিতে কৈ থও যে কাৰ্বি-আং-লং ৰ নুমল মমিন ডাঙৰীয়াৰো বিষয়টো চাই দিম।

**মাননীয় অধ্যক্ষ** ঃ শেষৰ Supplementary টো আছে মামোন ইমদাদুল হক

ডাঙৰীয়াৰ।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৰা এটা প্ৰশ্ন তৰাবিহীন প্ৰশ্ন নং ২২৩ ত মোৰো সুধিবলগীয়া আছিল। উত্তৰটো চাৰ খুউব সুন্দৰকৈ দিছে Positive Way ত, সেইবাবে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। মাননীয় শিক্ষা মন্ত্ৰীয়ে ইয়াত সমুদায় হিচাপটো দি দিছে, Lower Primary, Upper Primary আৰু High School সকলো খিনি মিলাই ১৫,৯৭৭ টা পদ আপোনালোকে সদ্যহতে লব। এই পদক্ষেপটো খুউব ভাল হৈছে। ২০১৭ চনত যেতিয়া আইনখন অনা হল, আজি প্ৰায় ২ বছৰ পাৰ হৈ গল, মাননীয় শিক্ষা মন্ত্ৰীয়ে (যদিও নিৰ্ধাৰিত সময়টো ইয়াত দিয়া নাই তথাপি যদি) সোনকালে খালী পদসমুহ পুৰণ কৰাৰ কামখিনি কৰে তেতিয়া মানুহখিনিয়ে বহুত সকাহ পাব। M. E. School ৰ ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব বিচাৰিছো, আপোনালোকে তিনিটাকৈ Post লবৰ কাৰণে সম্ভৱ এটা নিৰ্দেশনা দিছে, এতিয়া তাত ভাষা শিক্ষক নাথাকিব, হেড মাষ্টৰ নাথাকিব এই সমস্যা বোৰ থাকি যাব, সেই বাবে এই সংখ্যাটো বঢ়ায় ৫ টালৈ বৃদ্ধি কৰিলে ভাল হয় কাৰণ তেতিয়া স্কুলখন সুকলমে পৰিচালনা কৰিবলৈ সুবিধা হয়। আনহাতে Issue Date আৰু Affect Date ৰ যি কথা কলে সেই বিষয়টো মাননীয় মন্ত্ৰী মহোদয়ে স্পষ্ট ভাষাৰে কৈছে যে Consider কৰিব বুলি এই Consider শব্দটোৰ পৰা বহু মানুহে জীৱনত সকাহ পাৰ। মাত্ৰ এটা Date ৰ কাৰণে বহু মানুহ বঞ্চিত হৈ থাকিব লগীয়া হৈছে, সেই কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক কথাটো গুৰুত্ব সহকাৰে লবলৈ অনুৰোধ কৰিলো।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সচাঁ কথা কবলৈ হলে আমি নিযুক্তি দিয়াৰ ক্ষেত্ৰত আদালতৰ গোচৰ সমুহৰ বাবে থমকি ৰবলগীয়া হৈছে। ইমদাদুল হক ডাঙৰীয়াই জানে যে প্ৰথমে এবাৰ কেচ দিলে, কেচটোত আদালতে আমাৰ পক্ষত ৰায় দি কলে যে তেখেত সকলৰ পক্ৰিয়াটো ঠিকে আছে, যেতিয়া আমি পক্ৰিয়াটো আৰম্ভ কৰিলো তেতিয়া আকৌ আন এজনে কেচ দিলে। আজিও আমি কেৱল আদালতত থকা Writ Petition ৰ কাৰণে থমকি ৰবলগীয়া হৈছে। গতিকে এই পক্ৰিয়াটোত মুলত শিক্ষক সকলেই দায়ী।

দ্বিতীয়তে Issue Date আৰু Affect Date ৰ সম্পৰ্কত তেখেতে যি কথা কলে মই যেতিয়া বিধায়ক হৈ আছিলো, তেতিয়াও অনুভৱ কৰিছিলো যে এই কথাটো ঠিক হোৱা নাই। কিন্তু আইন এখন আনোতে আমি বহুতো দিশ চাব লগীয়া হয় যেনে Financial Implecation কিমান হব ইত্যাদি ইত্যাদি। তাৰোপৰি Finance Department ৰ পৰাও Section পাব লাগিব। এই গোটেই কথাবোৰ চালি জাৰি চায়হে সিদ্ধান্ত লব লাগিব। মোক যদি ব্যক্তিগত ভাৱে সুধে তেতিয়া মই ভাবো যে এই বিষয়টো সহানুভূতিৰ সৈতে আৰু এটা উদাৰ দৃষ্টিৰে এই বিষয়টো চাব লাগে। কিয়নো Issue Date is not a fault of the School or Colleges. তেখেত সকলে সময়মতেই জমা দিছিলে কিন্তু চৰকাৰৰ ফালৰ পৰাহে Issue হওঁতে কিছু সময় লাগিছিল। গতিকে মই কৈছোৰেই যে আইন এখনৰ সংশোধন কৰিব লগীয়া হলে আমি বহুতো দিশ চায়হে আমি সংশোধন কৰিব পাৰো। আমি এই গোটেই দিশ বিলাক সামৰি আইনখন সংশোধন কৰি সমাধান কৰিবলৈ প্ৰচেষ্টা কৰি আছো আৰু পাৰিলে এই Financial Year তে অৰ্থাৎ অহা December মাহতেই আমি আৰু এটা Sepplementary Demand place কৰিবলৈ সুবিধা পাম। তেতিয়ায়ে আমি এই সম্পৰ্কত এটা সিদ্ধান্ত লম।

M. E. School ৰ ক্ষেত্ৰত ৩ টা পদৰ সংখ্যা ৫ টালৈ বৃদ্ধি কৰাৰ ক্ষেত্ৰত যি কথা

কৈছে, বিষয়ৰ দৃষ্টি ভংগীৰ ফালৰ পৰা চালে আপোনালোকে ঠিকেই কৈছে কিন্তু যেতিয়া কোনো স্কুলত মাত্ৰ ১৫ টা শিশু থাকে তাত ৫ জন শিক্ষক নিযুক্তি দিলে তেনে ক্ষেত্ৰত আমাৰ অসুবিধা হয়। চাওঁক আপোনালোকে যদি বিষয়ৰ দৃষ্টি ভংগীৰে চায় তেতিয়া তাত যুক্তি আছে কিন্তু স্কুল খনৰ ছাত্ৰ ছাত্ৰীৰ সংখ্যাৰে চালে সেইটো আপোনালোকে অসুবিধা বুলিহে গণ্য কৰিব। এই ক্ষেত্ৰত আমি amalgamation ৰ পক্ৰিয়াৰে এই বিষয়টো সম্পূৰ্ণ কৰি October November মাহত এটা সঠিক চিত্ৰ পাবলৈ সক্ষম হম।

**মাননীয় অধ্যক্ষ ঃ** Next Question Shri Satyabrata Kalita. He is absent. So next question will be raised by Shri Mamun Imdadul Haque Chaudhury.

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, নাওঁবৈছা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নটো আনিছো যি সকল মানুহ একেবাৰে গৰীব, দুখীয়া, আমি যেতিয়া ভাত খাবলৈ যাওঁ, তেতিয়া আমি নাভাৰো যে তেওঁলোকৰ ভাতৰ চাউলখিনি আহি পাওঁতে কিমানখিনি পৰিশ্ৰম কৰিব লগা হয়। আমি যিটো ঘৰত থাকো, আমি নাভাৰো যে কিমান কম খৰছত শ্ৰমিকে এই ঘৰটো বনালে। আমি যেতিয়া আমাৰ A.C. গাড়ীখন ৰাষ্ট্ৰাৰে লৈ যাওঁ নাভাৰো ইয়াত কিমান দুখীয়া মানুহে নিজৰ পেটৰ তাড়নাত ৰাষ্ট্ৰা বনাইছে। গতিকে তেওঁলোকে নিজে বাছি থাকিবৰ কাৰণে এই কাম বিলাক কৰে। সেই কাৰণে এই প্ৰশ্নটো আনিছিলো যে চৰকাৰৰ এটা নিদিষ্ট আইন থাকিব লাগে যে এজন মানুহে যেতিয়া দিন হাজিৰা কৰে , খেতিতে কৰক, ৰাষ্টাতে কৰক বা কাৰোবাৰ ঘৰতে কৰক, তেওঁলোকে যাতে এটা নিৰ্ধাৰিত দিন হাজিৰা এটা পাই। এই মানুহখিনি সমাজখনৰ সকলোতকৈ দুখীয়া মানুহ। কিন্তু এই মানুহখিনিয়ে যদি পৰিশ্ৰম নকৰে, তেনেহ'লে সমাজখন টিকি থকাতো টান হৈ যাব। মাননীয় মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিছে মই তেখেতক ধন্যবাদ দিছো যে এনেকুৱা এখন আইন আছে বুলি আমি অৱগত নাছিলো। তেখেতে এখন তালিকা দিছে যে অতি দক্ষ শ্ৰমিকৰ বাবে **১৪,৯০৯** টকা প্ৰতিমাহে। এইটো যদি আমি per day হিচাপ কৰো তেনেহ'ল অতি দক্ষ শ্ৰমিকে **৪৯৬** টকা, তাৰ মানে প্ৰায় ৫০০ টকা। দক্ষ শ্ৰমিকে **৩৮৬** টকা per day। অৰ্ধদক্ষ শ্ৰমিকে **৩১২** টকা per day আৰু অদক্ষ শ্ৰমিকে **২৬৫** টকা per day। এই যে মাননীয় অধ্যক্ষ মহোদয়,মিস্ত্ৰী , জোগালী বা দিন হাজিৰা কৰা অদক্ষ শ্ৰমিক আৰু অৰ্ধদক্ষ শ্ৰমিকক আমি ধৰো তেনেহ'ল **২৬৫** টকা per day আৰু **৩১২** টকা per day এইটো একেবাৰে কম হয়। এজন মানুহে দিনটো দুসাজ খোৱাৰ কাৰণে, পিন্ধা-ওৰা কৰিবৰ কাৰণে এইটো খুব কম হয়। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো আপোনাৰ জৰিয়তে কিবা আইনী প্ৰক্ৰিয়াৰ মাজেৰে এইটো কৰিব পাৰে তেতিয়া হ'লে খুৱ মহান কাম হ'ব কাৰণ এই মানুহখিনি সমাজৰ সকলোতকৈ দুখীয়া, গৰীব মানুহ।

দ্বিতীয়তে, মাননীয় মন্ত্ৰী মহোদয়ে এখন তালিকা দিছে যে এই গৰীব দুখীয়া মানুহখিনি বিভিন্ন আপদ-বিপদত বা শিক্ষা -দীক্ষাত বা মৃত্যু হলেও যাতে তেওঁলোকৰ অন্তেষ্টিক্ৰীয়াৰ কাৰণে সহায় কৰিব পাৰে। এইটো এটা খুৱ ভাল ব্যৱস্থা। মই নিজে বিধায়ক কিন্তু মই জনা নাছিলো। সমাজখনত এনেকুৱা যে আইন আছে আমি অৱগত নহয়। তাৰ মানে system টোক দোষাৰোপ কৰিলে বেয়া হ'ব। system টোক publicity কৰিব লাগে। ইয়াত গোটেই তালিকাখন গাব লগা হ'লে **১৬** টা মান scheme ৰ কথা কৈছে মই নকও। এতিয়া প্ৰথমতো হৈছে হিতাধীকাৰীৰ চিকিৎসা সাহাৰ্য্য। এজন শ্ৰমিকে যদি চিকিৎসাৰ কাৰণে **২০** হাজাৰ টকা পাই বহুত ডাঙৰ কথা, ভাল কথা এইটো। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আমি নাজানো, আমি অৱগত নহয়। তাৰ মানে

publicity নহয়।

তাৰ পিছত এজন মানুহৰ স্বাভাৱিক মৃত্যু হলে ৫০ হাজাৰ টকা, অকাস্মিক দুৰ্ঘটনা মৃত্যু হলে ৩ লাখ টকা পাই। এনেকুৱা ভাল ভাল আঁচনি আছে। গতিকে মাননীয় মন্ত্ৰী মহোদয় মই অনুৰোধ কৰিছো আপোনাৰ জৰিয়তেদি যাতে এই যে যিখন আইন আপোনালোকৰ আছে আৰু কালিও কেন্দ্ৰীয় চৰকাৰে এখন আইন আনিছে লোক সভাত - West Court Bill । West Court Bill খন কালি আইন হৈছে। খুব সম্ভৱ এইটো ইয়াত পৰে নে নপৰে মই নাজানো। মাননীয় মন্ত্ৰী মহোদয়ৰ বিভাগত যদি লগাই দিয়ে আৰু অলপ সুবিধা হ'ব। গতিকে মোৰ বোধৰে এই মানুহখিনিৰ জীৱনৰ মাণদণ্ড উন্নত কৰিবৰ কাৰণে চৰকাৰৰ যিখিনি আঁচনি আছে অলপ publicity কৰে আৰু minimum wage ৰ যিখিনি তালিকা কমেও per day ৫০০ টকা কৰে। মোৰ বোধৰে ভাল কাম হ'ব আৰু আজীৱনৰ কাৰণে মানুহে আপোনালোকক মনত ৰাখিব। এইটো বহুত ডাঙৰ কাম হ'ব। এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Minister please.

**শ্ৰী ৰঞ্জিত দত্ত, শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়াই আজি অসংগঠিত খণ্ডত যিবিলাক শ্ৰমিকে দৈনিক শ্ৰমৰ কথাটো আনিছে। তাৰ ওপৰত আমি এটা পৰিপুৰক ভাৱে গোটেইখিনি উত্তৰ দিছো। মাননীয় অধ্যক্ষ মহোদয়, অসংগঠিত খণ্ডত যিসকল শ্ৰমিকে কাম কৰে তেওঁলোকক অসংগঠিত শ্ৰমিকৰ সামাজিক সুৰক্ষা আইন ২০০৮ চনৰ অধীনত, এই আইনখন কেন্দ্ৰীয় চৰকাৰে প্ৰবৰ্তন কৰিছিলে আৰু অসম চৰকাৰে অসংগঠিত শ্ৰমিকৰ সামাজিক সুৰক্ষা বিধি, ২০১০ চনত আৰু অসংগঠিত শ্ৰমিকৰ সামাজিক সুৰক্ষা বিধি সংশোধন হৈছে ২০১৩ চনত। মাননীয় অধ্যক্ষ মহোদয়, দিন হাজিৰা কৰা শ্ৰমিক সকলৰ তেওঁলোকৰ অতি দক্ষ শ্ৰমিকক ১৪৯০৯ টকা প্ৰতিমাহে। দক্ষ শ্ৰমিক ১১৫৯৬ টকা প্ৰতিমাহে, অৰ্ধদক্ষ শ্ৰমিক ৯৩৭৭ টকা আৰু অদক্ষ শ্ৰমিকক ৭৯৫১ টকা। এইটো মাননীয় সদস্য গৰাকীয়ে প্ৰতি দিনে ৩১২ টকা, ২৬৫ টকাৰ এটা ৰেচিও তৈয়াৰ কৰি দিছে। ইমান ধুনীয়া আইন চলি আছে শ্ৰমিক সকলক কাৰণে,সামাজিক সুৰক্ষাৰ কাৰণে চৰকাৰে আইন আনি প্ৰনয়ণ কৰিছে। সদস্য গৰাকীয়ে কৈছে যে ইয়াৰ প্ৰসাৰ যিটো publicity আৰু awarness যিটো হ'ব লাগে, সেইটো হোৱা নাই। তেখেতে দাবী কৰিছে যে এই দৈনিক হাজিৰাৰ যিসকল শ্ৰমিকে কাম কৰে তেওঁলোকক ৫০০ টকাৰ কৰিবৰ কাৰণে কলে। ইয়াত এটা Minimum wages fixed, the Govt. of Assam ,base on All India Consumar Price index and National floor level wages বা Govt. of India. ভাৰত চৰকাৰে এই ক্ষেত্ৰত যদি কিবা ব্যৱস্থা লয় তেতিয়া অসম চৰকাৰে এই ক্ষেত্ৰত ব্যৱস্থা লবৰ কাৰণে সাজু থাকিব। নিৰ্মাণ খণ্ডত যি সকল শ্ৰমিকে কাম কৰে। আমাৰ ইয়াত data আছে ২,৪৩,৫৯০ জন নিৰ্মাণ খণ্ডৰ লগত জৰিত শ্ৰমিকৰ নাম ইতিমধ্যে পঞ্জীয়ন কৰা হৈছে। এইটো পঞ্জীয়ন কৰাৰ ব্যৱস্থা আছে। এই নিৰ্মাণ শ্ৰমিকৰ কাৰণে আমাৰ চৰকাৰৰ জনকল্যাণ মুখী আঁচনি আছে যদি আকস্মিক দূৰ্ঘটনা হয়, চিকিৎসাৰ সাহাৰ্য্য তেওঁলোকক ৫ দিনলৈ এক হাজাৰ টকাকৈ আৰু ইয়াৰ পিছত দিনে দুশ টকাকৈ আৰু অধিকতম তেওঁলোকক সাহাৰ্য্য ২০ হাজাৰ টকা দিয়াৰ ব্যৱস্থা আছে। স্বাভাৱিক মৃত্যু হ'লে ৫০ হাজাৰ টকা পাব, আকস্মিক দূৰ্ঘটনাৰ লগত মৃত্যু হলে ৩ লাখ টকা পাব। আৰু LIC ৰ লগত জৰিত আছে। পৰিয়ালৰ ভাট্টা পাব, লৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে

ইয়াৰ ব্যৱস্থা আছে যে প্ৰথম প্ৰথমশ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ **১৫ শ** টকা, পঞ্চম শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীলৈ **২,৭৫০** টকা, অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ **৪,০০০** টকা। একাদশ শ্ৰেণীৰ বাবে **৭,০০০** টকা আৰু ডিগ্ৰীৰ বাবে **১০,০০০** টকা আৰু যিবিলাক অভিযান্ত্ৰিক, মেডিকেল পঢ়ে তেওঁলোকক **২০,০০০** টকা দিয়াৰ ব্যৱস্থা আছে। এটা সুন্দৰ আঁচনি ইয়াত চলি আছে। যোৱাকালি মই বিভাগীয় বিষয়াসকলৰ লগত বহি আলোচনা কৰিছিলো, বিষয়া সকলে কৈছে প্ৰায় **১০** কোটি টকা জমা আছে। আমাৰ শ্ৰমিকসকলে benefit পাব লাগে, মই বিষয়াসকলক কৈছো যে আমি প্ৰত্যেক জিলাত, প্ৰত্যোকটো মহকুমাত একো একোখন awarness camp কৰি, তেওঁলোকক সজাগতা কৰি এই জনকল্যান মূখী আঁচনিবিলাক ৰাইজৰ মাজত প্ৰচাৰ কৰিব লাগে আৰু তেতিয়াহে প্ৰকৃতভাৱে এই আঁচনিখিনিৰ ফলপ্ৰসু আমাৰ শ্ৰমিকসকলে লাভ কৰিব।

(Point of Order)

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আজি Starred Question তৃতীয় নংৰ শ্ৰী প্ৰবিন্দ্ৰ ডেকা ডাঙৰীয়াই প্ৰশ্ন সুধিছিল, জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিছে, যে যোৱা ২৯-৭-২০১৯ তাৰিখলৈ অসমৰ কোন কোন নদীয়ে কিমান স্থানত গড়াখহনীয় সৃষ্টি কৰিছে, তালিকা দিছে। মোৰ সমষ্টিত কিছু কিছু অংশ এতিয়া বাদ পৰি গৈছে, এইটো তালিকাত অহা নাই। আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াক দৃষ্টি আৰ্কষণ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- আপুনি, যি খিনি আছে তালিকা, মন্ত্ৰী ডাঙৰীয়াক দি দিব, নিশ্চয় তেখেতে সোমাই দিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ(সৰুক্ষেত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, দ্বিতীয়তে মোৰে এটা তঁৰাবিহীন প্ৰশ্ন আছিল ২১৬ নং। মই শুধিছিলো টেট উৰ্ত্তীণ কিন্তু চাকৰি নোপোৱা ব্যক্তিৰ সংখ্যা কিমান ? জিলা ভিত্তিত তালিকা লাগে, আৰু উত্তৰত মন্ত্ৰী ডাঙৰীয়াই দিছে, জিলা ভিত্তিত তালিকা সংগ্ৰহ কৰি থকা হৈছে। আশা কৰো সংগ্ৰহ কৰাৰ পিছত, সেই তালিকাখন আমি পোৱাৰ বাবে আহ্বান জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ-ঠিক আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)**ঃ- মাননীয় অধ্যক্ষ মহোদয়, Un-Starred Question-52 ত বিদেশী ন্যায়াধীকৰণ ২০০ খন গঠন কৰা হ'ব , তাতে শিলচৰত ২০ খন হ'ব। অধ্যক্ষ মহোদয়, আমাৰ বৰাকভেলী, কৰিমগঞ্জ, হাইলাকান্দি আৰু শিলচৰ মিলি। অধ্যক্ষ মহোদয়, খালী শিলচৰত নকৰি যদি ৰাইজৰ সেৱা দিব লাগে, তেনেহলে তিনিখন জিলা মিলি আমি যদি প্ৰত্যেক জিলাতে কৰো, বা কৰিব পাৰি তেতিয়া হ'লে মই ভাবো ৰাইজ উপকৃত হ'ব।

**মাননীয় অধ্যক্ষ** ঃ-ঠিক আছে। আপুনি এখন চিঠি দিব, মই পঠিয়াম।

**শ্ৰী ৰূপজ্যোতি কুৰ্ম্মী (মৰিয়নি)** ঃ- মাননীয় অধ্যক্ষ মহোদয়,মোৰ এটা প্ৰশ্ন আছিল,Un- Starred Question-225 No ৰ প্ৰশ্নটোত মই শ্ৰমিকৰ বিষয়ে সুধিছিলো। বৰাকৰ যিটো আলোচনা চলি থকাৰ অৱস্থাত, কাছাৰৰ ৰৌজকান্দি নামৰ চাহ বাগিচাখন আজি প্ৰায় এমাহ মান হৈ গ'ল বন্ধ হৈ আছে। এই সংক্ৰান্তত চৰকাৰৰ পৰা জানিব বিচাৰিছিলো, যে চাহ উদ্যোগক লৈ এটা আলোচনা বিভিন্ন সংস্থা সমুহক লৈ, উদ্যোগ মন্ত্ৰী আৰু মাননীয় মুখ্য মন্ত্ৰী উপস্থিত আছে, আমি জনালে ভাল পাম, চাহ উদ্যোগক লৈ।

**মাননীয় অধ্যক্ষ** ঃ-ঠিক আছে।

**শ্ৰী ৰূপজ্যোতি কুৰ্ম্মী(মৰিয়নি)** ঃ- মাননীয় অধ্যক্ষ মহোদয় ২য়তে অসম চাহ নিগমৰ, চাহ

বাগিচাক লৈ চৰকাৰে এটা  সমিতি গঠন কৰি দিছিল।

**মাননীয় অধ্যক্ষ** ঃ-এইটো  Question-hour নহয়। আপুনি এটা কথা কৈছে, এটা আলোচনা হ'ব লাগে। ঠিক আছে, তাতকৈ আৰু ন'হব।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা Un-Starred Question আছিল,২০০ নং।ইয়াতে যিটো Tea & Ex-Tea Welfare Board ৰ বিভিন্ন সামগ্ৰী সম্পৰ্কে। ইয়াতে যিখিনি উত্তৰ দিছে, তাতে কিছু বিসংগতিও আছে, আমাৰ প্ৰতিটো মহকুমাতে একোখনকৈ মহকুমাবাসীৰ কাৰনে, সামগ্ৰীবোৰ যোগান ধৰা হয়। নাজিৰা মহকুমাত নাজিৰা মহকুমাৰ বাহিৰৰ লোকৰ বাবেও যোৰা সময়চোৱাত গাড়ীৰ যোগান ধৰা হ'ল। এই কথাটো মই দৃষ্টি আৰ্কষণ কৰিম মই আপোনাৰ যোগেদি, বিভাগে যাতে তদন্ত কৰাৰ  ব্যৱস্থা কৰে। ২য়তে  শিক্ষা বিভাগৰ যিহেতু আজি আলোচনা অলপ আছিল, প্ৰশ্ন। আমাৰ স্পীকাৰ ইনিচেটিফৰ  প্ৰতিবেদনখন পালে ভাল হয়। বহুত পলম হৈছে।

**মাননীয় অধ্যক্ষ** ঃ-ধন্যবাদ।  এতিয়া শ্ৰী মতী নন্দিতা দাস।  মই এফালৰ পৰা গৈ আছো, মই সকলোকে দিম।

**শ্ৰী মতী নন্দিতা দাস (বকো)** ঃ-মাননীয় অধ্যক্ষ মহোদয়, Starred Question ৮২ নংত পবিন্দ্ৰ ডেকা ডাঙৰীয়াৰ যিটো প্ৰশ্ন আছিল, মথাউৰী ভঙা আৰু গড়াখহনীয়া সৃষ্টি হোৱা নদী কেইখনৰ যি তালিকা ইয়াতে দিয়া হৈছে। ইয়াত মোৰ কামৰূপ (গ্ৰাম্য) ৰ মোৰ বকো সমষ্টিৰ যিখিনি গড়াখহনীয়া সংঘটিতহৈছে, সেই নদীকেইখনৰ নাম ইয়াত উত্থাপন হোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, এই লিষ্টত মোৰ এলেকাৰ যিখিনি গড়াখহনীয়া হৈছে, সেই নদীবোৰৰ নাম আৰু গোটেইখিনি ইয়াতে লিষ্টত অহা নাই।

**মাননীয় অধ্যক্ষ** ঃ-আপোনাৰ একেটা কথাকে প্ৰথমজন প্ৰশ্নকৰ্তাইয়ো কৰিছে। আপুনি লিষ্টখন মন্ত্ৰীডাঙৰীয়াক দি দিব। তেতিয়া তেখেত সকলে চেক কৰি লব পাৰিব। এতিয়া নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, এই পবিত্ৰ সদন আমাৰ প্ৰাৰ্থনা গৃহ। ইয়াত আমি সকলো সদস্যই শুদ্ধ আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত হোৱাটো বিচাৰো চাৰ।

**মাননীয় অধ্যক্ষ** ঃ- Point of Order Raise your  Point of Order  কিবা অসুবিধা হৈছে যদি কৈ দিয়ক।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)**ঃ- ২৯-০৭-২০১৯ তাৰিখে মোৰ এটা তঁৰাবিহীন প্ৰশ্ন আছিল ১০৭ নং।

**মাননীয় অধ্যক্ষ** ঃ- ২৯-০৭-২০১৯ তাৰিখৰ কথাটো আজি ইয়াত নাহে। আপুনি মোক এখন চিঠি দিয়ক। মই মন্ত্ৰীক জনাই দিম কথাটো। ২৯-০৭-২০১৯ তাৰিখৰ দৃষ্টিগোচৰ আজি নকৰিব। এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মোৰ তঁৰাবিহীন প্ৰশ্ন ২৩৫, ইয়াতে গুৱাহাটী উন্নয়ন বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ে এটা শুদ্ধ উত্তৰ দিয়া নাই। জালুকবাৰীৰ অসম আৰ্হিৰ শৰাইঘাট মঞ্চৰ উন্নয়ন,  এইটোৰ কাম আৰম্ভ হৈছে বুলি কৈছে। কিন্তু চাৰ, এতিয়ালৈকে কাম আৰম্ভ হোৱাই নাই। গতিকে মই আপোনাৰ জৰিয়তে এই যে কাম আৰম্ভ হৈছে বুলি দিছে, সেই কথাটো মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো আৰু ২য়তে ৯ টাৰ ২টা সম্পূৰ্ণ হৈছে, এইটো সঁচা কথা। ২০১৮ আৰু ২০১৯ চনৰ  ৭ টাৰ কাম এতিয়ালৈকে আৰম্ভ হোৱা নাই, টেণ্ডাৰো কল হোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে। মন্ত্ৰী ডাঙৰীয়াই নোট কৰিব। ইয়াৰ পিছত কোন আছিল কওঁক।

**শ্ৰী কিশোৰ নাথ (বৰখলা)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, Un-Starred Question ২১৮ নংত । এই প্ৰশ্নটো যোৱা বছৰ পবিত্ৰ সদনত মই আনিছিলো। তেতিয়া মই উত্তৰত Satisfied নাছিলো। এইবছৰো একেদৰে পালো যে Work will be taken up availibility of fund এনেকৈ বুলি আকৌ উত্তৰটো পালো। আৰু তাত দিয়া হৈছে যে memo was placed in the TAC of Kachar Flood Contral Boad, and recommended on 12th September, 2018.

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে। উত্তৰ একেটাই নেকি ? যোৱাবাৰ আৰু এতিয়াও। আগবঢ়া নাই ?

**শ্ৰী কিশোৰ নাথ (বৰখলা)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, বানপানীক লৈ মোৰ সমষ্টিত বহু অসুবিধা আছে।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে। মন্ত্ৰী ডাঙৰীয়াই নোট কৰিব।

**শ্ৰী কিশোৰ নাথ (বৰখলা)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াক দৃষ্টিগোচৰ কৰিছো। এই বছৰ যাতে মোৰ ১৪ টা ইয়াতে আছে। তাৰ ভিতৰত যদি ১-২ টাও মই পাওঁ।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে। আপুনি বহক। মন্ত্ৰী ডাঙৰীয়াই একো উত্তৰ দিব নালাগে এতিয়া। যোৱাবাৰ যিটো এইবাৰো একে স্থিতিয়েই আছে। অকণমান তাতকৈ better হলে ভাল। লক্ষ্য ৰাখিব। ড° নোমল মমিন।

**ড° নোমল মমিন (বোকাজান)** ঃ- অধ্যক্ষ মহোদয় আমাৰ পবিত্ৰ সদনত এটা ধন্যবাদসূচক প্ৰস্তাৱ লব লাগে, যোৱাকালি মহিলা সবলীকৰণৰ বাবে Parliament ত Triple Talaq Bill পাছ হ'ল। ইয়াৰ জৰিয়তে মহিলা সবলীকৰণৰ তথা মুছলমান মহিলা সকলৰ সবলীকৰণৰ কাৰণে এটা বলিষ্ঠ পদক্ষেপ। সেই বাবে প্ৰধান মন্ত্ৰী আৰু চৰকাৰক ধন্যবাদ দি পেলাই আমাৰ এটা ধন্যবাদসূচক প্ৰস্তাৱ লব লাগে।

মাননীয় অধ্যক্ষ ঃ- last point of order ৰাজেদ আলি চৌধুৰী।

**শ্ৰী ৰাজেদ আলি চৌধুৰী (দক্ষিণ শালমাৰা)**ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই শিক্ষা মন্ত্ৰীৰ পৰা জানিব বিচাৰিছিলো যে দক্ষিণ শালমাৰা সমষ্টিৰ যিহেতু দুটা District হ'ল South Salmara District এটা আৰু এটা Dhubri District ধুবুৰী জিলাত এটা model College, 2010 চনতেই sanction হৈছিল ইয়াৰ মাটি আৱন্টন দিয়া হ'ল। কিন্তু এতিয়ালৈকে কাম আৰম্ভ হোৱা নাই। ইতিমধ্যে সেই কলেজৰ ঠাইখিনিলৈ পেলাই এটা আমাৰ পিছৰ বিধায়ক জনে আকৌ সেইটো সলনি কৰিছিলে। এটা controversy হোৱাৰ কাৰণে। আকৌ নতুনকৈ আৰু এখন model College সেই এৰিয়াত দি দিলে। আমি ভাল পালো। আজিৰ প্ৰশ্নৰ উত্তৰত অকল ১ খন model College ৰ উত্তৰ দিছে।

**মাননীয় অধ্যক্ষ** ঃ- Dispute খনৰ নে ?

**শ্ৰী ৰাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)** ঃ- মানে এতিয়া ,dispute নোহোৱা হৈ গ'ল। ২য়লৈ dispute আছিল। আৰু এখন বঢ়াই দিলে।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে। আপুনি মন্ত্ৰী ডাঙৰীয়াক এবাৰ লগ কৰি ল'ব।

**শ্ৰী ৰাজেদ আলি চৌধুৰী (দক্ষিণ শালমাৰা)** ঃ- এইটো দুখন আমাৰ হ'ব লাগে। ১ খন দিয়া বুলি কৈছে।

**মাননীয় অধ্যক্ষ** ঃ-আপুনি মন্ত্ৰী ডাঙৰীয়াক এবাৰ লগ কৰি ল'ব। কথা পাতি ল'ব। আমি এতিয়া ইয়াৰ পৰৱৰ্তীলৈ আহিব খুজিছো, মই এটা ঘোষণা দিব খুজিছো । item no-2 ত।

**মাননীয় অধ্যক্ষ** ঃ আমি এতিয়া পৰৱৰ্তী কাৰ্যসূচীলৈ আহিব বিচাৰিছো। কাৰ্যসূচী নং ২ ত মই এটা ঘোষণা কৰিব বিচাৰিছো। অসম বিধান সভাৰ উপাধ্যক্ষ নিৰ্বাচনৰ ফলাফল সম্পৰ্কত মই মোৰ ঘোষণাটো আগবঢ়াইছো-

উপাধ্যক্ষ পদৰ বাবে তিনিখন মনোনয়ন পত্ৰ পাইছো। অসম বিধান সভাৰ 'প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনা নিয়মাৱলী' ৰ নিয়ম ৮ (১) ৰ অধীনত প্ৰয়োজন হোৱা মনোনয়ন পত্ৰ সমূহৰ তথ্য দাঙি ধৰিছো-

আটাইকেইখন মনোনয়ন পত্ৰ একেগৰাকী সদস্য মাননীয় শ্ৰী আমিনুল হ'ক লস্কৰৰ সপক্ষে পোৱা হৈছে।

মনোনয়ন পত্ৰ নং -১

**প্ৰস্তাৱক**- শ্ৰী ভবেশ কলিতা, **সমৰ্থক** -শ্ৰী বিমল বড়া।

মনোনয়ন পত্ৰ নং -২

**প্ৰস্তাৱক**- শ্ৰী কেশৱ মহন্ত, **সমৰ্থক** - শ্ৰী উৎপল দত্ত।

মনোনয়ন পত্ৰ নং -৩

**প্ৰস্তাৱক**- শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, **সমৰ্থক** -শ্ৰী মনেশ্বৰ ব্ৰহ্ম।

উপাধ্যক্ষ পদৰ বাবে মাত্ৰ এগৰাকী সদস্য বৈধভাৱে মনোনীত হোৱা হেতুকে চতুৰ্দশ অসম বিধান সভাৰ উপাধ্যক্ষ হিচাপে মই আমাৰ সতীৰ্থ শ্ৰী আমিনুল হ'ক লস্কৰ ডাঙৰীয়া বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো। মই এতিয়া নৱ-নিৰ্বাচিত উপাধ্যক্ষক তেখেতৰ আসনলৈ আগবঢ়াই অনাৰ বাবে সকলো দলৰ দলপতিসকলক অনুৰোধ কৰিছো।

(অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী সহ কেবিনেট মন্ত্ৰীৰ লগতে সকলো দলৰ দলপতি সকলে অসম বিধান সভাৰ নৱ-নিৰ্বাচিত উপাধ্যক্ষ মহোদয়ক তেখেতৰ আসনলৈ আগবঢ়াই আনে)

এতিয়া নৱ-নিৰ্বাচিত উপাধ্যক্ষক সম্বৰ্ধনা জনাব। প্ৰথমে সদনৰ দলপতিয়ে সম্বৰ্ধনা জনাব।

**শ্ৰী সৰ্বানন্দ সোণোৱাল (মাননীয় মুখ্যমন্ত্ৰী অসম)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, সোণাই বিধান সভা সমষ্টিৰ আমাৰ সতীৰ্থ বিধায়ক আমিনুল হ'ক লস্কৰ ডাঙৰীয়াক আজি বিধান সভাৰ মাননীয় বিধায়ক সকলে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰাৰ ক্ষেত্ৰত যি সহযোগিতা আগবঢ়ালে তাৰ বাবে সকলো দলৰ প্ৰতিগৰাকী বিধায়কলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু আমিনুল হ'ক লস্কৰ ডাঙৰীয়াক মই অন্তৰৰ পৰা অভিনন্দন জনাইছো। মই বিশ্বাস ৰাখিছো, উপাধ্যক্ষ হিচাপে তেখেতে এই পৱিত্ৰ সদনত সাৰ্বজনীন দৃষ্টি ভংগীৰে সকলোকে সম মৰ্যাদা দি সাংবিধানিক দায়িত্ব নিশ্চিত ভাৱে পালন কৰিব। ছাত্ৰাৱস্থাৰ পৰাই সামাজিক কামত নিষ্ঠাৰে আত্মনিয়োগ কৰা আমিনুল হ'ক লস্কৰ আমাৰ সকলোৰে পৰিচিত। একালত তেওঁ সদৌ অসম ছাত্ৰ সন্থাত কেন্দ্ৰীয় সমিতিৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল আৰু পৰৱৰ্তী কালত অ.গ.প. দলতো কাৰ্যনিৰ্বাহ কৰিছিল। তেখেতে বৰ্তমান বিজেপিৰ এগৰাকী নিষ্ঠাৱান বিধায়ক হিচাপে নিঃস্বাৰ্থভাৱে সমষ্টিৰ ৰাইজৰ বাবেই নহয়, সমগ্ৰ অসমতে সকলোৰে বাবে নিষ্ঠাৰে কাৰ্যনিৰ্বাহ কৰি আহিছে আৰু সেইবাবেই হয়তো আজি সকলো বিধায়কৰ মন জয় কৰিবলৈ তেওঁ সক্ষম হৈছে। মই তেখেতৰ সফলতা কামনা কৰি আগন্তুক দিনত তেখেতে উপাধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ বাবে শাসক-বিৰোধী দলৰ প্ৰতিগৰাকী বিধায়কে যাতে আন্তৰিকতাৰে সহযোগিতা আগবঢ়ায়। ধন্যবাদ।

**শ্ৰী দেৱব্ৰত শইকীয়া ( বিৰোধী দলৰ দলপতি)ঃ** অধ্যক্ষ মহোদয়, আমিনুল হ'ক লস্কৰ ডাঙৰীয়াক আজি আমি উপাধ্যক্ষ হিচাপে পাই কংগ্ৰেছ বিধায়িনী দলো আনন্দিত আৰু আগন্তুক সময়ত তেখেতে সদনৰ গৰিমা ৰক্ষা কৰি তেখেতৰ কাৰ্যকাল সুন্দৰ ভাৱে চলাই নিব পাৰিব বুলি আশা কৰিছো। তেখেতক আমি সকলো ক্ষেত্ৰতে সহযোগিতা আগবঢ়াম, এই কথা কৈ তেখেতক পুনৰ অভিনন্দন জ্ঞাপন কৰিলো।

**শ্ৰী অতুল বৰা (মাননীয় কৃষি বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই পৱিত্ৰ সদনত বিনা প্ৰতিদ্বন্দিতাৰে আমিনুল হ'ক লস্কৰ ডাঙৰীয়া উপাধ্যক্ষ পদত নিৰ্বাচিত হোৱাত আমি অতিশয় আনন্দিত হৈছো আৰু তেখেতলৈ অভিন্দন যাঁচিছো। মোৰ দৃঢ় বিশ্বাস, আজিৰ পৱিত্ৰ সদনে তেখেতৰ ওপৰত যি গধূৰ দায়িত্ব ন্যস্ত কৰিছে, তেখেতে সেই দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ সক্ষম হ'ব। কাৰণ মই আমিনুল হ'ক লস্কৰ ডাঙৰীয়াক ছাত্ৰাৱস্থাৰ পৰাই পাইছো। একালত সদৌ অসম ছাত্ৰ সন্থাত আমাৰ সতীৰ্থ কৰ্মী আছিল। তেখেতে সকলো দায়িত্ব নিষ্ঠাৰে পালন কৰিছিল।অ.গ.প.ৰ ভাতৃ সংগঠন অসম যুৱ পৰিষদৰো তেখেত সম্পাদক আছিল। বিগত দিনবোৰত মই দেখিছো যে তেখেতে বিধায়ক হিচাপে তেখেতৰ সমষ্টিৰ বিভিন্ন কামৰ বাবে আমাৰ ওচৰলৈ আহে আৰু তেখেতৰ সমষ্টিৰ সমস্যাবোৰৰ কথা আমাক জনায়। গতিকে মই আশা কৰিছো যে তেওঁৰ ওপৰত ন্যস্ত দায়িত্ব তেখেতে নিষ্ঠাৰে পালন কৰিব। গতিকে অ.গ.প. বিধায়িনী দলৰ তৰফৰ পৰা মই তেখেতক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। ধন্যবাদ।

**হাফিজ বচিৰ আহমেদ (পশ্চিম বিলাসীপাৰা)ঃ** অধ্যক্ষ মহোদয়, আমিনুল হ'ক লস্কৰ ডাঙৰীয়া বিনা প্ৰতিদ্বন্দিতাৰে সকলোৰে সামগ্ৰিক সমৰ্থন সাপেক্ষে উপাধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱাৰ বাবে আমি অত্যন্ত আনন্দিত আৰু আমাৰ দলৰ ফালৰ পৰা তেখেতক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। মই আশা ৰাখিছো তেখেতে সম দৃষ্টি আৰু নিৰপেক্ষ ভূমিকাৰে সকলো সদস্য তথা সদন পৰিচালনা কৰিব। আগন্তুক দিনত তেখেতৰ বলিষ্ঠ তথা দক্ষ নেতৃত্বত বিধান সভাৰ কাৰ্যসূচী সফলতাৰে আগবাঢ়ি যাব বুলি আশা ৰাখি, তেওঁক পুনৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। ধন্যবাদ।

**শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম, মাননীয় মন্ত্ৰী, সমাজ কল্যাণ ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ সদনত উপাধ্যক্ষ হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱা বিজেপি দলৰ বিধায়ক শ্ৰী যুত আমিনুল হ'ক লস্কৰ ডাঙৰীয়াক বি.পি.এফ. বিধায়িনী দলৰ পৰা আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। আশা ৰাখিছো, আপুনি আমাৰ পৱিত্ৰ সদনৰ গুণ -গৰিমা, পৱিত্ৰতা অক্ষুন্ন ৰাখিব লগতে সমগ্ৰ অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰতিনিধিসকলক সম দৃষ্টিৰে সুন্দৰভাৱে সহায়-সহযোগিতা আগবঢ়াব। আপোনাৰ যোগেৰে বৰাক উপত্যকা গৌৰৱময় হোৱাৰ আশাৰে আপোনাক শুভেচ্ছা জ্ঞাপন কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**শ্ৰী ৰঞ্জিৎ কুমাৰ দাস, বিধায়ক, সৰভোগ ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি আজি অসম বিধান সভাত উপাধ্যক্ষ হিচাপে শ্ৰী আমিনুল হক লস্কৰ ডাঙৰীয়া নিৰ্বাচিত হোৱাত বিশেষকৈ বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱাৰ কাৰণে আমি নথৈ আনন্দিত আৰু সন্তোষ প্ৰকাশ কৰিছো। তেখেতলৈও আমি অভিনন্দন জনাইছো। বিভিন্ন সংগঠনৰ লগত জড়িত হোৱাৰ উপৰিও ভাৰতীয় জনতা পাৰ্টীৰো এটা সময়ত ৰাজ্যিক সমিতিৰ সম্পাদকৰ দায়িত্ব পালন কৰিছিল। তাৰ জৰিয়তে অকল বৰাক উপত্যকাৰ নহয়, ব্ৰহ্মপুত্ৰ উপত্যকাৰ মানুহৰ লগতো সম্পৰ্ক ৰাখিছে। তেনেকুৱা এজন ব্যক্তি উপাধ্যক্ষ হিচাপে নিৰ্বাচিত হোৱা কাৰণে বিশেষকৈ যিহেতু আগৰ উপাধ্যক্ষ সকল বৰাকৰে আছিল। পুনৰবাৰ বৰাকৰে এগৰাকী উপাধ্যক্ষ হিচাপে পুনৰ নিৰ্বাচিত কৰাৰ কাৰণে আমি

নথৈ আনন্দিত। তেখেতলৈ আমি উষ্ম আদৰণি জনাইছো আৰু লগতে মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ জনাইছো যে তেখেতে ২ বছৰ পাবগৈ, সম্পূৰ্ণ পাঁচ বছৰ নাপায়। গতিকে তেখেতক যাতে আপুনি পৰিপক্ক কৰাৰ স্বাৰ্থত অধিক গুৰু দায়িত্ব মাজে মাজে যাতে দিয়ে। তাকে জনাই তেখেতক পুনৰ উষ্ম আদৰণি জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মই অধ্যক্ষ হিচাপে দিম। আপুনি প্ৰাক্তন অধ্যক্ষ হিচাপে দিব। ঠিক হৈ যাব। আজি আৰম্ভ কৰিম।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** বৰাকৰ হৈ কম চাৰ।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমেই আমি শ্ৰী আমিনুল হক লস্কৰকে আমাৰ শুভেচ্ছা ও ধন্যবাদ জ্ঞাপন করছি। আমি খুব খুশী যে শ্ৰীদিলীপ পাল, শ্ৰীকৃপা নাথ মল্লা এবং তাৰপৰ শ্ৰীআমিনুল হক লস্কৰকে আমাদেৰ বৰাক থেকে উপাধ্যক্ষ নিৰ্বাচন কৰাৰ জন্য। দিলীপ বাবুৰ মতো ছেড়ে যাবেন না তিনি, আমাদেৰ সাথে থাকবেন। অল্প দুঃখিত। এই কাৰণে দুঃখিত যে তিনি আমাদেৰ সাথে এস্টিমেট কমিটিতে ছিলেন। কিন্তু এখন থেকে তাঁকে আৰ পাব না। আৰও একটা কথা বলতে চাই তাঁকে মন্ত্ৰী হিসাবে পেলে আমি বেশি খুশি হতাম। আমি বিশ্বাস কৰি যে তাঁৰ নিৰপেক্ষতায় সদনেৰ গৰিমা আৰও বৃদ্ধি পাবে। এই বলে তাঁকে শ্ৰদ্ধা জানিয়ে আমাৰ বক্তব্য শেষ করছি। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Thank you. মই সকলোকে ধন্যবাদ জনাইছো। খুব আশাবাদী যে আমাৰ নতুনকৈ নিৰ্বাচিত উপাধ্যক্ষ ডাঙৰীয়াই নিশ্চিত ভাৱে সদন চলাবলৈ সক্ষম হ'ব। মোক এটা কথাই দৃষ্টি আকৰ্ষণ কৰিছিল। কেইদিনমান আগতে বৰাকৰ যিটো আলোচনা হৈছিল, তাত তেখেতেও অংশ গ্ৰহণ কৰিছিল। পিছত তেখেতক লগ পাই কৈছিলো। তেতিয়া উপাধ্যক্ষৰ কথাটো অহা নাছিল। মই কৈছিলো ইমান তত্বগধুৰ কথাখিনি ক'লে, মই দুঃখিত। মই সময় দিব নোৱাৰিলো। খুব ভালধৰণে তেখেতে Over all এটা Picture দিবলৈ চেষ্টা কৰিছিল। সকলোৱে চাগৈ Agree কৰিব। Even I have told him to submit the written speech. কাৰণ এইটো এটা Valuable contribution হ'ব, আলোচনাৰ বাবে। যিহেতু তেখেত উপাধ্যক্ষ হিচাপে নিৰ্বাচিত হ'ল, গতিকে সময় দিবলৈ এতিয়া সুযোগ নাই। অধ্যক্ষ আৰু উপাধ্যক্ষই কথা ক'ব নোৱাৰে। তথাপি মই অলপ কথা কওঁ। আজি সুযোগ পোৱা কাৰণে আপোনাক অভিনন্দন জনাইছো আৰু আশা কৰিছো সদনৰ কেউটা পক্ষই যিধৰণে আপোনাৰ ওপৰত আশা কৰিছে, আপুনি সদনৰ কৰ্য্যক্ৰমনিকা যেতিয়া চলাব, তেতিয়া ফলৱতী কৰিবলৈ সক্ষম হ'ব। ভগৱান আৰু আল্লাই আপোনাক আৰু ওপৰলৈ যাবলৈ আৰ্শীবাদ দিয়ক। এতিয়া আমি পৰৱৰ্তী কৰ্য্যসূচীলৈ যাওঁ। উপাধ্যক্ষ ডাঙৰীয়া যেতিয়া মই চকী দিম, তেতিয়া ক'ব। আজিৰ শেষটো তেখেতৰ দ্বাৰাই কৰিব বিচাৰিছো। শেষত ক'লে অসুবিধা আছে নেকি? সদনে কি কয়? আপুনি উপাধ্যক্ষৰ আসনৰ পৰা কওঁক।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পৰম শ্ৰদ্ধাৰ মুখ্যমন্ত্ৰী মহোদয় আৰু সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী সহ সন্মানিত আমাৰ মন্ত্ৰীসকল, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া মহাশয়, অগপ দলৰ মাননীয় মন্ত্ৰী অতুল বৰা ডাঙৰীয়া, বি পি এফ দলৰ মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম ডাঙৰীয়ানী আৰু এ আই ইউ ডি এফৰ হাফিচ বছিৰ আহমেদ কাছিমী,আমাৰ সন্মানিত বিধায়কগণ, বিধান সভাৰ প্ৰধান সচিব সহ আমাৰ সন্মানিত কৰ্মচাৰী গণ, উপস্থিত অসম চৰকাৰৰ সন্মানিত অধিকাৰী গণ, মই আপোনালোক সকলোৰে কৃপাত বিনা প্ৰতিদ্বন্দিতাৰে উপাধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছো। এইটো মোৰ ক্ৰেডিট নহয়, আপোনালোকৰ ক্ৰেডিট। আমাৰ প্ৰেছৰ ইলেক্‌ট্ৰনিক আৰু প্ৰিণ্ট মিডিয়াৰ সকলো সাংবাদিক ভাইসকল, আমাৰ অতি মৰমৰ ছাত্ৰ-ছাত্ৰী, ভাইটি-

ভণ্টীসকল, সচাঁকৈয়ে আজি মোৰ কাৰণে এটা অতি সুখৰ দিন। আজি এটা History, ইতিহাস। মই আপোনালোকৰ সকলোৰে কৃপাত বিনা প্ৰতিদ্বন্দিতাৰে উপাধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছো। সদনত মাননীয় প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়া আৰু মাননীয় বৃন্দাবন গোস্বামী ডাঙৰীয়া উপস্থিত আছে। আমাৰ বৰাক উপত্যকাৰ অভিভাৱক আমাৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়া, যি গৰাকী মহান ব্যক্তিৰ হাতত ধৰি ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰিছিলো তেখেত হ'ল, মাননীয় মন্ত্ৰী ৰঞ্জিৎ দত্ত, মই যেতিয়া ২০১১-১২ চনত ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰিছিলো, তেতিয়া ৰঞ্জিৎ দত্ত ডাঙৰীয়া ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি আছিল। যিজন ব্যক্তিয়ে আমাৰ পলিটিকেল লিড দিছিল। বৰ্তমান শিক্ষা মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য ডাঙৰীয়া যেতিয়া সভাপতি আছিল। তেতিয়া মোক ভাৰতীয় জনতা পাৰ্টীৰ সম্পাদক হিচাপে ৰাজনীতিৰ স্বীকৃতি দিছিল। যেতিয়া মই ছাত্ৰনেতা আছিলো তেতিয়া মোৰ ৰাজনীতিৰ পৰিক্ৰমাৰ পৰিধিটো বৰাক ভিত্তিত আছিল। কাছাৰ কলেজত যেতিয়া মই ইউনিয়নত আছিলো তেতিয়াও মোৰ ৰাজনীতিৰ পৰিধি বৰাক উপত্যকাতে আছিল। বৰ্তমান আমাৰ মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়া ১৯৮৬ চনৰ ১৯ জুনত দিগন্ত শইকীয়া আৰু অৰুণ শৰ্মা, সমুজ্জ্বল ভট্টাচাৰ্য্য ডাঙৰীয়া বৰাক উপত্যকাত গৈছিল আৰু তেতিয়া এখন সভাত মোক মাতিছিল। সেইসময়ত মই কাছাৰ কলেজত ছাত্ৰ ইউনিয়নত আছিলো। তেতিয়া মই কৈছিলো কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি আকছাৰ ছাত্ৰসংগঠন কৰি আছো। এই কথা আজিও মোৰ মনত আছে। এতিয়াৰ মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াই তেতিয়া মোক কৈছিল যে তোমাৰ পৰিধিটো বহল কৰা। কাৰণ কাছাৰ ছাত্ৰ-সন্থা, সদৌ অসম ছাত্ৰ সন্থাৰ ভিতৰতে আছে। তুমি AASU কৰা। কেশৱ মহন্ত ডাঙৰীয়াৰ কথাটো শুনি মই উৎসাহিত হৈ ছাত্ৰ-সন্থা কৰাৰ বাবে আজি উপাধ্যক্ষ হৈছো। মই ইয়াৰ বাবে ছাত্ৰ-সন্থা কৰাৰ কাৰণে উপাধ্যক্ষ হৈছো। ইয়াৰ বাবে ছাত্ৰ-সন্থা আৰু কেশৱ মহন্ত ডাঙৰীয়াক Credit দিব লাগিব। আজি মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল মহোদয়ক কৃতজ্ঞতা জনাব লাগিব কাৰণ ২০১১ চনত ডিব্ৰুগড় জিলাৰ ভাৰতীয় জনতা পাৰ্টীত ছাৰৰ লগত একেলগে Join কৰিছো আৰু ২০১৬ চনত মোক টিকট দিছে। টিকট দিয়াৰ কাৰণে আজি মই বিধায়ক হৈছো, উপাধ্যক্ষ হৈছো। আজি মই আপোনালোক সকলোৰে আৰ্শীবাদত উপাধ্যক্ষ হৈছো। মই আগতে এটা দলৰ বিধায়ক আছিলো। আজি উপাধ্যক্ষ হৈছো। মোৰ নিৰপেক্ষ দৃষ্টিভঙ্গী থাকিব লাগিব আৰু এই পৱিত্ৰ আসনৰ গৰিমা ৰক্ষা কৰিব লাগিব। আ পোনালোক সকলোৰে আৰ্শীবাদ মোৰ ওপৰত থাকিব লাগিব আৰু এই আসনৰ মাজত শাসক-বিৰোধী বুলি একো নাই। আপোনালোক সকলোৰে আমাৰ চকুত সমান। মই সকলোকে বিধায়ক হিচাপে, মন্ত্ৰী হিচাপে গণ্য কৰিব লাগিব। এই দৃষ্টিভঙ্গী ৰাখি, আপোনালোকে যেনেকৈ মোক বিশ্বাস কৰিছে, দলে যেনেকৈ বিশ্বাস কৰিছে, মাননীয় মুখ্যমন্ত্ৰীয়ে যেনেকৈ বিশ্বাস কৰি এই আসনত বহুৱাইছে, এই গৰিমাটো সদায় অক্ষুণ্ণ ৰাখিম। মই এই কথাখিনি কৈ মই মোৰ বক্তব্য শেষ কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই সদনকো ধন্যবাদ জনাইছো। মোৰ তালিকাখনত সেই item টো নাই। মই ভাৱি আছিলো সেইটো নিয়ম আছে নে নাই? কিন্তু মই ভাৱিলো নিয়ম নাথাকিলেও এইটো যিহেতু এটা দৰকাৰী কথা আৰু তাৰবাবে আপোনালোকেও যিহেতু মোক কথাটো ক'লে, মই আপোনালোককো ধন্যবাদ জনাইছো। লগতে মই উপাধ্যক্ষ ডাঙৰীয়াকো ধন্যবাদ জনাইছো।

এতিয়া আমি আমাৰ আলোচ্য বিষয়টো লৈ আহোঁ। যোৱা যিখন কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠক হৈছিল, সেই বৈঠকত আমি এটা সিদ্ধান্ত লৈছিলো যে আমি আজিৰ দিনটোত ৬৩ নং মঞ্জুৰী অৰ্থাৎ জলসম্পদৰ ওপৰত আলোচনা কৰিম আৰু লগতে এইটোও ঠিক কৰিছিলো যে

মন্ত্ৰীয়ে যাতে উত্তৰ দিয়ে। আলোচনা মাজতে যাতে শেষ নহয়। সেইকাৰণে খুব সীমিত বক্তাৰ কথা মই কৈছো। মই AGP বিধায়িনী দলক আকৌ কম যে আপোনালোকে এজন বক্তা কমাই দিয়ক। নহ'লে সময় নহ'ব। উত্তৰ পোৱাটো আমাৰ বাবে খুব প্ৰয়োজনীয়। মই এতিয়া মন্ত্ৰী ডাঙৰীয়াক প্ৰস্তাৱটো move কৰিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপাল মহোদয়ৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ২০২০ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ মঞ্জুৰী নং ৬৩, জলসম্পদৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ৬০,০০০ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মঞ্জুৰী নং ৬৩, জলসম্পদ বিভাগৰ দাবী ২০১৯-২০২০ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ৩২৯ ৰ পৰা ৩৩৪ নং পৃষ্ঠাত থকা জলসম্পদ শিতানৰ ৬৩ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ৬০,০০০ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ৬০,০০০ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** হাফিচ বছিৰ আহমেদ, এইটো আমি move কৰা বুলি ধৰিব পাৰো নহয় জানো? গতিকে আমি এইটো move হোৱা বুলি ধৰি ল'লো। এতিয়া আমি আলোচনালৈ যাওঁ। প্ৰথমতে ৰাজেদ আলী চৌধুৰী ডাঙৰীয়া।

**শ্ৰী ৰাজেদ আলী চৌধুৰী (দক্ষিন শালমৰা) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, প্ৰায় ২৫ বছৰৰ পিছত অসমত এইবাৰ এনেকুৱা বানপানী হৈছে। এই বানপানীত চৰকাৰী তথ্য মতে অকল বৰপেটা আৰু ধুবুৰী জিলাতেই আমাৰ প্ৰায় ২০ লাখ মানুহ ক্ষতিগ্ৰস্ত হৈছে। সমগ্ৰ অসমৰ প্ৰায় ৪০ লাখ মানুহ এই বানপানীত ক্ষতিগ্ৰস্ত হ'ল। অধ্যক্ষ মহোদয়, চৰকাৰী হিচাপমতে প্ৰায় ৫০০ Relief Camp নিৰ্মাণ হৈছে। তাত মাত্ৰ ৮৩ ,০০০ মানুহ থকাৰ সুবিধা আছে। কিন্তু Relief Camp ৰ বাহিৰত যি ৪০,০০০০ লোক ক্ষতিগ্ৰস্ত হ'ল তাৰে কিছুমানে মথাউৰিৰ ওপৰত আছে, কিছুমানে যি ওখ ভেটি নিৰ্মাণ কৰি দিয়া হৈছিল তাৰ ওপৰত আছে আৰু আন কিছুমানে স্কুল বিলাকত আশ্ৰয় লৈছিল। সেইবিলাকক কিন্তু চৰকাৰে Relief Camp হিচাপে ঘোষণা কৰা নাই।

অধ্যক্ষ মহোদয়, কিছুদিন আগতে এই বানপানীৰ সময়ত বিত্ত মন্ত্ৰী ডাঙৰীয়াই কিছুমান বক্তব্য ৰাখিছে। তেওঁ কৈছিল যে যিবিলাক মানুহে Relief Camp ত থাকিব তেওঁলোকেহে Relief আৰু ক্ষতিপূৰণ পাব। Relief Camp ত নথকাসকলে Relief আৰু ক্ষতিপূৰণ নাপায়। এনেকুৱা এটা অৱস্থাত বিষয়া আৰু উপায়ুক্ত সকলে এটা দোধোৰমোধৰ অৱস্থাত পৰিল। ৮ তাৰিখে বানপানী আৰম্ভ হৈছিল। আমি উপায়ুক্ত সকলক অনুৰোধ কৰাৰ পাছতো Relief ৰ ব্যৱস্থা কৰা নাছিল। ১২ দিন পিছত ১৯ তাৰিখেহে মাত্ৰ তিনি দিনৰ কাৰণে Relief ৰ ব্যৱস্থা কৰা হ'ল। এইটো অত্যন্ত দুভাৰ্গ্যজনক। মই সমগ্ৰ অসমৰ কথা কৈছো। অকল দক্ষিণ শালমৰাই নহয়, বৰপেটা, গোৱালপাৰা, ধুবুৰী জিলাকেইখনৰ প্ৰত্যেকটো অঞ্চলত মই নিজে গৈছিলো। ২০ দিন মানুহ বিলাক Relief Camp ত আছিল কিন্তু Relief দিলে মাত্ৰ ৩ দিনৰ বাবে।

অধ্যক্ষ মহোদয়, এইটো অত্যন্ত দুখৰ বিষয় যে গাওঁৰ গৰু, ছাগলীৰ লগতে কাজিৰঙাতো বিভিন্ন জীৱ-জন্তু বানপানীৰ ফলত মৃত্যুমুখত পৰিলে। গাওঁ অঞ্চলৰ এই গৰু, মহ, ছাগলী এইবিলাক rescue কৰাৰ কাৰণে কোনোধৰণৰ ব্যৱস্থা নাছিল যাৰফলত হাজাৰ হাজাৰ পশুধনৰ মৃত্যু

হৈছে। Relief হিচাপে প্ৰতিটো পৰিয়ালক মাত্ৰ ১ কিলোগ্ৰামকৈ পশুখাদ্য দিলে। চৰকাৰ Relief দিয়াত ব্যৰ্থ, rescue ত ব্যৰ্থ। চৰকাৰ সম্পূৰ্ণভাৱে বিফল হৈছে।

অধ্যক্ষ মহোদয়, আমাৰ এই বানাপনী কিয় হ'ল ? ব্ৰহ্মপুত্ৰ নদীৰ বুকু ওপৰলৈ উঠি আহিছে। বানাপানীৰ সময়তো নদীৰ মাজত জাহাজ লাগি ধৰে। ধুবুৰীৰ ফকিৰগঞ্জত ব্ৰহ্মপুত্ৰ নদীখন মাত্ৰ ৭ কিলোমিটাৰ বহল আছিল। কিন্তু আজি সেই নদী ২০ কিলোমিটাৰতকৈও অধিক বহল হৈ গল। প্ৰতিবাৰ বানপানীত হাজাৰ হাজাৰ বিঘা মাটি গৰাখহনীয়াত গুছি যায়। নদীৰ bredth বাঢ়ি গৈছে আৰু depth কমি গৈছে। পৰিকল্পিতভাৱে ইয়াৰ ওপৰত যদি কোনো ব্যৱস্থা লোৱা নহয় তেতিয়াহলে প্ৰতিবছৰে আমি বানপানীৰ সন্মুখীন হ'ব লাগিব। কেন্দ্ৰীয় চৰকাৰে মথাউৰি নিৰ্মাণৰ কাৰণে পইচা দিয়ে, মথাউৰি repairing কৰাৰ কাৰণে পইচা দিয়ে কিন্তু মূল যিটো সমস্যা সেইটো হৈছে গৰাখহনীয়া। আজি বৰপেটা, ধুবুৰী, গোৱালপাৰা অঞ্চলৰ মানুহে প্ৰতিবছৰে তেওঁলোকৰ মাটি গৰাখহনীয়াত উটি যোৱাৰ পাছত গুৱাহাটীত বা অসমৰ বাহিৰত মজদুৰ হিচাপে কাম কৰিব লগা হয়। বাহিৰত গৈও তেওঁলোকৰ শান্তি নাই। তাত তেওঁলোকক বাংলাদেশী বুলি গণ্য কৰা হয়। গৰাখহনীয়াৰ ফলতেই এই বাংলাদেশী সমূহৰ সৃষ্টি হৈছে। গৰাখহনীয়া নহ'লে সেই মানুহখিনিয়ে কেতিয়াও নিজৰ ঠাই এৰিবলগীয়া নহলহেতেঁন। তাতো তেওঁলোকৰ শান্তি নাই। বৰ্তমানৰ মুখ্যমন্ত্ৰী শ্ৰী সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াই ঘোষণা কৰিছিল যে ব্ৰহ্মপুত্ৰ নদীৰ পাৰেদি **Express Highway** বনাব। কিন্তু কেনেকৈ বনাব ? মথাউৰি নিৰ্মাণ কৰিলেই নহ'ব। আমি যদি গড়াখহনীয়া ৰোধ কৰিব নোৱাৰো হাজাৰ হাজাৰ মথাউৰি বনালেওঁ ইৰ'চনত আকৌ গুছি যাব। ব্ৰহ্মপুত্ৰ নদীৰ পাৰ যদি আমি পাৰমানেণ্ট প্ৰটেকশ্যন দি ৰখাব নোৱাৰো তাত কেনেকৈ Express Highway বনাব। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিভিন্ন ঠাইত বানপানী, ইৰ'চনৰ ফলত আমি বনোৱা ৰাস্তা-ঘাট, দলং বিলাক বানপানীত গুছি গ'ল। আজি মোৰ সমষ্টিত ৬০০ পৰিয়াল এইবাৰ ইৰ'চনত তেওঁলোকে গৈ ৰাস্তাৰ ওপৰত আশ্ৰয় লৈ আছে। প্ৰত্যেকবাৰ বিধান সভাত মই এটা কথাই কৈ আছিলো ফকিৰগঞ্জ চক্ৰপাৰ, পাটাকাটা প্ৰটেকশ্যন, এই কথাটো সদনৰ সকলোৰে মুখস্থ হৈ গৈছে। কিন্তু অত্যন্ত দূভাৰ্গ্যজনক কথা এই যোৱা বানপানীৰ সময়ত এই Water Resource Department য়ে হাত সাবটি বহি থাকিল। কেঞ্চাৰ বেমাৰ হ'লে আমি জানো মৃত্যু হ'ব, তথাপি কিন্তু মানুহ চেন্নাইলৈকে লৈ যায় বচাবৰ কাৰণে। কিন্তু Water Resource Department য়ে বানপানীৰ সময়ত হাত সাবটি বহি থকাৰ বাহিৰে তেওঁলোকে ৰাইজক কোনো ধৰণৰ সহায় কৰিব নোৱাৰিলে। বানপানীৰ আগত প্ৰশ্নোত্তৰ কালত মন্ত্ৰী মহোদয়ে কৈছিল যে বিভাগীয় ইঞ্জিনিয়াৰ সকলৰ হাতত কিছু পইচা জমা থাকে। পাটাকাটা তাত আমি টেম্প'ৰাৰী এৰেঞ্জমেণ্ট কৰিবলৈ, চক্ৰপাৰ বজাৰ শেষ হৈ গ'ল, প্ৰায় ২০০ পৰিয়ালে তাত সৰু-সুৰা দোকান বজাৰ দি জীৱন নিৰ্বাহ কৰি আছিল। আজি তেওঁলোকে মথাউৰিৰ ওপৰত থাকিব লগীয়া হৈছে। আজি চৰ অঞ্চলত ইৰ'চন হৈছে। পদবেৰা যোগা, বিচ্চিং চৰ, বিচ্ছিং পাৰা, এটা সমষ্টিৰ ৬০০ পৰিয়াল এইবাৰ গড়াখহনীয়াৰ ফলত ৰাস্তাৰ ওপৰত আশ্ৰয় লৈ আছে। না তেওঁলোকৰ কাৰণে কোনো কেম্পৰ ব্যৱস্থা আছে, না সেইসকল ব্যক্তিয়ে কমপেনচেশ্যন পাবনে নাই সেইটো ও নিশ্চয়তা নাই। আজি বিত্ত মন্ত্ৰীয়ে যিধৰণে বক্তৃতা ৰাখিছে যে যিসকলে কেম্পত থাকিব তেওঁলোকেহে কমপেনচেশ্যন পাব। মাননীয় অধ্যক্ষ মহোদয়, বিশেষভাৱে আমি ৰিলিফৰ চিন্তা কৰা নাই কিন্তু আমাক ইৰ'চনৰ পাৰমানেণ্ট প্ৰটেকশ্যন লাগে। আজি কোটি কোটি টকা বিভিন্ন বিভাগক দিয়া হয়। আজি বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাবে নিব লাগে বুলি প্ৰত্যেকজন বিধায়কে

সদনত কৈছে। কিন্তু টকা আবণ্টন দিওঁতে বানপানী, জলসম্পদ বিভাগক কিয় অৱহেলা কৰা হয়? কিয় তেওঁলোকে প্রটেক শ্যনৰ কাম কৰিব নোৱাৰে। এইক্ষেত্রত গুৰুত্ব দিব বুলি আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ। জয় হিন্দ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী মামুন ইমদাদুল হক চৌধুৰী।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী(নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জলসম্পদ বিভাগৰ যিটো কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মই দুআষাৰ ক'ব বিচাৰিছো আৰু আপুনি সুবিধা দিয়াৰ কাৰণে আপোনাক ধন্যবাদ জনাইছো। মাননীয় মন্ত্ৰী মহোদয়ে ইয়াত প্ৰায় ৬০০ কোটি টকা বিচাৰিছে। An amount of Rs. 200 Crore is required for flood damage restoration আৰু বাকীখিনি Central Share/ State Share ৰ কাৰণে আছে। আগতে বিভাগটোক কোৱা হৈছিলে Flood Control Department আজিকালি কোৱা হয় জলসম্পদ বিভাগ। ইয়াৰ নামাকৰণ টোত বহুত কথা লুকাই আছে। বানপানীৰ দৃষ্টিভংগীৰে নাচায় Resource দৃষ্টিভংগীৰে চোৱাৰ প্ৰয়াস কৰাৰ কাৰণে সম্ভৱ এই বিভাগটোক তেনেধৰণে কোৱা হৈছে। ইয়াত যিখিনি damage মেৰামতিৰ কথা কোৱা হৈছে, অলপ আগতে আমাৰ অগপ দলৰ মাননীয় বিধায়ক শ্ৰী পবিন্দ্ৰ ডেকাৰ এটা প্ৰশ্নৰ উত্তৰত পালো যে এইবাৰ ৩৭ খন ঠাইত ১৭ টা মথাউৰি চিঙিছে। এই যিখিনি ক্ষতি হ'ল খুব সম্ভৱ আমি কৰ্তন প্ৰস্তাৱ আনিলেও মাননীয় মন্ত্ৰী মহোদয়ে এইটো এপ্ৰোভেল পাবই। তাৰ আগতে দুটামান কথা কোৱাটো ভাল হ'ব বুলি ক'ব বিচাৰিছো। এই যে ৩৭ খন ঠাইত ১৭ টা মথাউৰি চিঙিছে, বৰ্তমান আমাৰ অসমৰ বানপানীৰ সমস্যাৰ ক্ষেত্ৰত মথাউৰি নিজেই এটা সমস্যা। এইবাৰ বানপানীত Assam State Disaster Management Authority ৰ যিটো bulletin আছে তাতে তেওঁলোকৰ ৰিপোৰ্ট চাই দেখিলো যোৱা ২৯ জুলাইলৈকে আমাৰ অসমৰ ৩৩ খন জিলাৰ ভিতৰত ২৭ খন জিলাৰ ৪৮.৮৭ লাখ মানুহ এফেক্ট হৈছে। ৪৭ জন মানুহ মৃত্যু মুখত পৰিছে। ১.৯৭ লাখ হেক্টৰ কৃষিভূমি পানীত ডুব গৈছে, ৯০ শতাংশ কাজিৰঙা আৰু পবিতৰা অভয়াৰণ্য পানীত ডুব গৈছে। গতিকে এইবাৰ বানপানীত বহুত ক্ষতি হৈছে। প্ৰায় ১ হাজাৰ ঘৰ সম্পূৰ্ণৰূপে ধ্বংস হৈছে । (তথ্যটো অলপ ইফাল সিফাল হ'ব পাৰে যিহেতু মই পেপাৰৰ পৰা লোৱা তথ্য)। ৮৩৬ টা ৰিলিফ কেম্পত প্ৰায় ২০ লাখ মানুহক এক'মোডেড কৰিছে। ১৬ লাখ জীৱ-জন্তুৰ ক্ষতি হৈছে।

**(Hon'ble Chairman Smti Ajanta Neog in the Chair)**

মাননীয় সভানেত্ৰী মহোদয়া, এই ক্ষতিটো বানপানীৰ কাৰণে হৈছে। বানপানীৰ এই দৃষ্টিভংগীটো গতিকে অলপ সলাব লাগে। অসমত বানপানী হোৱাৰ কিছুমান কাৰণ আমি বিশ্লেষণ কৰিব লাগে। বিভাগৰ যিহেতু টেকনিকেল মেছিনেৰী আছে গতিকে বিভাগে এই কথা বিলাক অলপ লং টাৰ্ম পলিচীত যাব লাগে। আজি মন্ত্ৰী মহোদয়ে কাটমোশ্যন আনিছে, ৬০০ কোটি টকা তেওঁ এপ্ৰোভেল পাব, কাম হ'ব ঠিক আছে কিন্তু এইটো পাৰমানেণ্ট সমাধান নহয়। তাৰ আগতে আমি আমাৰ অসুবিধা বিলাক চাব লাগিব যে ক'ত হৈছে। অসমত বানপানী কিয় হয় যদি আমি চাওঁ এটা হৈছে ফ্লাড এণ্ড ইৰ'চন। ইয়াৰে কিছুমান নেচাৰেল আৰু কিছুমান মানুহৰ দ্বাৰা কৰা। অসমৰ যিটো ভূ-তত্ব এইটো ও বানপানীৰ কাৰণে জগৰীয়া। ইয়াত চৰকাৰক গালি-গালাজ কৰি লাভ নাই। Geology and Geomorphology of this region এইটো দায়ী। বহলাই ক'বলৈ নাযাওঁ, মই জাষ্ট টাৰ্ম টোহে ক'লো। Visiographic condition in the Brahmaputra and Barak valley and seismic activity অৰ্থাৎ ভূমিকম্প প্ৰৱণ এলেকা আৰু যথেষ্ট

পৰিমাণৰ বৰষুণ এই ৪-৫ টা ডাঙৰ কাৰণ। বিশেষকৈ জুনমাহৰ মাজভাগৰ পৰা ছেপ্তেম্বৰৰ মাজভাগলৈ। আৰু প্ৰধান কিছুমান কাৰণ আছে ইয়াৰ কাৰণে প্ৰকৃতি দায়ী নহয়। ইয়াৰ কাৰণে আমি মানুহ দায়ী, আমাৰ মানৱ সমাজ দায়ী। আমাৰ য'ত ত'ত দ্ৰেইন হৈ যায়, দ্ৰেইন বিলাক ঠেক হৈ যায় আমি পানী যোৱা ৰাস্তা কৰি নিদিও এইটো এটা ডাঙৰ কাৰণ। Human encroachment of Reverie area. এইটো এটা প্ৰধান কাৰণ। নদীৰ মাটিতো মানুহে ঘৰবাৰী বনাই, যেতিয়া নদীয়ে চৰ সৃষ্টি কৰে তাৰ ফলত পানীটো যাব নোৱাৰা হয় এইটো এটা বানপানীৰ কাৰণ। ইয়াৰ লগতে মহোদয়া, আমাৰ আৰু এটা ডাঙৰ সমস্যাৰ সৃষ্টি হয় বানপানীৰ পিছত সেইটো হ'ল গড়াখহনীয়া। এই বিষয়ে যোৱা কালি আমাৰ মাননীয় বিধায়ক শ্ৰী ভূৰন পেগু ডাঙৰীয়াই কৈছে এটা প্ৰসংগত। এই গড়াখহনীয়াটো অসমৰ বাহিৰত যদি আপুনি যায় তেতিয়াহলে তাৰ মানুহ সকলে বানপানী বুজি কিন্তু গড়াখহনীয়া বুজি নাপায়। অসমৰ বাহিৰত যি বানপানী হয় সেই বানপানীৰ লগত অসমৰ বানপানীৰ কোনো মিল নাই। অসমৰ বানপানীৰ চৰিত্ৰটো সম্পূৰ্ণৰূপে বেলেগ আৰু গড়াখহনীয়াটো বাহিৰৰ ৰাজ্য বিলাকে বুজিয়ে নাপায়। এই গড়াখহনীয়াৰ কাৰণে এই যে damage যাৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে বিত্তীয় সাহাৰ্য্য বিচাৰিছে। এই গড়াখহনীয়াটো এটা প্ৰধান কাৰণ এই মথাউৰিবিলাক ভঙাৰ। গড়াখহনীয়া আৰু বানপানী ইয়াৰ মূলতে হ'ল আমাৰ ব্ৰহ্মপুত্ৰ যিখন নদী, এই নদীখনৰ কিছুমান চাৰিত্ৰিক বৈশিষ্ট। One of the main resons. মহোদয়া, ইয়াত আমাৰ কাৰোৱে হাত নাই। কাৰণ এইটো প্ৰকৃতিৰ বস্তু। According to South Asian Network of Dam, River and people (SANDRP) এইটো এটা বেচৰকাৰী সংগঠন। এওলোকে এটা চাৰ্ভে কৰিছে, চাৰ্ভে কৰি দেখিলে যে Brhamaputra is the largest water carrying river in India. তাৰ পিছত তেখেত সকলে পালে Brhamaputra is the second largest silt carrying river in the world. Largest water carrying river in India and the second largest silt carrying river in the world. এইটো কম কথা নহয়, Brhamaputra is the 6th largest river in term of water resources. যিমান সম্পদ এই ব্ৰহ্মপুত্ৰৰ বুকুত লুকাই আছে এইটো 6th largest river in the sense of water resources. ব্ৰহ্মপুত্ৰৰ মুঠ দীঘ হ'ল ২৯০৬ কি. মিটাৰ, ইয়াৰ ৯১৮ কি. মিটাৰ ভাৰতৰ ভিতৰত আছে, তাৰভিৰত আকৌ ৬৪০ কি. মিটাৰ অসমত আছে। তাৰমানে এইয়ে load ব্ৰহ্মপুত্ৰ নদীয়ে অসমত highest load অৰ্থাৎ ৬৪০ কি. মিটাৰ অসমৰ মাজেৰে বৈ গৈছে। তাৰে আৰু যিমান উপনৈ আছে তাৰভিতৰত আমাৰ উত্তৰ পাৰত আছে ৪১ টা আৰু দক্ষিণ পাৰত আছে ১৫ টা। এইয়ে বৃহৎ ব্ৰহ্মপুত্ৰৰ নেটৱৰ্ক এইটো এটা বানপানীৰ মূল কাৰণ। এইটো সভাপতি মহোদয়া, আমি জোৰ কৰি সমধান কৰিব নোৱাৰো। গড়াখহনীয়াই আমাক কি কৰে তাৰ এটা মই লাইন পঢ়ি দিছো, Since 1954 over 4.2 Lakh hectare of Land lost to erosion in Assam. তাৰমানে অসমৰ যিমান মাটি কালি আছে তাৰে ৭.১ শতাংশ মাটি কালি ব্ৰহ্মপুত্ৰই গ্ৰাস কৰিছে। সেইদিনা মই বাতৰিত পাইছো বা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতক লগ কৰোতে কৈছে যে বানে এইবাৰ এনেকুৱা এটা ৰূপ পাইছে সেইদিনা ভাৰত বাংলা সীমান্তৰ কোনোবা এখন গাঁৱৰ সীমান্তৰ কাইটিয়া তাৰৰ বেৰ উটুৱাই লৈ গৈছে। কাৰণ প্ৰকৃতিয়ে ভাৰত বাংলা সীমান্ত বুজি নাপায়। এতিয়ালৈকে আমাৰ ব্ৰহ্মপুত্ৰত প্ৰায় ৫ হাজাৰ কি. মিটাৰ মথাউৰী বনোৱা হৈছে। এতিয়া কথাটো হ'ল কি এই যে বানপানী হৈছে, খহনীয়া হৈছে,

আমাৰ ক্ষতি হৈছে, চৰকাৰে বাজেট আনিছে, supplementary বাজেট আনিছে, পইচা মঞ্জুৰ হৈছে, চলি আছে। এইটো মহোদয়া, অস্থায়ী ব্যৱস্থা। স্থায়ী যদি আমি চিন্তা নকৰো আমি তেনেহলে কিন্তু আমাৰ এনেকৈ supplementary বাজেট, কৰ্তনপ্ৰস্তাৱ আহিয়ে থাকিব, চলি থাকিব কিন্তু স্থায়ী নহ'ব। ইয়াৰ কাৰণে আমি কি কৰিব লাগিব এই গোটেই ব্ৰহ্মপুত্ৰ নদীখনক ইয়াৰ লগতে বানপানীৰ সমস্যাটোক Relief and Rehabilitation plus damage control ৰ যিটো দৃষ্টিভঙ্গী আমি ইয়াৰ পৰা আতৰি আহিব লাগিব।

**সভাপতি ( শ্ৰীমতী অজন্তা নেওঁগ) ঃ** আপুনি দুই মিনিটত শেষ কৰিব লাগিব।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওঁবৈচা) ঃ** অনুগ্ৰহ কৰি মহোদয়া মোক ৫ মিনিট দিয়ক, মই মোৰ লগৰ জনক কৈ দিম যাতে তেখেতে অলপ কমকৈ কয়। Relief and Rehabilitation দৃষ্টিভঙ্গীৰ পৰা আতৰি আহি আমি যদি এটা স্থায়ী সমধানৰ পথত যাবলৈ হয় তেতিয়াহলে ব্ৰহ্মপুত্ৰ নদীৰ যিটো চৰিত্ৰ লগতে ইয়াৰ উপনদী সমূহৰ চৰিত্ৰ অধ্যয়ন কৰিব লাগিব। Reverie character অধ্যয়ন কৰিব লাগিব। Reverie science ৰ Course এটা আমাৰ ইয়াত আৰম্ভ কৰিব লাগিব। ইয়াৰ কাৰণে এটা huge machinary লাগিব যিটো বস্তু এদিন বা দুদিনতে হোৱাতো সম্ভৱ নহয়। যাৰ বাবে ১৫ বা ২০ বছৰ লাগিব। Relief and Rehabilitation is a very temporary measure but if we want to go in permanent line তেতিয়া হলে এই ক্ষেত্ৰত আমি কাম কৰিব লাগিব। ব্ৰহ্মপুত্ৰৰ বান, গড়াখহনীয়া natural calamity বুলি ঘোষণা কৰিব লাগে বুলি আজি বহু বছৰৰ পৰাই দাবী উত্থাপন হৈ আহিছে। মাননীয় মন্ত্ৰী ডাঙৰীয়াই যেতিয়া আছুৰ সভাপতি আছিল তেতিয়া কৈছিল যে আৰু মাননীয় মুখ্যমন্ত্ৰী যেতিয়া আছুত আছিল তেতিয়াও কৈছিল যোৱাকলিও আলোচনা হৈছে যে বাইদেউ মই এই লাইনটো পঢ়ি শেষ কৰি দিছো। চৰকাৰে কৈ আছে অসমৰ বানপানী আৰু গড়াখহনীয়াই যিমান সমস্যাৰ সৃষ্টি কৰে কিন্তু এইটো বোলে প্ৰাকৃতিক দুৰ্য্যোগ বুলি ঘোষণা কৰিব নোৱাৰে। এই কথাটো ভাৰত চৰকাৰে কৈ আছে। মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰিছো যে আপোনালোকে ভাৰত চৰকাৰক কওঁক what is the definition of natural calamities? অসমৰ চাহ যদি সম্পদ হয়, অসমৰ তেল যদি সম্পদ হয়, অসমৰ মানুহ যদি সম্পদ হয় আৰু অসমৰ মানুহসকলক লৈ যদি আপোনালোকে চৰকাৰ কৰিব পাৰে তেনেহ'লে Than why not you declared as natural calamities? What is the actual definition of natural calamity ? সেইদিনা ভাৰত চৰকাৰৰ মন্ত্ৰীয়ে কৈ দিলে যে অসমৰ বান আৰু গড়াখহনীয়া প্ৰাকৃতিক দুৰ্য্যোগ বুলি ঘোষণা কৰিব নোৱাৰি। মই ইয়াত এটা লাইন পঢ়ি দিছো There is no category as, or definition for National Calamity in the Disaster Management Act, 2005. কোনো ইয়াত বিশেষ নিয়ম নাই যে এই বিষয়টোক প্ৰাকৃতিক দুৰ্য্যোগ হিচাপে ঘোষণা কৰিব নোৱাৰি। উৰিষ্যাত যদি বানপানী হয় আৰু সেইটো যদি প্ৰাকৃতিক দুৰ্য্যোগ হিচাপে ঘোষণা কৰিব পাৰে, সেইদিনা মহাৰাষ্ট্ৰত যিটো বান পানী হৈছে সেইটো প্ৰাকৃতিক নহয়, সেইটো কৃত্ৰিমহে, তাত যদি চৰকাৰে সহায় কৰিব পাৰে আমাৰ ইয়াত কিয় তেওঁলোকৰ নিচিনাকৈ সহায় কৰিব নোৱাৰে ? গতিকে মই এটা লাইন পঢ়ি দিছো National Calamity কাক কয়, যিহেতু চৰকাৰৰ নিৰ্দিষ্ট কোনো সংজ্ঞা নাই। As per National Calamity in the Disaster Management Act, 2005 based on the intensity and magnitude of losses to life, property and infrastructure caused by the Calamity, or when the situation

caused by a calamity becomes unprecedented, beyond the coping capacity of the State Government and extremely difficult to handle through a normal rescue and relief operation, the Central Government treats it as a calamity of severe nature. গতিকে আমাৰ বানপানী ভাৰতবৰ্ষৰ সকলোতে হয়, মানিলৈছো সকলোতে হয়, কিন্তু গড়াখহনীয়া সকলোতে নহয়। গড়াখহনীয়া আমাৰ অসমৰ ৭.১ শতাংশ মাটিকালি গ্ৰাস কৰিছে। গতিকে এইটো National Calamity ঘোষণা কৰিব পৰাৰ যোগ্যতা আছে, এই অসুবিধাটোত। তেওঁলোকৰ আইনে কৈ আছে, গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো আপুনি এই বিষয়টো যদি কেন্দ্ৰীয় চৰকাৰৰ লগত ভালকৈ tackle কৰে আপোনালোকৰ চৰকাৰ আছে তাত, তেতিয়াহ'লে আপোনালোকৰ এই কামৰ বোজাটো কমি যাব আৰু বিত্তীয় বোজাটোও কমি যাব। গতিকে যাতে আপোনালোকে এই বিষয়টো চাই তাৰ বাবে মই আপোনালোকক অনুৰোধ জনাইছো। মই মোৰ সমষ্টিৰ দুটা কথা কব বিচাৰিছো। সেইদিনা বানপানী হোৱাৰ সময়ত মাননীয় মন্ত্ৰী মহোদয়ে মোক ফোন কৰিছিল যে তাত মই সন্তুষ্ট। আগতে আমি শুনিছিলো যে মন্ত্ৰীক লগ কৰিবলৈ লাইন পাতিব লাগে, কিন্তু মাননীয় মন্ত্ৰী মহোদয়ে মোক উপযাচি ফোন কৰিছে আৰু সুধিছে যে তোমাৰ তাত বানপানীৰ কেনেকুৱা অৱস্থা ? তেতিয়া মই মাননীয় মন্ত্ৰী মহোদয়ক উত্তৰ দিছিলো যে মোৰ তাত বানপানী হৈছে কিন্তু গোটেই অসম ডুবি গৈছে। কিন্তু ইয়াৰ আগৰ দুবছৰৰ তুলনাত মোৰতাত ক্ষতিৰ পৰিমাণটো কম। গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। মই আগতেই কৈছো যে মথাউৰিটো এটা ডাঙৰ সমস্যা। গতিকে এইটো এটা দীঘলীয়া প্ৰচেষ্টা। এতিয়া কথাটো হৈছে কি মথাউৰি কেনেকৈ ভাল কৰিব পৰা যায়। এইটো এটা লাইন মই পঢ়ি দিছো যে মথাউৰি বনাই কোনোদিনে সমস্যাৰ সমধান নহয়, মথাউৰি নিজেই এটা সমস্যা।ব্ৰহ্মপুত্ৰ সম্পৰ্কে গৱেষণাৰ লাইন এটা মই পঢ়ি দিছো। We cannot change the geography of the place, we cannot stop the Brahmaputra and we cannot stop the rains, but definitely change the style of architecture such that losses that happen due to floods are minimised. আমি ব্ৰহ্মপুত্ৰক জোৰ কৰি বাধা দিব নোৱাৰো। আমি ব্ৰহ্মপুত্ৰক য'ত ত'ত ভেটামাৰি ৰখাব নোৱাৰো। ব্ৰহ্মপুত্ৰক আমি বৈ থাকিব দিব লাগিব । তাৰ কাৰণে যিটো architectur লাগিব সহৰস্থান কৰিবৰ কাৰণে তাৰ মেকানিজম আমি আনিব লাগিব । In a natural we can not prevent the rain . আমি বৰষুন ৰখাব নোৱাৰো, বৰষুন প্ৰাকৃতিক বস্তু, বৰষুন পৰিবই। আৰু অত্যাধিক বৰষুন হোৱা one of the major cause for flood and erosion. We can not prevent the rains that cause flood or the flood itself but can definitly find the measure to combat each. গতিকে এই প্ৰকৃতিক জোৰ-জবৰদস্তি বাধা দিয়াৰ কাৰণে আজি প্ৰকৃতিয়ে ৰুদ্ৰ ৰূপ ধাৰণ কৰিছে । প্ৰকৃতিয়ে ৰুদ্ৰ ৰূপ ধাৰণ কৰাৰ কাৰণেই আজি মাননীয় মন্ত্ৰী মহোদয়ে চাপ্লিমেন্টৰী ডিমাণ্ডৰ জৰিয়তে অৰ্থ সাহাৰ্য্য বিচাৰিব লগীয়া হৈছে । গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো এনেকুৱা এটা সিদ্ধান্ত লয় যিটোৰ কথা মই মথাউৰিৰ কথা কৈ আছো হয়তো অলপ হেম্পাৰ হ'ব, মানুহে হয়তো মানি ল'ব নিবিচাৰিব । তাৰ কাৰণে আপোনালোকে এটা গৱেষণা দল বনাওক। ১৯৫০ চনত যেতিয়া ভূমিকম্প হৈছে আমাৰ ব্ৰহ্মপুত্ৰ বাম হৈ গৈছে। মোৰ নিজৰ সমষ্টিত মাননীয় মন্ত্ৰী মহোদয় যোৱাবাৰ গৈছে যে শিঙৰা এখন নদী

আছে, এই নদী খন খেতিপথাৰতকৈ ওখ তাৰ মানে কোনো ধৰণৰ পানী লোৱাৰ কেপাচিটি নদীখনৰ নাই । গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো যে এইটো এটা দীঘলীয়া নীতিত আপুনি যায়। আপুনি ৬০০ কোটি বিচাৰিছে আৰু বিচাৰক আমাৰ আপত্তি নাই কাৰণ আপুনি বিভাগ চলাব লাগিব । Without finance, Minister can not run his department এইটো আমি জানো, বুজি পাও । গতিকে আপুনি যদি এনেকুৱা এটা long term policy লয়, যেনেকৈ চৰকাৰৰ শিক্ষা নীতি থাকে, উদ্যোগীক নীতি থাকে, কৃষি নীতি থাকে, গতিকে আপোনালোকে এনেকুৱা এটা নীতি বনাওক যাতে বানপানী আৰু গৰাখহনীয়া প্ৰতিৰোধ কৰিব পাৰে । জলেশ্বৰ বিধান সভা সমষ্টিত আপোনাৰ ৮ টা মান ঠাইত মথাউৰিৰ সমস্যা হৈছে মই লিষ্টখন মাননীয় মন্ত্ৰীক দি দিম । এই বস্তু খিনি যদি আপুনি বিভাগক জনায় আমাৰ সতীৰ্থ বিধায়ক সকলোৰো উপকাৰ হ'ব। ˉমোৰ সমষ্টিৰ পাভ, মেনেহা, শিংৰা, বোকানদী আৰু গাভৰু নদী এই ৫টা নদীয়ে অত্যাধিক অত্যাচাৰ কৰে সাধাৰণ মানুহক। গতিকে এইটো কি কৰিলে ভাল হয় এই বিষয়টো যাতে মাননীয় মন্ত্ৰী মহোদয়ে চায়। গতিকে এই কথাখিনি কৈ এই কৰ্তন প্ৰস্তাৱত বক্তব্য ৰাখিব দিয়াৰ কাৰণে মাননীয় উপাধ্যক্ষ মহোদয় আপোনাক ধন্যবাদ জনায় আৰু মাননীয় মন্ত্ৰীক যিহেতুকে তেওঁ জলসম্পদ বিভাগৰ মন্ত্ৰী আৰু মই ব্যক্তিগত ভাবে স্বীকাৰ কৰিছো বহুত ক্ষেত্ৰত কিবা সমস্যা হ'লে নিজেই ফোন কৰি কয় আৰু আমি তেনেকৈ হেণ্ডেল কৰি থাকো । গতিকে এই সহযোগীতাৰ কাৰণে তেখেতক ধন্যবাদ জনাই মোৰ বক্তব্য শেষ কৰিছো । ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** গুৰুজ্যোতি দাস । আপোনাৰ সময় ১০ মিনিট আছে ।

**শ্ৰী গুৰুজ্যোতি দাস, বিধায়ক ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, জলসম্পদ বিভাগৰ মন্ত্ৰীয়ে যে আচুতীয়াকৈ ধন বিচাৰিছে আৰু তাৰ ওপৰত বিৰোধীয়ে কৰ্তন প্ৰস্তাৱ আনিছে এই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোক কবলৈ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো । ইতিমধ্যে বহুকেইজন সদস্যই বক্তব্য ৰাখিছে। আৰু মোকো ১০ মিনিট সময় দিছে তাৰ কাৰণে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। ইতিমধ্যে বানপানীৰ কথা যোৱাকালিও সদনৰ মজিয়াত আলোচনা হৈছে আৰু আজিও ইতিমধ্যে এই কৰ্তন প্ৰস্তাবৰ যোগেদি যথেষ্ট খিনি আলোচনা হৈ আছে। বানপানী আমাৰ এটা জলন্ত সমস্যালৈ ৰূপান্তৰিত হৈছে আৰু মই কালি কৈছো যে বানপানীৰ কথাটো আমি প্ৰায় ৪ৰ্থ শ্ৰেণীৰ পৰাই শুনি আহিছো। কাৰণ ৪ৰ্থ শ্ৰেণীত বানপানীৰ ওপৰত ৰচনা লিখিছিলো এই কথা খিনিও মনত আছে বানপানীৰ উপকাৰিতা আৰু অপকাৰিতা আৰু সেই ৪ৰ্থ শ্ৰেণীৰ পৰা আজিলৈকে বানপানীৰ ওপৰত আজি সদনত ক'বলৈ পাইছো। বানপানীৰ ক্ষেত্ৰত মোৰ বহুত অভিজ্ঞতাও আছে। এইবাৰ বিধায়ক হোৱাৰ পিছত যোৱা ২০১৭ চনতো যথেষ্ট ডাঙৰ এটা বানপানী হৈছিল সেই বানপানীত চৰ অঞ্চল ডুবিছিল আৰু এটা মথাউৰি ভাঙিছিল মাত্ৰ। কিন্তু এইবাৰ এটা মথাউৰি ভাঙি যথেষ্ট ক্ষতিসাধন হৈছে আৰু প্ৰায় ৪,৫ টা পঞ্চায়ত আৰু মঙলদৈ টাউনলৈকে পানীখিনি সিচৰিত হৈছে। কিন্তু এইবাৰ বিশেষভাবে মই ধন্যবাদ জ্ঞাপন কৰিছো আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক আৰু বিত্ত মন্ত্ৰী মহোদয়কো। তেওঁলোকে নিজেই পানীত গৈ তদাৰক কৰিছে আৰু যিটো মথাউৰি আমাৰ তাত ভাঙিছে আমাৰ মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই নিজেই গৈ পৰ্য্যবেক্ষণ কৰিছে । ইতিমধ্যে আমাৰ জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক আমাৰ সকলো বিধায়কে ধন্যবাদ জ্ঞাপন কৰিছো আৰু মইও ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতৰ লগত মই কথা পাতিছো আৰু ইতিমধ্যে অভিযন্তাক আদেশ দিছে। আমাৰ যিটো মথাউৰি ৰঙানৈৰ ওপৰত আছিল সেইটো ভঙাৰ ফলত এইবাৰ বেছি ক্ষতি হৈছে আৰু প্ৰায় ৬০ হাজাৰ লোক, ৬০ খনতকৈ অধিক গাওঁ ক্ষতিগ্ৰস্ত হৈছে । মই

তেওঁক অনুৰোধ জনাও যে এই  ডি আৰ ডি ৰ মথাউৰিটো জলসম্পদ বিভাগত অন্তৰ্গত কৰিব লাগে আৰু অনাগত দিনত যাতে এই বিভাগৰ জৰিয়তে এই মথাউৰিতোৰ কাম বা মেৰামতিৰ বাবে চোৰাচিতা কৰে । মই আজি কিছু বিধায়কৰ প্ৰশ্নৰ উত্তৰত চাইছিলো যে জলসম্পদ বিভাগৰ অধীনৰ প্ৰায় ৪৯ টা মথাউৰি এইবাৰ ক্ষতিসাধন হৈছে আৰু অন্য বিভাগৰ অধীনত থকা প্ৰায় ১২ টা মথাউৰি ক্ষতিগ্ৰস্ত হৈছে । অসমৰ ৩৮ টা সমষ্টি ক্ষতিগ্ৰস্ত হৈছে। তাৰমানে বেছি সংখ্যক বানপানী আমাৰ ব্ৰহ্মপুত্ৰৰ পাৰত হোৱা যেন অনুভৱ আমি কৰিব পাৰো । সামগ্ৰীক ভাবে ব্ৰহ্মপুত্ৰ খন আমাৰ সন্মান, সভ্যতা, আমাৰ সংস্কৃতি আমাৰ সাহিত্য বুলি কলে ভুল নহয়। আমাৰ অসমৰ অসমীয়াৰ আয়ুস ৰেখা। নদী মাথো বয়, কালৈকে নৰয়। আমি কেতিয়াও বাধা দি ৰাখিব নোৱাৰো। আমাৰ গান আছে ব্ৰহ্মপুত্ৰকলৈ বহুতো গীত আছে। আমাৰ সুধাকণ্ঠ ই বহুতো গীত গাই গৈছে । ব্ৰহ্মপুত্ৰৰ খনন কাৰ্য্য যাতে অতি সোনকালে লয় চৰকাৰে তাৰ বাবে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। বৰাকত ইতিমধ্যে water transport জৰিয়তে খননৰ ব্যৱস্থা কৰিছে। আমাৰো যাতে Water Resource ৰ পৰা খনন কাৰ্য্য আৰম্ভ কৰি দুয়োটা পাৰ ওখ কৰে। এইটোৱে অনুৰোধ কৰিম আজিৰ এই সদনত যাতে চৰকাৰে এইটোৰ বাবে ব্যৱস্থা অতি সোনকালে লয় আৰু ব্ৰহ্মপুত্ৰৰ দুয়োটা পাৰ ৰাষ্ট্ৰীয় ঘাইপথলৈ ৰূপান্তৰ কৰে, এটা বিকল্প ৰাষ্টা হিচাপে। আমি শদিয়াৰ পৰা ধুবুৰীলৈ ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে ভাল ৰাষ্টা দুয়োটা পাৰত কৰিব পাৰো। মই ভাবে ১২৬ টা সমষ্টিৰ ৩৮ টা সমষ্টিতহে মথাউৰিৰ সমস্যাটো হৈছে  আৰু বেছিভাগ সমষ্টিত ব্ৰহ্মপুত্ৰৰ পৰা বানপানী হৈছে। সেয়েহে নিশ্চয় আমি উপকাৰ লাভ কৰিব পাৰিম যদি ব্ৰহ্মপুত্ৰ খন খান্দি দিয়া হয় আৰু দুয়োটা পাৰে যদি ৰাষ্টা বনোৱা হয় । আমাৰ প্ৰায় channel সমূহৰ কাৰণে বেছিকৈ বানপানী হয়। আমাৰ মংগলদৈত ব্ৰহ্মপুত্ৰখন কিছু দুৰৈত আছে, তাৰ আগত ধনশিৰি নৈ আছে। মংগলদৈ নৈ আছে । ব্ৰহ্মপুত্ৰৰ channel সমূহে আমাৰ চেৰেংচাপৰীত যথেষ্ট ক্ষতিসাধন কৰিছে । সেইবাবে মই বিনম্ৰতাৰে অনুৰোধ কৰিম কাৰণ আমাৰ মংগলদৈ নৈ খন চেৰেংত আৰু ধনশিৰি খন আমি যদি কাটি দি ব্ৰহ্মপুত্ৰত লগ লগাল আমি তেতিয়া বহু হাজাৰ হয়তো বহু কেইখন গাওঁ প্ৰায় ছিপাঝাৰ অঞ্চললৈকে আমি উপকাৰ লাভ কৰিবলৈ সক্ষম হম। মই উপাধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম আৰু আমাৰ এটা মংগলদৈৰ পৰা ৰঙামাটি কুৰোৱা মথাউৰি আছে, এই মথাউৰিতো যদি ৰাষ্টালৈ ৰূপান্তৰ কৰা হয়, মই ভাবো এটা ডাঙৰ সমস্যা বিভাগৰ কমি যাব। লগতে এইটো এটা যোগাযোগৰ মাধ্যমো হ'ব। প্ৰায় চৰ অঞ্চলৰ পৰা কৃষক সকলে সেই ৰাষ্টাটোৱেদি তেওঁলোকে মাকৈ উৎপাদনেই হওঁক বা অন্য কিবা খেতিৰে কৃষক সকল উপকৃত হৈ আছে। কিন্তু যোগাযোগৰ মাধ্যমটো ভাল নোহোৱাৰ কাৰণে বহুতো মধ্য ভোগীয়ে তাৰ পৰা গৈ তেওঁলোকৰ ফচল খিনি কম দামত কিনি লৈ আহে। সেইকাৰণে উচিত মূল্য পাবলৈ সক্ষম নহয় । কাৰণ অসমৰ ভিতৰতে দৰং জিলাত এইবাৰ যথেষ্ট পৰিমানৰ মাকৈ উৎপাদন হৈছে আৰু কৃষিৰ ক্ষেত্ৰত দৰং জিলা ১ নং বুলি জানো । যথেষ্ট পৰিমাণৰ শস্য উৎপাদন হয় । সেই কাৰণে সামগ্ৰিকভাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম,  আৰু চৰকাৰকো অনুৰোধ কৰিম যদি আমি ৰঙামাটি কুৰুৱা মথাউৰিটো যদি আমি ৰাস্তালৈ ৰূপান্তৰিত কৰিব পাৰো কৃষকসকল উপকৃত হোৱাৰ লগতে মঙ্গলদৈৰ পৰা কুৰুৱালৈকে আমাৰ যাতায়তব্যৱস্থাটো যথেষ্ট সুবিধাজনক হ'ব। আমাৰ মঙ্গলদৈৰ এইবাৰ ডি আৰ ডি এ বনোৱা নোৱা নৈৰ মথাউৰীটো কোনো বিভাগে গুৰুত্ব নিদিলে। ইৰিগেশ্যন ডিপাৰ্টমেন্টও গুৰুত্ব নিদিলে । তাৰ লগেত চি এম দত্ত কেনেল এটা আছিল , তাৰ লগে লগে তাৰ যিটো ৰাইট এমবেংকমেন্ট  সেইটো আমাৰ ৰাটাৰ ৰিৰ্চোচত আছিল। কিন্তু সেইটো  ডি আৰ ডি এ

বনোৰা বুলি আমাৰ ৰাটাৰ ৰিৰ্চোচে নাচালে, ইৰিগেশ্যন ডিপাৰ্টমেন্টও গুৰুত্ব নিদিলে তাৰ ফলত মোৰ  চকুৰ আগতে প্ৰায় ৪০ মিটাৰমান ভাঙি গ'ল। তাৰ ফলত মঙ্গলদৈত প্ৰায় নগৰবাহী পঞ্চায়ত,চমুৰাপাৰা পঞ্চায়ত,ভকহুপাৰা পঞ্চায়ত, আৰু মঙ্গলদৈ টাউনৰ ন নম্বৰ আৰু দহ নম্বৰ ৱাৰ্ড-  আনকি এইবাৰ  ভেবাৰঘাট টাউনৰ আমাৰ মাননীয় বিধায়ক বিনন্দ কুমাৰ শইকীয়াৰ ঘৰতো  এবুকু পানী উঠিছে এইবাৰ  বানপানীত। গতিকে মই বিনম্ৰভাবে অনুৰোধ জনালো যাতে সেই মথাউৰিসমূহ যাতে বিভাগেসমূহে অন্য বিভাগৰ বুলি এলাগী নকৰি  বিভাগসমূহে সেই মথাউৰিসমূহ লৈ ল'ব লাগে যাতে অনাগত দিনত আমি এই সমস্যাৰ সন্মুখীন হ'ব লগীয়া নহয়। কাৰন কেতিয়াবা ডি আৰ ডি এত টকা আহে সেইটো এম জি এন ৰেগাত আঁচনি লয় বা আন ঠাইত খৰছ কৰে তাৰ ফলত এই মথাউৰি সমূহৰ গুৰুত্ব নাথাকে।  তাৰ বাবে এই বাৰ টাউনত ইমান পানী হ'ল যে কোনেও ভবাই নছিল  । ৰাইজৰ সা সম্পত্তি বহু নষ্ট হ'ল। আজি বানপানীক ৰাষ্ট্ৰীয় সমস্যা ঘোষণা কৰাৰ বাবে বিভিন্নজনে দাবী কৰি আহিছে কিন্তু ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃত হলেই এই সমস্যাৰ সমাধান নহয়। আমি এই জ্বলন্ত সমস্যাটো কেনেকৈ সমাধান কৰিব পাৰিম সেইটোতহে গুৰুত্ব দিব লাগে। মই এই সদনৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো।২০১৭ চনৰ বানপানীৰ সময়ত তেখেতে অসমত আহি আমাৰ বিধায়কসকলৰ লগত নিজে আলোচনা কৰিছে। সমস্যা সমাধান আৰু গবেষণা কৰাৰ বাবে ১০০ কোটি টকা ইতিমধ্যে অনুদান আগবঢ়াইছে। যোৱাকালি সতীৰ্থ বিধায়কে উল্লেখ কৰিছে যে নিটি আয়োগৰ উপাধ্যক্ষক সভাপতি কৰি এখন কমিটি গঠন কৰি দিছে। উপাধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী  সৰ্ব্বানন্দ সোণোৱাল মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো  কাৰন ইয়াৰ আগৰ বানপানী ক্ষতিগ্ৰস্থ  ৰাইজৰ  শিবিৰত চাউল- ডালিৰ অভাৱ দেখিছিলো ।  কিন্তু এইবাৰ আমি যথেষ্ট পৰিমানে বানপানী ক্ষতিগ্ৰস্থ শিবিৰসমূহত ৰিলিফ দিবলৈ সক্ষম হৈছো। আমাৰ চৰকাৰ খনে সক্ষম হৈছে ক্ষতিগ্ৰস্থ ৰাইজে সকাহ পাইছে। তাৰ বাবে চৰকাৰক ধন্যবাদ দিছো। তাৰোপৰি বানপানীত মৃত্যু হোৱা লোকৰ পৰিয়ালক ৫ লাখ টকা ক্ষতিপুৰণ দিয়া যিটো ঘোষণা কৰিছে মুখ্যমন্ত্ৰী মহোদয়ে কৰিলে তাৰ বাবে তেখেতক ধন্যবাদ দিছো। আজি আমাৰ এজন বিধায়কে কৈছে যে তেখেতৰ সমষ্টিৰ এজন মৃতক লোকৰ পৰিয়ালে তাৎক্ষনিকভাবে ৫ লাখ টকা পাবলৈ সক্ষম হৈছে। আমাৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আৰু মুখ্যমন্ত্ৰী মহোদযৰ যিটো যোগাত্মক চিন্তা তাৰ বাবে তেখেতসকলক ধন্যবাদ জনাই মোৰ বক্তব্য সামৰনি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া ইমানুৱেল মোছাহাৰী।

**ইমানুৱেল মুছাহাৰী, বিধায়ক ঃ** ধন্যবাদ থাকিল উপাধ্যক্ষ মহোদয়, আজি কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি দুটামান কথা ক'ব বিচাৰিছো।  ২৪ ফেব্ৰুৱাৰী,২০১৯ তাৰিখে প্ৰথম বৰষুন আৰম্ভ হৈছিলে। আজি জুলাই মাহৰ ৩১ তাৰিখ। আমি আগতে শুনিছিলো যে South -Western monsoon অসমৰ প্ৰতিখন ঠাইত কম বেছি পৰিমানে হয়। আমাৰ অসমৰ উত্তৰ অঞ্চল বিশেষকৈ ভুটান আৰু অৰুনাচলৰ দাঁতি কাষৰীয়া অঞ্চলত এইবাৰ বৰষুন বেছিকৈ হোৱা বুলি কোৱা হৈছে। যিটো অঞ্চলত আমি বসবাস কৰো সেইটো সাগৰ পৃষ্ঠৰ পৰা ৫৫০ ফুট উচ্চতাত আমি বাস কৰো। কিন্তু এইবাৰ নতুন এটা অভিজ্ঞতা হ'ল মোৰ ঘৰৰ চোতালত ২ ইঞ্চি পানী উঠিছে। আগে পিছে এতিয়ালৈ এনেকুৱা পানী মই দেখা নাছিলো। এইবাৰ প্ৰত্যক্ষভাবে বানপানী আৰু গড়াখহনীয়াৰ লগত সন্মুখীন হ'লো  । গতিকে মই বিৰৰন দিয়াৰ ভাষা বিচাৰি পোৱা নাই। গতিকে এটাই কথা কৈছো যে সকলো বিধ্বস্ত হৈ গ'ল।  এইবাৰ আমাৰ বিজিনেছ এডভাইজৰী কমিটিৰ সৰ্ব্বসন্মতিক্ৰমে এটা সি দ্ধান্ত লোৱা হৈছে যে ৰাটাৰ ৰিৰ্চোছৰ ওপৰতে কাটমোশ্যনৰ আলোচনা হওঁক। তাৰ বাবে ধন্যবাদৰ

পাত্ৰ। আজি ৰাটাৰ ৰিৰ্চোছ ডিপাৰ্টমেন্টৰ ফালৰ পৰা যিমানবিলাক কাম কৰিছে, এই বিষয়ে বন্ধুবৰ মামুন ইমদাদুল হক চৌধুৰী ডাঙৰীয়াই ক'লে যে ৰাটাৰ ৰিচোৰ্চ- এইটো এটা ৰিচোৰ্চ কিধৰনে আমাৰ অঞ্চলসমূহ বিধ্বস্ত কৰিলে। ৰাটাৰ ৰিচোৰ্ছৰ মুৰব্বী হিচাপে Central Water Commission আছে। যিমানবিলাক হাইড্ৰলজিকেল ডাটা আছে তেওলোকে চায়। যোৱা ১৯৫৪ ৰ পৰা কিমান পৰিমানৰ বৰষুন হৈছিল, কোনখন নৈ কিমান পানী বহন কৰিছিল, ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহ বৰাক নৈ আৰু ইয়াৰ উপনৈৰ ডাটাবিলাক Central Water Commission আছে। ঠিক তেনেদৰে গড়াখহনীয়াৰ পৰা আৰম্ভ কৰি বানপানী কিধৰনে প্ৰতিৰোধ কৰিব লাগে long term measure- sort term measure গোটেইবিলাক এখেতসকলে প্ৰস্তুত কৰে। Flood control programme পৰিচালনা কৰে , guide line আছে। তেনেকৈ Funding Agency, World Bankৰ পৰা আৰম্ভ কৰি - Inter Departmentalলৈকে কামখিনি তেওলোকে চায়। তেনেকৈ সৰু সুৰা erosion-protection ৰ কামখিনি soil conservation Departmentৰ ফালৰ পৰা আমি কৰো। কামখিনি দক্ষভাবে কৰাৰ বাবে Capacity Buildingৰ ব্যৱস্থা আছে। অসমৰ পৰাও , বাহিৰৰ পৰাও ট্ৰেইনিঙৰ বাবে যায়। তথাপিতো কিবা এটা লেকুনা ৰৈ গ'ল নেকি যাৰ বাবে নেকি আমি আজিও এই সমস্যাখিনি লাঘৱ কৰিব পৰা নাই। চেষ্টা কিন্তু অব্যাহত ৰখা হৈছে। দেখা গৈছে যে, অসমৰ erosionটো হ'ল এটা Unique.ভুটানৰ পৰা যিবিলাক নদী বৈ আহিছে, সেই নদী বিলাকৰ nature টো যথেষ্ট সলনি হৈছে। সেই নদী বিলাক কিধৰণে এটা resource হিচাপে ব্যৱহাৰ কৰিব পৰা যায়। গতিকে ইয়াৰ কাৰণে নিশ্চয় চৰকাৰে চিন্তা কৰিব আৰু ভাল ব্যৱস্থা গ্ৰহণ কৰিব। গতিকে immediate measure হিচাপে মই এইটোকে আহ্বান জনাম যে বানপানী হোৱাৰ সময়ত আমাৰ হাতত খৰচ কৰিবৰ কাৰণে যদি fund নাথাকে তেন্তে আমি Corpus fund এটা বনোৱাৰ কথা যোৱা বাৰ চিন্তা চৰ্চা কৰিছিল । গতিকে সেই Corpus fund কি ধৰণেৰে কৰিব পৰা যায় আৰু কম সময়ৰ ভিতৰত কেনেকৈ খৰচ কৰিব পাৰি তাৰ এটা Immediate Measure লোৱাৰ বাবে within one and Two days ত সিদ্ধান্ত দিব পৰাকৈ fund টো আছে, গতিকে সোনকালে খৰচ কৰাক। তেনেকুৱা ধৰণৰ mitigation কৰিব পৰা যায়, নিশ্চয় ভাল হব। গতিকে মই ভাৱো আজি যিটো কৰ্তন প্ৰস্তাৱৰ ওপৰত নিশ্চয় ভাল ফল হব আৰু ভৱিষ্যতে এটা long term measure ঠিক তেনেকৈ erosion যে হওঁক বা flood control ৰ সুন্দৰ এটা ব্যৱস্থা গ্ৰহণ কৰি পেলাই যাতে তেনেকুৱা recurring আমাৰ অঞ্চল বিলাকত সেইটো minimize কৰিব পৰা যায় এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলে জলসম্পদ বিভাগৰ এটা কৰ্তন প্ৰস্তাৱ আনিছে। কৰ্তন প্ৰস্তাৱটো এই কাৰণে আনিছে যাতে আমি জলসম্পদ বিভাগটোৰ ওপৰত আলোচনা এটা কৰিব পাৰো। উদ্দেশ্য এইটো নহয় যে জলসম্পদ বিভাগত কৰ্তন প্ৰস্তাৱ আনি টকাতো হ্ৰাস কৰা। গতিকে প্ৰস্তাৱটো অনাৰ কাৰণে ভালে পাইছো আৰু আমি অংশ গ্ৰহণ কৰাৰ সুযোগ পাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, বান আৰু গৰাখহনীয়া এইটো এতিয়া হোৱা সমস্যা নহয়। প্ৰাক্ স্বাধীনতাৰ কালৰে পৰাই অসমত বান আৰু গৰাখহনীয়াই এটা বিভিষিকাৰ অৱস্থাৰ সৃষ্টি কৰি আহিছে। আৰু বিশেষভাৱে প্ৰাক্ স্বাধীনতাৰ কালৰ পৰা **১৯৫৭** চনলৈকে সেই সময়ত মথাউৰিৰ ব্যৱস্থটো নাছিল। সেই সময়ত অসমত তেতিয়া

মথাউৰি নিৰ্মাণ কৰা হোৱা নাছিল আৰু **১৯৫৭** চনৰ পৰা বিশেষকৈ নদীৰ দুয়োপাৰে মথাউৰি নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল। কিন্তু মথাউৰি নিৰ্মাণ কৰিলে সেই সময়ত বিজ্ঞানসন্মত ভাৱে মথাউৰি বিলাক নিৰ্মাণ কৰা হোৱা নাছিল। আৰু সেই কাৰণে বিজ্ঞানসন্মত ভাৱে মথাউৰি বিলাক নিৰ্মাণ নকৰাৰ কাৰণে হয়তো এটা অঞ্চলত মানুহে বানপানীৰ কবলৰ পৰা ৰক্ষা পাইছে আৰু আনফালে মানুহে বানপানীত পৰিব লগীয়া অৱস্থা সৃষ্টি হৈছে। বিশেষভাৱে আমি সকলোৱে বিচাৰিছো যে বান আৰু গৰাখহনীয়াৰ এই সমস্যাটো এটা স্থায়ী সমধান হব লাগে। স্থায়ী সমধান কৰিবলৈ হলে ইয়াত যথেষ্ট পুজিৰ প্ৰয়োজন হব আৰু সেই পূজি আমাৰ ৰাজ্য চৰকাৰে বহন কৰিব নোৱাৰিব। সেই কাৰণে কেন্দ্ৰীয় চৰকাৰে এই সমস্যাটো এটা ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰি কাম কৰিব লাগে। সেই কাৰণে এই দাবীটো উত্থাপিত হৈ আহিছে। আমি সকলোৱে জানো যে চীনৰ হুৱাংহো নদী চীনৰ বাবে অভিশাপ আছিল। কিন্তু কালক্ৰমত এই হুৱাংহো নদী চীনৰ অভিশাপৰ পৰা আশীৰ্বাদ হ'ল। যদি চীনৰ যিসকল বিশেজ্ঞই হুৱোংহো নদীক অভিশাপৰ পৰা আশীৰ্বাদলৈ ৰূপান্তৰ কৰিব পাৰে তেনেহলে আমাৰ এই ব্ৰহ্মপুত্ৰ নদী অভিশাপৰ পৰা আশীৰ্বাদ কৰিব নোৱাৰাৰ যক্তিতো ক'ত। গতিকে মই ভাৱো যে ব্ৰহ্মপুত্ৰ আৰু বিশেষকৈ আমাৰ যি উপনৈ সমূহৰ গৰাখহনীয়া অব্যাহত আছে। এই গৰাখহনীয়া সমস্যাটো স্থায়ী সমধানৰ কাৰণে হয় কেন্দ্ৰীয় চৰকাৰে আমাৰ বান আৰু গৰাখহনীয়াৰ অধ্যায়ণ কাৰৰ বাবে **১শ** কোটি টকা দিছে। মই মাননীয় প্ৰধান মন্ত্ৰী ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু এই অধ্যায়নটো বিশেষভাৱে মই ভাৱো যে আমাৰ দেশৰ লগতে বিদেশৰো বিশেজ্ঞ আনি যাতে এই অধ্যায়ণটো এটা বাস্তৱিক , এটা বিজ্ঞানসন্মত ভাৱে অধ্যায়ণ কৰি ইয়াৰ এটা স্থায়ী সমস্যাৰ সমধান কৰিব পাৰো, তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি মই বিবেচনা কৰিছো। কাৰণ আমাৰ দেশৰ আৰু বিদেশৰ বিশেজ্ঞই আহি ইয়াৰ গোটেই পৰিস্থিতিটো যদি অধ্যায়ণ কৰে আৰু অধ্যায়ণ কৰি তেনেভাৱে এটা master plan তৈয়াৰ কৰি আমাৰ এই ব্ৰহ্মপুত্ৰ লগতে উপনৈ সমূহৰ গৰাখহনীয়া যিটো সমস্যা, এই সমস্যাটোৰ স্থায়ী সমধান কৰিব লাগিলে নিশ্চয় তেনেধৰণৰ এটা উপযুক্ত পদক্ষেপ, বাস্তৱসন্মত পদক্ষেপ গ্ৰহণ কৰিব লাগিব আমাৰ ৰাজ্য চৰকাৰে। বিশেষভাৱে আমি জানো যে স্থায়ী সমধান কৰিবলৈ লওতে যথেষ্ট সময়ৰ প্ৰয়োজন হ'ব। এই সময়খিনি লওঁতে আমি সামূহিক ভাৱেও বান আৰু গৰাখহনীয়াৰ ব্যৱস্থাও গ্ৰহণ কৰিব লাগিব যে স্থায়ী সমস্যা, স্থায়ী ভাৱে সমধান হ'ব, আমি সাময়িক ভাৱে ব্যৱস্থা নলম সেইটো কেতিয়াও হ'ব নোৱাৰে। এতিয়া সাময়িকভাৱে ব্যৱস্থা লওঁতে আমাৰ চৰকাৰৰ ৰাজ ভৰালৰ পৰাই হওঁক, কেন্দ্ৰীয় চৰকাৰৰ ৰাজ ভৰালৰ পৰাই হওঁক যথেষ্ট কোটি কোটি টকা আজি আমি খৰছ কৰিব লগা হৈছে। আজি ৰিলিফৰ নামত বা যদি কৰবাত মথাউৰি ভাঙে তাৰ সাময়িক protection ৰ বাবেই হওঁক আৰু অসমত যিখিনি ক্ষয় ক্ষতি হ'ব, সেই ক্ষয় ক্ষতিৰ বাবেও যথেষ্ট পূজি খৰছ কৰিব লগা হৈছে। বিশেষভাৱে মই অনুৰোধ কৰিব বিচাৰিছো যে আমি ভাৰত স্বাধীন হোৱাৰ পিছৰ পৰাই এতিয়ালৈকে প্ৰায় **৪.২৬** লাখ হেক্টৰ মাটি আজি ব্ৰহ্মপুত্ৰত জাহ যাবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে। এই অৱস্থাটো যদি অব্যাহত থাকে তেনেহলে আমাৰ অনাগত দিনত আৰু হয়তো অমসৰ ভূমি যথেষ্ট পৰিমানে ব্ৰহ্মপুত্ৰত জাহ যোৱাৰ পুৰা মাত্ৰাই সম্ভৱনা আছে। আজি পাহাৰৰ পানী আহি আৰু বৰষুণৰ পানীয়ে বানৰ সৃষ্টি কৰিছে, এইটো সচাঁ কথা। কিন্তু তাৰ লগে লগে আৰু এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে যে আমাৰ যিবিলাক ডেম কৰা হৈছে। আজি নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পই হওঁক, নিপকোয়ে হওঁক বা ভূটানৰ ডেমেই হওঁক এইবিলাকে কিন্তু বিশেষভাৱে অসমত প্ৰলয়ৰ

বানপানীৰ সৃষ্টি কৰিছে। গতিকে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিশেষভাৱে আজি নামনি সোৱণশিৰিৰ যিটো জলবিদ্যুৎ প্ৰকল্পৰ ডেম কৰা হ'ল, তাৰ ফলত উজনি অসমৰ **down stream** ৰ কোনো কাম কৰা নাযায়, তেতিয়াহলে **down stream** ৰ ক্ষেত্ৰত যদি কোনো ব্যৱস্থা লোৱা নাযায়, তেতিয়া হলে হয়তো আৰু ভবিষ্যতে, অনাগত দিনত হয়তো যথেষ্ট বানৰ সন্মুখীন হ'ব লাগিব। এতিয়া বিশেষ ভাৱে মই এটা কথাতেই ৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো, মাননীয় মুখ্যমন্ত্ৰীক, আমাৰ জলসম্পদ বিভাগৰ মন্ত্ৰীক এই কাৰনেই যে, বৰ্তমান যিটো বান হ'ল, আমাৰ দুটা বান ইতিমধ্যে হৈ গ'ল আৰু বান অহাৰ সম্ভৱনা আছে কাৰণঅক্টোবৰলৈকে অসমত বান আহেই। গতিকে বিগত দিনৰ যি দুটা বানত যি ধৰনে পদক্ষেপ লৈছে, আজি ক'ৰবাত মঠাউৰি ভাঙিছে, লগে লগে মাননীয় মন্ত্ৰী মহোদয়ে, বিষয়াসকলক নিৰ্দেশ দি তৎকালীন ভাৱে সাময়িক ভাৱে হলেও কিন্তু তাৰ protection ৰ ব্যৱস্থা লৈছে। আজি মোৰ সমষ্টিতে, আজি আমাৰ মাজেৰগাওঁ অঞ্চলত বা পূব মাজেৰগাওঁ, ধাৰাপুৰ অঞ্চলত মঠাউৰি ভাঙো ভাঙো অৱস্থাত আছিল। লগে লগে বিষয়া সকলক কোৱাত, লগে লগে protection ৰ ব্যৱস্থা কৰাত আজি হয়তো আমাৰ International Airport, বা ইউনিভাৰচিত পানী সোমোৱাৰ পৰা ৰক্ষা পাইছে। এতিয়া কথাটো হৈছে যে বান পানী মোৰো হৈছে। কিন্তু সেই বানপানীটো আহিছে আমাৰ যিটো পলাশবাৰী ভুমি প্ৰজেক্ট, জিৰ' পইন্টত তেওঁলোকে যি এটা মঠাউৰি কৰিলে, ৰিং বান্ধ কৰিলে, সেই ৰিং বান্ধ ভাঙি মোৰ সমষ্টিতো বানপানী হৈছে। Temporary protection ৰ ব্যৱস্থা এতিয়া লৈছে। কিন্তু যদি সেই টো স্থায়ীভাবে সেই ৰিং বান্ধটো মঠাউৰিলৈ ৰূপান্তৰিত কৰি যদি তাৰ protection ৰ ব্যৱস্থা লয়, তেতিয়া হ'লে নিশ্চয় অনাগত দিনত হয়তো Airport টো ৰক্ষা পৰিব। যিহেতু আমাৰ international Airport টো হৈ আাছে, সেই ক্ষেত্ৰত কিন্তু সকাহ পাব।

**মাননীয় উপাধ্যক্ষ** ঃ- আপোনাৰ সময়টো শেষ হৈছে। আপোনাৰ পাছত গুণীন্দ্ৰ দাস আছে। আপোনালোকৰ সময় ২০ মিনিট আছে। গতিকে সময়টো কমি যাব। সময় কম পাব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী)** ঃ- আমি কথাপাতি লৈছো। এতিয়া কথা হৈছে যে বৰাক উপত্যকাটো বানপানী হৈছে, আপোনাৰ জিলাত। মাননীয় মুখ্যমন্ত্ৰীৰ লগত মইও গৈছো। মাননীয় মুখ্যমন্ত্ৰীয়ে মই দেখিছো যে, বৰাক উপত্যকা, ব্ৰহ্মপুত্ৰৰ নামনি উজনিত এই বানপানীৰ সময়ছোৱাত যি ধৰণে কাৰ্য্যব্যৱস্থা লৈছে, মানুহবোৰ কিন্তু সন্তুষ্ট। কাৰণ তাত আমি মানুহবোৰক আশ্ৰয় শিবিৰত লগ কৰিছো, মইও আছো। তেতিয়া মানুহে কৈছে যে, যি ধৰণে আমাক সাহাৰ্য্য দিছে, যি ধৰণে আমাক থকা- মেলাৰ ব্যৱস্থা কৰি দিছে আমি যথেষ্ট সন্তুষ্ট। আমাৰ মাননীয় মন্ত্ৰী পৰিমল শুক্লবৈদ্যই থাকি লৈ যিধৰণে কাম কৰিছে, সচাঁকৈয়ে যথেষ্ট ভাল পাইছো। তেনেধৰণৰ মানুহৰ কমেন্ট শুনিলে আমিও ভাল পাওঁ কাৰণ সেই সমূহ যিটো দুৰ্য্যোগত থাকে, সেই দুৰ্য্যোগৰ সময়ত মাননীয় মুখ্যমন্ত্ৰীয়ে যিটো নিৰ্দেশ দিছে, আৰু সকলো শাসক বিৰোধী সকলো বিধায়ককলৈও বিশেষকৈ শিলচৰ আৰু কৰিমগঞ্জত মিটিং আহ্বান কৰিও direction দিছে যে সকলো ঠাইতে যাতে প্ৰায় সকলো ধৰণৰ সুবিধা পাব পাৰে, কোনো ধৰণৰ অসুবিধা যাতে তেওঁলোকে পাব নোৱাৰে, তাৰ কাৰণে বিষয়াসকলক কিন্তু নিৰ্দেশনা দিছে। এইটো আমাৰ কাৰনে শুভ লক্ষণ। কিন্তু যদিও সাময়িক ভাৱে ব্যৱস্থা লৈছে, কিন্তু এইটো আমাৰ শুভ লক্ষণ। গতিকে মই আশা ৰাখিছো অনাগত দিনত জলসম্পদ বিভাগৰ মাননীয় মন্ত্ৰীয়ে যিখিনি পুঁজি দিছে এই পুঁজিৰে অসমখনৰ যিটো গৰাখহনীয়া, সেই সমস্যাটো সামাধান কৰিব নোৱাৰে। ইয়াৰ কাৰণে অতিৰিক্ত টকা লাগিব। আৰু অতিৰিক্ত টকা World Bank হওঁক, নাবৰ্ড হওঁক, যি কোনো Financial Institution ৰ

পৰা ইয়াত বৃহৎ পৰিমাণৰ টকা আনি যদি বান আৰু গৰাখহনীয়াৰ ক্ষেত্ৰত যদি কাৰ্য্য ব্যৱস্থা নলয়, তেনেহ'লে অসমৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি হব নোৱাৰে, অসমৰ দৰিদ্ৰতা দূৰীকৰণ কৰাৰ ক্ষেত্ৰত যিটো কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ যিটো লক্ষ্য সেই লক্ষ্যত কেতিয়াও উপনিত হ'ব নোৱাৰে বুলি মই দাঠি ক'ব পাৰো। গতিকে এইটো হৈছে আমাৰ অসমৰ মূল সমস্যা। এই সমস্যাটো সমাধানৰ ক্ষেত্ৰত মই বিশেষ ভাৱে ৰাজ্য চৰকাৰে বিশেষ তৎপৰতাৰে ব্যৱস্থা লবৰ কাৰণে আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰীক আৰু জলসম্পদ বিভাগৰ মন্ত্ৰীক আহ্বান জনাই মোৰ কবলগীয়াখিনি ইমানতে মই সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ- মাননীয় বিধায়িকা অজন্তা নেওঁগ। আপোনাৰ ১০ মিনিট।

**শ্ৰী মতী অজন্তা নেওঁগ, সদস্যা** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দলৰ ফালৰ পৰা আমি কৰ্তন প্ৰস্তাৱ আনিছো, জলসম্পদ বিভাগৰ ওপৰত। এইটো এটা পৰম্পৰা। আমি কিছু কথা মন্ত্ৰী ডাঙৰীয়াক দৃষ্টিগোচৰ কৰিব বিচাৰিছো ইয়াৰ জৰিয়তে। মাননীয় উপাধ্যক্ষ, বানপানী, গৰাখহনীয়া আৰু আমাৰ ৰাজ্যখনৰ এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। আমাৰ প্ৰাক স্বাধীনতাৰ দিনৰ পৰাই বিশেষভাৱে ১৯৫০ চনত যেতিয়া বৰভূইকঁপ হৈছিল তেতিয়াৰ পৰাই আমাৰ ৰাজ্যখনৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰ, বৰাক এই নদী বিলাকৰ বুকু বিলাক ওফন্দি আহিল, তৰাং হৈছিল। আৰু তেতিয়াৰ পৰাই ব্ৰহ্মপুত্ৰ নৈ বা অন্যান্য মুখ্য নদী বিলাকত বানৰ প্ৰকোপ বাঢ়িছিল। এতিয়া জলসম্পদ বিভাগটোৰ প্ৰথমতে ইয়াৰ নাম আছিল বান নিয়ন্ত্ৰন। বান নিয়ন্ত্ৰণটো এটা সময়ত এই বিভাগটোক নদী সমূহক নিয়ন্ত্ৰণ কৰিবৰ কাৰনে। আমি ভাবিছো যে, বান নিয়ন্ত্ৰণ বিভাগৰ নাম ৰখা হৈছিল। পিছৰ সময়ত জলসম্পদ বিভাগলৈ নামান্তৰ কৰা হ'ল। এই কাৰনেই যে পানীক সম্পদ ৰূপে চৰকাৰে কৰিব বিচাৰিছে। এতিয়া উপাধ্যক্ষ মহোদয়, বানপানী গৰাখহনীয়া এটা জলন্ত সমস্যা. এই জলন্ত সমস্যাক আমি কেনে ধৰণে নাইকীয়া কৰিব পাৰো, সমাধান কৰিব পাৰো তাৰ বিষয়ে বিভিন্ন ধৰনে আমাৰ বিধায়ক সকলে কৈছে। মই কিছু কথা কব বিচাৰিছো, যে বানপানী গৰাখহনীয়া এই বছৰ প্ৰায় ৩ টা দশকৰ ভিতৰত সৰ্ববৃহৎ বুলি কৈছে, আৰু বানপানী অহাৰ লগে লগেই আমিয়েই নহয়, আমাৰ ৰাজ্যখনৰ সকলো উদ্বিগ্ন হয়। বাতৰি কাকত বা অন্যান্য ধৰণৰ সকলো মাধ্যম, চতুৰ্থ স্তম্ভ সকলো আমি উদ্বিগ্ন হওঁ। এতিয়া আমাৰ বিভিন্ন ধৰণৰ প্ৰশ্ন আহিছে, বান পানীক লৈ যে বানে গৰকা অসমৰ অৰ্থনৈতিক ভৱিষ্যৎ কি? অসমৰ অস্তিত্ব থাকিবনে? এই বানপানী আৰু গৰাখহনীয়াই আমাৰ ৰাজ্যখনক অৰ্থনৈতিক ভাৱে পিছুৱাই লৈ গৈছে, আৰু আমাৰ অৰ্থনৈতিক ভাৱে ৰাজ্যখন পিছ পৰাৰ ই এটা প্ৰধান কাৰণ হিচাপে গন্য হৈছে। এতিয়া অসমৰ অস্তিত্বলৈ প্ৰশ্ন আহিছে উপাধ্যক্ষ মহোদয়,বানপানী আৰু গৰাখহনীয়াৰ বিষয়ে বাতৰি কাকতত বিভিন্ন চিন্তাবিদ বিলাকে তেওঁলোকৰ বিভিন্ন ধৰণৰ বক্তব্য বিলাক লিখিছে। তাত লিখিলে যে বান এটা বছেৰেকীয়া উৎসৱ। বান পানীৰ বিষয়ে ৰচনা, যে আজি বানপানীক লৈ আমাৰ ৰাজ্যখনত উদ্বিগ্নতা প্ৰকাশ পাইছে। যে আজি বানপানীৰ বিষয়ে ৰচনা লিখিছে, বানপানী এটা বছেৰেকীয়া উৎসৱলৈ পৰিবৰ্তন হৈছে। আজি কালি বিভিন্ন ধৰণে বান পানীৰ ওপৰত তেওঁলোকৰ বক্তব্যবোৰ প্ৰকাশ পাইছে। এতিয়া এখন নিৰ্বাচিত চৰকাৰৰ বানপানী হোৱাৰ লগে লগে আমাৰ ৰাজ্যখনৰ জনসাধাৰণৰ নিৰাপত্তা ৰক্ষাৰ প্ৰধান দায়িত্ব াছে। সেই কাৰনে মই কৈছো যে এই বিভাগটোৱে বানপানীক নাইকীয়া কৰিবৰ কাৰনে তেওঁলোকৰ তিনিটা ধৰণে উপায় কৰে। প্ৰথমে তেওঁলোকে কৰে, Structurally , মঠাউৰি যিবোৰ আছে, সেই বিলাক পুনৰ নিৰ্মান repairing এনেকুৱা ধৰনে কৰে, বা ইঞ্জিনিয়াৰিং যিখিনি তেওঁলোকে সমাধান কৰিব লাগে, ইঞ্জিনিয়াৰিং পদ্ধতি দি পেলাই, তেনেধৰণে কৰে।

২য়তে কৰে non- structurally. non- structurally.যেতিয়া বান পানী হয়, বান পানী হোৱাৰ লগে লগে সেই মানুহখিনিক আগতীয়াকৈ তেওঁলোকে বানপানীৰ বিষয়ে অৱগত কৰাব লাগে। মানুহখিনিক তাৰ পৰা shift কৰাব লাগে। বা অন্যান্য ধৰণে বান পানী হোৱাৰ লগে লগে তেওঁলোকে খাদ্য সামগ্ৰী বা অন্যান্য ধৰণে তেওঁলোকক সাহাৰ্য্য প্ৰদান কৰিব লাগে। তৃতীয় পদ্ধতিটো catchment treatment বুলি লিখিছে। গতিকে এই তিনিটা পদ্ধতিৰে তেওঁলোকে প্ৰথমে আক্ৰান্ত মানুহখিনিক সকাহ দিব লাগে।

উপাধ্যক্ষ মহোদয়, Structural Treatment ৰ ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে এতিয়া মথাউৰিবোৰৰ পুনৰ নিৰ্মাণ কৰিব লাগে। অসমত হাজাৰ কিঃমিঃ মথাউৰি আছে। কিন্তু এটা কথা আমি লক্ষ্য কৰিছো যে, বানপানীৰ সময়ছোৱাতহে আমি ইয়াৰ ওপৰত আলোচনা কৰো, বানপানী হৈ যোৱাৰ পিছত ইয়াৰ বিষয়ে পাহৰি যাওঁ। গতিকে ছেপ্টেম্বৰ মাহৰ পৰা মাৰ্চ মাহলৈ মুঠ ৭ মাহ কাম কৰাৰ বাবে জল সম্পদ বিভাগে সময় পায় আৰু এই ৭ টা মাহৰ ভিতৰতে মথাউৰিৰ কাম ক্ষিপ্ৰতাৰে কৰাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। আনহাতে, এই কামৰ বাবে বিভাগৰ যি tendering process, সেইটো দেখি মই আচৰিত হৈছো। মই গড়কাপ্তানী বিভাগৰ tendering process দেখিছো, কিন্তু, জল সম্পদ বিভাগৰ tendering process ৰ ক্ষেত্ৰত এটা উদাহৰণ দিব বিচাৰিছো- মোৰ সমষ্টি গোলাঘাটৰ বাবে ৪ কোটি টকাৰ কাম আৱন্টন দিয়া হৈছিল। সেই ৪ কোটি টকাৰ কাম ৪০ জন ঠিকাদাৰে পাইছে। গতিকে এটা কাম যদি ৪০ জন ঠিকাদাৰে পায়, তেন্তে এই কামৰ quality কেনেকুৱা হ'ব, আপুনি চিন্তা কৰি চাওঁক উপাধ্যক্ষ মহোদয়। ৪০ জন ঠিকাদাৰৰে কোনোবা এজন ঠিকাদাৰে কেৱল ৫০ মিটাৰ কাম কৰাৰ বাবেহে নিবিদা পাইছে। মই মুখ্য অভিযন্তাক সুধিছিলো যে, ঠিকাদাৰবোৰে কি ভিত্তিত কামবোৰ পাইছে? তেতিয়া তেখেতে কৈছে যে, ১.৫০ টকা, ১০০ টকাৰ ব্যৱধানত এজন ঠিকাদাৰে কাম পাইছে। গতিকে capacity থকা ঠিকাদাৰ এজনে পাইছেনে নাই, তেওঁলোকে বৈজ্ঞানিক সন্মত পদ্ধতি ব্যৱহাৰ কৰিছেনে নাই, estimate ত ধৰা পুঁজি ব্যৱহাৰ হৈছে নে নাই সেই বিষয়ে আমাৰ জনাৰ কোনো উপায় নাই। গতিকে, আমি কামটোৰ result কেনেকুৱা হৈছে সেইটোহে চাওঁ। মই দুখেৰে আপোনাক ক'বলগীয়া হৈছে যে এইবাৰ যেতিয়া মই সেই কামটো চালো, তাত ডাঙৰ ডাঙৰ ফুটা দেখিবলৈ পাইছো। যোৱা বছৰ কিছুমান ঠিকাদাৰে উন্নতমানৰ forklane ব্যৱহাৰ কৰি সুন্দৰকৈ মাটি কাটিছিল। কিন্তু এইবাৰ ডাঙৰ ফুটা দেখিবলৈ পাইছো। সেয়েহে, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই পুৰণি কলীয়া tendering process টোৰ সংস্কাৰ সাধন কৰিব লাগিব।

Non-structural কামৰ ক্ষেত্ৰত জল সম্পদ বিভাগৰ মন্ত্ৰীতকৈ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰীৰ দায়িত্ব যথেষ্ট। অসমৰ বানে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বাতৰিকাকত বোৰত যথেষ্ট চৰ্চা লাভ কৰিছে। আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সাহায্য পুঁজিলৈ ৰাইজে সহায়ৰ হাত আগবঢ়াইছে। অসমৰ বানৰ সমস্যা আজিৰ নহয়, ই এক পুৰণিকলীয়া সমস্যা আৰু এই বানত আক্ৰান্ত হোৱা মানুহৰ সংখ্যা ক্ৰমান্বয়ে বাঢ়ি যাব ধৰিছে। এই দুৰ্যোগত আক্ৰান্ত হোৱা লোকসকলক চোৱাৰ দায়িত্ব ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগক দিয়া হৈছে। উপাধ্যক্ষ মহোদয়, এই দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ কাম কি? এই বিভাগটোৱে দুৰ্যোগৰ আগজাননী লৈ সম্ভাব্য আক্ৰান্ত অঞ্চলবোৰক আগতীয়াকৈ ক'ব লাগে । কিন্তু আজি মই আপোনাক দুখেৰে কৈছো যে আমাৰ জিলাবোৰত District Disaster Management Authority ৰ যি কাৰ্যালয় আছে সেই

কাৰ্যালয়ত আগন্তুক দুৰ্যোগৰ লগত মোকাবিলা কৰাৰ বাবে সজাগতা অনুষ্ঠান কোনো ধৰণৰ মিটিং অনুষ্ঠিত নহয়। যোৱাবাৰ NEEPCOৰ ফলত যি বানপানী হৈছিল, সেই বানপানী ক্ষেত্ৰত NEEPCO য়ে সতৰ্কবাণী দি আছিল। কিন্তু, NEEPCO ৰ সতৰ্কবাণীৰ কথা যদি ৰাইজক আগতীয়াকৈ অৱগত কৰিলেহেঁতেন তেন্তে ক্ষয়-ক্ষতি কিছু পৰিমাণে হ্ৰাস হ'লহেঁতেন। গতিকে, উপাধ্যক্ষ মহোদয় এই বিভাগটোৰ কি কাম? এই বিভাগটো কাম নোহোৱা বিভাগ অৰ্থাৎ বগা হাতীলৈ পৰিণত হৈছে। এই বিভাগটোত কোটি কোটি টকাৰ আবণ্টন হোৱাৰ পিছতো দায়িত্ব সহকাৰে কোনো ধৰণৰ কাম নকৰে। সেয়েহে, বানপানী হোৱাৰ ২৪ ঘণ্টাৰ ভিতৰত ৰাইজক দিবলগীয়া সাহায্যখিনিও এই বিভাগটোৱে দিবলৈ সক্ষম নহয়। কেইদিনমান আগতে, আমাৰ এগৰাকী মাননীয় মন্ত্ৰী মহোদয়ে বানাক্ৰান্ত অঞ্চললৈ যাওঁতে ৰাইজক পচা চাউলৰ যোগান ধৰা বুলি ৰাইজে ক্ষোভ উজাৰিছিল। ইয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে PHE Department ওপৰত en-quiry দিবলগীয়া হৈছিল। মোৰ নিজৰ জিলাতে বানাক্ৰান্তই ৪৮ ঘণ্টালৈ কোনোধৰণৰ বান সাহায্য পোৱা নাছিল। মই নিজেই পইচা তুলি, পুঁজি সংগ্ৰহ কৰি তেওঁলোকক সাহায্য প্ৰদান কৰিছিলো।

উপাধ্যক্ষ মহোদয়, বানপানীৰ নিচিনা প্ৰাকৃতিক দুৰ্যোগৰ ফলত অসমৰ অস্তিত্ব হেৰাই যাব। ইয়াৰোপৰি, আমাৰ ৰাজ্যখনলৈ এতিয়া আৰু এটা ডাঙৰ ভাবুকি আহিছে। সেইটো হ'ল- বৃহৎ নদী বান্ধ। শেহতীয়াকৈ, অৰুণাচল প্ৰদেশ, ভূটান, চীন, নাগালেণ্ড আদিত নদী বান্ধ বনোৱা হৈছে। দিবাঙত ২৮৮০ মেগাৱাট ক্ষমতা সম্পন্ন জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ বাবে প্ৰাৰম্ভিক কাম-কাজৰ বাবে ১৬০০ কোটি টকা মঞ্জুৰ কৰিলে অসমৰ ভৱিষ্যত সংকটাপন্ন হ'ব। এই ক্ষেত্ৰত চৰকাৰৰ স্থিতি কি? ভূটানৰ কুৰিশ্ব নদী, ৰঙানদীৰ বান্ধ, গোলাঘাটৰ NEEPCOৰ বান্ধৰ বিষয়ে আমি জানো আৰু এই বান্ধৰ বাবে জনসাধাৰণৰ বিস্তৰ ক্ষতি হৈছে। আমাক বিদ্যুৎ লাগিব, কিন্তু, এই বৃহৎ নদীবান্ধবোৰৰ ক্ষেত্ৰত চৰকাৰৰ স্থিতি কি সেইটো জনাবলৈ মই অনুৰোধ জনাইছো। কেন্দ্ৰীয় চৰকাৰে আমাৰ সম্পদবোৰ যিধৰণে share কৰিছে ঠিক তেনেধৰণে আমাৰ দুখবোৰো তেওঁলোকে share কৰিব লাগিব। অসমৰ বানপানীক 'ৰাষ্ট্ৰীয় সমস্যা' হিচাপে ঘোষণা কৰি ইয়াক সমাধান কৰাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ নিশ্চিতভাৱে দায়িত্ব আছে। সেয়েহে অসমৰ বানপানীক 'ৰাষ্ট্ৰীয় সমস্যা' হিচাপে ঘোষিত কৰাৰ বাবে চৰকাৰক অনুৰোধ জনাইছো।

উপাধ্যক্ষ মহোদয়, ২০১৭-১৮ বৰ্ষৰ CAG ৰ প্ৰতিবেদন মতে, জল সম্পদ বিভাগক যি SD দিয়া হৈছিল তেওঁলোকে original ground ত টকা খৰচ কৰিব পৰা নাই বুলি কৈছিল। আমাৰ টকা দিয়াত আপত্তি নাই, কাম কৰাৰ বাবে টকা দিবই লাগিব। সেয়েহে মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যাতে এই কথাবোৰৰ প্ৰতি তেখেতে দৃষ্টি ৰাখে। তাৰোপৰি, যোৱাবছৰ NEEPCO ৰ বানপানীৰ ফলত দৈয়াং নদী আৰু কাকদোঙা নদীত হোৱা গৰাখহনীয়াৰ বিষয়েও আপোনাৰ দৃষ্টিগোচৰ কৰিলো। গতিকে অসমৰ বানপানীক ৰোধ কৰিবলৈ নিখুঁট পৰিকল্পনা আৰু কাৰ্যসূচী গ্ৰহণ কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া মাননীয় বিধায়ক দিলীপ পাল। তেখেত হয়তো এতিয়া সদনত উপস্থিত নাই।

আমিনুল ইছলাম ডাঙৰীয়া, আপুনি কওঁক। আপোনালোকৰ A.I.U.D.F. দলৰ বাবে ২০ মিনিট সময় ধাৰ্য কৰা হৈছিল। কিন্তু মামুন ইমদাদুল হ'ক ডাঙৰীয়াই ইতিমধ্যে ১৯ মিনিট সময় লোৱাৰ বাবে আপোনাক ১ মিনিট সময়হে দিব পাৰিম। সেয়েহে, আপুনি যিমান সোনকালে পাৰে কৈ শেষ কৰিব।

**মাননীয় শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** ঠিক আছে উপাধ্যক্ষ মহোদয়। আপুনি মোক ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনালো। এইবাৰ সদনত আটাইতকৈ বেছি আলোচনা হোৱা বিষয়টোৱেই হৈছে বানপানী আৰু গৰাখহনীয়াৰ সমস্যা। Private Member's Resolution, Question Hour, Zero Hour তো ইতিমধ্যে ইয়াৰ বিষয়ে দীঘলীয়া আলোচনা হৈছে আৰু আজিও কৰ্তন প্ৰস্তাৱত ইয়াৰ বিষয়ে আলোচনা হৈ আছে। পূৰ্বৰ চৰকাৰৰ দিনত বছৰত তিনিবাৰকৈ বিধান সভাৰ অধিবেশন অনুষ্ঠিত হৈছিল আৰু বৰ্তমান চৰকাৰৰ দিনত বিগত কালত দুবাৰকৈহে অধিবেশন অনুষ্ঠিত হৈছে। কিন্তু, এই চৰকাৰৰ তিনিবছৰৰ কাৰ্যকালত এইবাৰ প্ৰথমবাৰৰ বাবে গ্ৰীষ্মকালীন অধিবেশন অনুষ্ঠিত হৈছে। গতিকে বানপানীৰ সময়ত এইবাৰ অধিবেশন হোৱাৰ বাবে আজি সকলোৱে ইয়াৰ বিষয়ে অন্তৰ খুলি ক'বলৈ সুবিধা পাইছে। সেয়েহে চৰকাৰক মই ধন্যবাদ জ্ঞাপন কৰিছো। ইতিমধ্যে কেইবাগৰাকীও সন্মানীয় সদস্যই এই সম্পৰ্কে বহু কথা ক'লে । আমি Private Member's Resolution তো বানপানী আৰু গৰাখহনীয়াক 'ৰাষ্ট্ৰীয় সমস্যা' হিচাপে ঘোষণা কৰাৰ বাবে চৰকাৰক অনুৰোধ কৰিছিলো আৰু এই ক্ষেত্ৰত অসম বিধান সভাই সৰ্বসন্মত প্ৰস্তাৱ লৈ কেন্দ্ৰলৈ প্ৰেৰণ কৰিব লাগে যাতে কেন্দ্ৰীয় চৰকাৰে অসমৰ বান সমস্যাক 'ৰাষ্ট্ৰীয় সমস্যা' হিচাপে স্বীকৃতি দিয়ে। কিয়নো আমি অনুমান কৰিছো, অসমৰ বানপানী আৰু গৰাখহনীয়া সমস্যাৰ স্থায়ী সমাধানৰ বাবে কেইবাল লাখ কোটি টকাৰ দৰকাৰ হ'ব । যিটো আমাৰ অসম চৰকাৰ বাজেট হয়, আমাৰ যিটো বাৰ্ষিক বাজেট এতিয়ালৈকে আমি এক লাখ কোটি টকাৰ বাজেট স্পৰ্শ কৰিব নাই। হয়তো আগন্তুক বছৰত লাখ কোটি টকাৰ বাজেট হব পাৰে। আমাৰ সকলো বিভাগ সামৰি আমাৰ বাজেট এক লাখ কোটি টকা নহয়। কেৱল গড়াখহনীয়া সমস্যা সমাধান কৰাৰ কাৰণে অসমত হয়তো কেইবা লাখ কোটি টকাৰ প্ৰয়োজন হব। গতিকে উপাধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰে যেতিয়ালৈকে এইটোক National Calamities declare নকৰিব আৰু কেন্দ্ৰীয় চৰকাৰে সমুদায় পুঁজিৰ যোগান নধৰিব, আমাৰ ৰাজ্য চৰকাৰৰ সীমিত পুঁজিৰে এইটো কেতিয়াও সম্ভৱ নহয়। গতিকে মই পুনৰবাৰ এইটো অনুৰোধ জনাম আৰু তাৰ লগে লগে এটা কথা মই আপোনাৰ জৰিয়তে জলসম্পদ মন্ত্ৰী মহোদয়ক কব বিচাৰো যে, MNR ৰ যিটো Fund আমি দেখিছো প্ৰায়ে একাংশ contractor মতে খৰছ হয়। এইটো সৰু এটা পুঁজি থাকে, Division বিলাকত আৰু সেই MNR ৰ Fund টো contractor সকলে যেতিয়া গড়াখহনীয়া আৰম্ভ হয় বা প্ৰবল বৈন্যাক যেতিয়া নদী ভাগিবলৈ ধৰে বা আকস্মিক সমস্যা এটাৰ সৃষ্টি হয় তেতিয়া এই পুঁজিটো একাংশ contractor য়ে কৈ দিয়ে Division ক বা SO সকলক যে এনেকৈ ধৰিলে লয়, ইয়াত ২০-৩০ লাখ এই পুঁজিটো এনেকৈ খৰছ কৰিব পাৰি। তাত আমি দেখিছো যে বাহঁৰ এটা temporary protection ৰ কাৰণে বাঁহ কিছুমান একেলগে কাটি আনি বোজা বান্ধি নদীৰ পাৰত দীঘল কৈ পেলায় তেওঁলোকৰ concept টো হ'ল যে বাঁহ বিলাক এনকৈ বোজা বান্ধি যেতিয়া পেলাব পানীটো আহি এই বাঁহৰ বোজাটোত খুণ্ডা খাই divert হব, পাৰত খুণ্ডা নিদিব আৰু যিটো ৰছীৰে বান্ধি থয় অলপ পিছত ৰছীটো চিগি বাঁহ কেইটা উঠাই লৈ যায়। নামনিত তেওঁলোকে SO ৰ মানুহ ৰখাই থয়। বাঁহ কেইটা যেতিয়া চিগি পানীয়ে উটাই লৈ যাব, তাত আকৌ ধৰা মানুহ আছে। ধৰি আকৌ সেই কেইটা বাঁহ ট্ৰাকেদি আনি আছে। আকৌ অলপ পিছত ৰছী চিগি গ'ল, আকৌ আনি আছে। একে কেইদাল বাঁহ দি ১৫-২০ বাৰ ট্ৰাকেদি আনিব আৰু হিচাপ হ'ব যে ৫০ টা বাঁহ প্ৰথম দিছিলো, পিছত আকৌ ৫০ টা। এই ৫০ টা বাঁহ নামনিত ধৰা মানুহো আছে। ধৰি বাৰে বাৰে এই কেইটাই আনিব আৰু আনি ইয়াত ২০-

৩০ টাকৈ হিচাপ হ'ব। MNR ৰ টকা বিলাক এনেকৈ খৰছ হয় আমি এইবিলাক বহুত দেখিছো। সেই কাৰণে হয় কি আকস্মিক ভাৱে যে মথাউৰি ভাগি যায় বা গড়াখহনীয়াৰ protection ৰ কাৰণে এই টকা কেইটাৰ কোনো হিচাপ নাথাকে। আৰু পিছত যদি তাত Estimate Committee বা PAC Committee য়ে চাব যায়, কব যে বানপানীয়ে উটাই লৈ গ'ল ইয়াত ৬০-৭০ লাখ টকা খৰছ হৈছে। চাবলগীয়াও নাই। গতিকে এইখিনি মই শেষ কৰিছো। মোৰ অনুৰোধ থাকিব জলসম্পদ মন্ত্ৰী মহোদয়লৈ যে MNR ৰ পুঁজিটো যদি যথাৰ্থ ভাবে, বাস্তৱ সন্মত ভাৱে খৰছ কৰে হয়তো অলপ protection ৰ কাম হলে হয়। ঠিকাদাৰৰ কথামতে নকৰি division য়ে তেওঁলোকৰ নিজস্ব technique মতে যদি কৰে, অলপ protection ৰ এটা কাম হব। সদৌ শেষত মই পুনৰবাৰ বান আৰু গড়াখহনীয়াটোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে National Calamity হিচাপে declare কৰাৰ কাৰণে, চৰকাৰে আৰু বিধান সভাই আমি প্ৰস্তাৱটো দি কেন্দ্ৰীয় চৰকাৰক সৈমান কৰাৰ কাৰণে যাতে চেষ্টা হাতত লয়, তাৰ কাৰণে চৰকাৰক অনুৰোধ জনাই মোৰ বক্তব্য এইখিনিতে সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় বিধায়ক শ্ৰী বিনন্দ কুমাৰ শইকীয়া।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া, (চিপাঝাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিৰোধী পক্ষই জলসম্পদ বিভাগৰ ওপৰত যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ বিৰোধিতা কৰি মই দুটামান কথা কব বিচাৰিছো। ইতিমধ্যে বহু কেইগৰাকী মাননীয় বিধায়কে জলসম্পদ বিভাগৰ ওপৰত ভালে সেইখিনি গুৰুত্বপূৰ্ণ কথা কৈছে। মই দেখিছো যে, বিৰোধী পক্ষৰ সন্মানীয় সদস্য কেইবাগৰাকীয়েও মূল্যবান পৰামৰ্শ কিছুমান দিছে। মোৰ বহুত কবলগীয়া নাই। যিহেতু সময়ো কম আছে কিন্তু তাৰ মাজতে মই দুটামান কথা কৈছো। প্ৰায় দুই-তিনি গৰকী মাননীয় বিধায়কে কৈছে যে এই জলসম্পদ বিভাগটো পূৰ্বতে এইটো Flood Control Department বুলি কৈছিল বান নিয়ন্ত্ৰণ। তাৰো আগত সেই Department টোৰ নাম আছিল END Department (Embakement and Drain) অৰ্থাৎ মথাউৰি আৰু নলা। তাৰ পিছত আহিলে বান নিয়ন্ত্ৰণ বিভাগ আৰু এতিয়া আহিছে জলসম্পদ বিভাগ। তাৰমানে বিপদৰ পৰা উদ্ধাৰ হৈ এই পানীক সম্পদ হিচাপে কেনেকৈ ব্যৱহাৰ কৰিব পাৰি, এতিয়া সেই কথাটোৰ কাৰণে বোধকৰো নাম সলনি হৈ আহিছে। নাম সলনি হৈছে কিন্তু আমাৰ যিটো বিপদ আছিল, সেই বিপদৰ কামটো সলনি হোৱা নাই। নামটো সম্পদলৈকে আহিল, কিন্তু কামটো থাকিল সেই END পৰ্য্যায়তে। Embakement and Drain. মথাউৰি আৰু নলা পৰ্য্যায়তে আমাৰ কথাখিনি থাকি গ'ল। বানপানী প্ৰতিবছৰে আহে কিন্তু দেখা গৈছে তিনি, চাৰি, পাঁচ বছৰৰ মূৰে মূৰে একোটা একোটা বৃহৎ বানপানী হৈছে। যি বানপানীয়ে, আমাৰ যিমান বিলাক বিভাগে বিভাগে যিমান বিলাক Development ৰ কাম হৈছে, আগৰ চৰকাৰ বিলাকেও যিবিলাক কাম কৰিছিল বা আমাৰ এতিয়া চৰকাৰে যিবিলাক কাম কৰিছে এই Development ৰ process টোত এটা সাংঘাতিক আঘাত হৈছে। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, যিমানখিনি আগুৱাই যোৱা যায়, এই বানপানীয়ে তাত আকৌ আমাৰ এনে এটা পৰ্য্যায়লৈ লৈ আহে যে আমি বহুত কথা আকৌ নতুনকৈ চিন্তা কৰিবলগীয়া হয় আৰু বহুত কথা নতুনকৈ আৰম্ভ কৰিবলগীয়া হয়। আগতে এটা খেল আছিল জখলা আৰু সাপৰ। তেনেকুৱা উন্নয়নৰ জখলাত আমি উঠি গৈ থাকো বিভিন্ন ধৰণৰ টকা-পইচা ধাৰ্য্য কৰে আৰু গৈ গৈ বানপানী টোৱে সাপৰ নিচিনাকৈ গিলি আকৌ আগৰ পৰ্য্যয়লৈ লৈ আহে। এতিয়া ঠিক ৯৯ ৰ ঘৰটো পোৱাৰ পাছতে আকৌ ৭ নম্বৰ ঘৰটোলৈকে লৈ আহে। এতিয়া এই

পদ্ধতিটোৰ পৰা কেনেকৈ পৰিত্ৰাণ পাম। মই দেখিছো যে এই বানপানীৰ কাৰণে আমাৰ মাথাউৰিৰ যিটো ব্যৱস্থা, এগৰাকী সন্মানীয় বিধায়কে কৈছে যে, আগতে মাথাউৰিৰ ব্যৱস্থাটো নাছিল তেতিয়া মাটি পলসুৱা হৈ গৈছিল চাৰিওফালে। বোধকৰো মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কৈছিল। তেতিয়া চাৰিওফালে পানীখিনি বাগৰি গৈছিল, মাটিত পলশ পৰিছিল, খেতিবাতিও ভাল হৈছিল। কিন্তু যেতিয়াৰ পৰা মথাউৰিৰ ব্যৱস্থাটো আহিল, সেই মথাউৰিৰ ৰক্ষণা বেক্ষণ, মেৰামতি এইবোৰ কথা তাৰ লগত জড়িত হৈ গ'ল আৰু যিটো নলাৰ ব্যৱস্থা আছিল পানীৰ যিটো সোত আহে, পানীৰ সোঁতো যাবলৈ এটা পথ লাগিব। আগতে আমাৰ এনেকুৰা চৰকাৰী দোঙ ব্যৱস্থা আছিল, এনেকুৰা কিছুমান প্ৰাকৃতিক নলা আছিল যিবিলাকেৰে পানীৰ সোঁততো বৈ যাব পাৰিছিল। পানীৰ সোঁততো এনেকুৰা জলাশয়ত গৈ পৰিছিলে, কৰবাত ডাঙৰ বিল আছিলে। এতিয়া কালক্ৰমত সেইবিলাক বহুত ঠাইত বে-দখল হ'ল, বহুত ঠাইত তাৰ ওপৰত ঘৰ বনালে, বহুত ঠাইত বেলেগ বেলেগ ধৰণৰ কংক্ৰিতৰ কিবা কিবি সজা হ'ল যাৰ কাৰণে এই নলা বিলাকো নাই সেই বিল বিলাকো নাই। এই প্ৰাকৃতিক যিবিলাক দোঙআছিলে সেইবিলাকো নাই, নিজৰা বিলাকো নাই আৰু গৈ কি হৈছে যে, এতিয়া মানুহৰ ঘৰ পানীয়ে ডুবাই পেলাইছে আৰু মানুহ সৰ্বস্বান্ত হৈছে, মানুহে মাথাউৰিত উঠি ওখ ঠাই বিচাৰি গৈছে, নিজৰ আপোন ঘৰখন হেৰুৱাইছে। যিখিনি পৈতৃক সম্পত্তি আছিল সেইখিনি ধ্বংস হৈছে। মানুহৰ এনেকুৰা সমস্যা আজি হৈছে। মই সমস্যা খিনিৰ কথা বেছিকৈ ক'ব নাজাও কাৰণ এইখিনি সমস্যা আমি সকলোৰে দেখিছো। মোৰ নিজৰ বিধান সভা সমষ্টিতো এটা বানপীড়িত সমষ্টি আৰু বহুত নদী আছে। আজি মই ব্ৰহ্মপুত্ৰৰ লগত মোৰ সমষ্টিতো লগা-লগি হৈ আছে। ব্ৰহ্মপুত্ৰৰ পাৰত, মোৰ সমষ্টিত নৈনৈ নামৰ এখন নদী আছে যিখন অতি খৰস্ৰোতা আৰু খুব ভয়ংকৰ ভাবে আহে। এইবাৰো দুইঠাইত নৈনৈ নদীৰ মাথাউৰি ভাগিছে। ব্ৰহ্মপুত্ৰৰ ৰিংবান্ধ ভাঙি এইবাৰ কুৰুৱা নামৰ যিটো অঞ্চল আছিল য'ত শাক-পাছলিৰ খেতি হয়, গুৱাহাটীলৈ সেই শাক-পাছলি আহে। সেই কুৰুৱা অঞ্চলটো এইবাৰ বানে সাংঘাতিক সংহাৰ মূৰ্ত্তি ধৰি শেষ কৰি পেলাইছে। মানননীয় মন্ত্ৰী ডাঙৰীয়াই জানে। যিদিনা কুৰুৱাৰ মথাউৰি ভাঙিছে, মানননীয় মন্ত্ৰী ডাঙৰীয়াই ফোন কৰি মোক খবৰ লৈছে, মই ধন্যবাদ জনাইছো যে তেওঁ অন্তত এইখিনি সজাগ হৈ আছে আৰু তেনেকুৱাকৈ মোৰ ডিপিলা নামৰ নদী আছে, তাৰ ওপৰেদি পানী বাগৰিছে। কালপানী নামৰ নদী আছে, শাকতোলা নদী আছে। শাকতোলা নদীখন, মংগলদৈ সমষ্টিৰ মাননীয় বিধায়ক শ্ৰী গুৰুজ্যোতি দাস আৰু মোৰ সীমামূৰীয়া। বৰনদী খন আছে যিখন কমলপুৰ আৰু জালুকবাৰী মোৰ সমষ্টিৰ লগত সীমামূৰীয়া। ইমান কেইখন নদীত পানী আহে আৰু মোৰ সমষ্টিটো এটা বানপীড়িত সমষ্টি বুলি এতিয়ালৈকে জনাজাত হৈ আহিছে আৰু প্ৰতি বছৰে আমি এই বানপানীৰ সমস্যাত আমি জুৰুলা হৈ আহিছো। এই যিটো সোঁত আহে, মথাউৰি বিলাক যেতিয়া বনাইছিলে তাৰ পাছত এই মাথাউৰি বিলাক মেৰামতিৰ যিটো প্ৰক্ৰিয়া, সেইটো আমাৰ মাননীয় সদস্য সকলে কৈছে যে এই মাথাউৰিটো অতি দুৰ্বল, মেৰামতি হোৱা নাই। আজি বহু বছৰ ধৰি আৰু এই মাথাউৰি বিলাকত জংঘল হয়। তাত পানীৰ সময়ত seepage ওলায়। যোৱাকালি এগৰাকী মাননীয় বিধায়িকাই কৈছিলে যে তাত এন্দুৰৰ আৰু শিয়ালৰ গাঁত হৈছে যিটো ধৰিব নোৱাৰে। সেইবিলাকেৰে পানীখিনি সোমায় আৰু শেষত গৈ মথাউৰিটো ছিঙি যায়। এই পুৰণি মথাউৰি সমূহৰ মেৰামতিৰ ব্যৱস্থা তাৎক্ষণিকভাৱে ল'ব লাগে যাতে বানপানীৰ বিভীষিকাটো কমে। বানৰ বিভীষিকাটো কমাৰ লগে-লগে আমাৰ যি লোকচান হয়, তাৰ পৰা পৰিত্ৰাণ পাম। এই দুটা পৰ্য্যায়ত যদি বিভাগটো আগবাঢ়ে মই ভাৱো তেতিয়া ৰাইজৰ দুৰ্গতিতো

কমিব। ইয়াৰ উপৰিও মই ভাৱো যে মথাউৰি নিমাৰ্ণৰ যিটো পদ্ধতি চলি আছে তাত অলপ আসোঁৱাহ আছে। এইটো মাননীয় মন্ত্ৰী ডাঙৰীয়ালৈ আপোনাৰ জৰিয়তে মোৰ পৰামৰ্শ যে মথাউৰি নিৰ্মাণ কৰোতে তাত Rollar ব্যৱহাৰ কৰিব পাৰি নেকি? আমাৰ Water Resource Department ৰ মথাউৰিবিলাক নিৰ্মাণ কৰোতে কোনো Rollar বা Vibrator Rollar ব্যৱহাৰ কৰা নহয়। মাটিটো দিয়াৰ পিছত মানুহ অহা-যোৱা কৰোতে যিটো compression হয়, তেনেদৰে থাকি যায় আৰু সেইকাৰণে এই মথাউৰিবিলাক সোনকালে ভাঙি যোৱাৰ আশংকা বেছি। মই ভাৱো মথাউৰিবিলাক ভাঙি যোৱাৰ এইটো এটা অন্যতম কাৰণ। যেতিয়া এখন Estimate বনায়, এই Rollar ব্যৱহাৰ কৰি মথাউৰি বনোৱাৰ ব্যৱস্থাটো কৰিব পাৰি নেকি? এইটো মাননীয় মন্ত্ৰী ডাঙৰীয়ালৈ মোৰ এটা পৰামৰ্শ আৰু অনুৰোধ।

দ্বিতীয়তে, নৈ-পৰীয়া যিবিলাক অঞ্চল আছে য'ত মথাউৰিৰ ওচৰত মানুহ আছে সেইবিলাক অঞ্চলত বানপানী হোৱাৰ আগে-আগে খৰালি দিনতে এখন ৰাজহুৱা সমিতি Water Resource Department ৰ জৰিয়তে কৰিব পাৰি নেকি, যাতে বানপানীৰ লগত মোকাবিলা কৰিবলৈ ৰাইজৰ সহযোগত কিছুমান ব্যৱস্থা ল'ব পৰা যায়। মই এই কাৰণেই কৈছো কাৰণ বানাপানীৰ সময়ত Water Resource Department ৰ কৰ্মচাৰী সকলে গৈ কেতিয়াবা শাৰিৰীকভাৱে অপদস্থ হ'বলগীয়া হৈছে। এইটোৰ পৰা পৰিত্ৰাণ পোৱাৰ লগতে বানাপানী প্ৰতিৰোধৰ কাৰণে ৰাইজক জড়িত কৰি Water Resource Department য়ে যদি এখন সমিতি বনায়, তেতিয়া মই ভাৱো বিভাগে আগতীয়াকৈ ক'ত মথাউৰি ভাঙিব সেইবিলাক গম পাব আৰু তাৰ প্ৰতিৰোধৰ ব্যৱস্থা ল'বলৈ এটা সুযোগ পাব।

উপাধ্যক্ষ মহোদয়, মোৰ আন এটা পৰামৰ্শ আছে। বিভাগৰ শাখা সমূহৰ ভিতৰত এটা সমন্বয় স্থাপন কৰিব লাগে। আজি যদি কৰবাত sluice gate এখন আছে, civil য়ে সেয়া নকৰে। গতিকে mechanical আৰু civil ৰ বহু সময়ত সামঞ্জস্য দেখা নাযায়। তাৰবাবে এটা সমন্বয়ৰ প্ৰয়োজন। তাৰ লগতে অন্যান্য জড়িত বিভাগ যেনে গড়কাপ্তানী, Irrigation বিভাগ আছে সেই সমূহৰ লগতো সমন্বয়ৰক্ষী সমিতি এখন জলসম্পদ বিভাগে কৰিব লাগে যাতেসময়ত আটাইবিলাকে একেলগে বানপানীৰ প্ৰতিৰোধৰ কামত লাগিব পাৰে।

উপাধ্যক্ষ মহোদয়, মোৰ এটা শেষ পৰামৰ্শ আছে। প্ৰধানমন্ত্ৰী ডাঙৰীয়াই rain water harvesting ৰ কথা কৈছে। বিশ্বৰ কেইবাখনো দেশত flood water harvesting ৰ কিছুমান আঁচনি আহিছে আৰু সেইবিলাকৰ জৰিয়তে Water Refinery বনাই তাৰ পৰা আকৌ বিভিন্ন ধৰণৰ product উলিয়াই জলসম্পদৰ সদ ব্যৱহাৰ কৰিছে। বিদেশৰ এনেকুৱা কিছুমানৰ উদ্যোগ আছে যিসমূহে Middle East ত তেনেকুৱা কাম কৰিছে । মোৰ বন্ধু এগৰাকী আছে যিজন অসমৰে এজন NRI, তেওঁ USA ত থাকে, তেওঁ মোক কৈছিলে যে যদি মাননীয় মন্ত্ৰীয়ে কথা পাতিব বিচাৰে, আমি পৰবৰ্তী সময়ত কথা পাতিম। আন এটা কথা হৈছে যে কামটো আৰম্ভ কৰিলেহে কেতিয়াবা শেষ হ'ব। আজি যদি আমি জলসম্পদৰ কামটো আৰম্ভ কৰি যাওঁ হয়তো ১০ বছৰ পিছত বা আমাৰ উত্তৰ পুৰুষ সকলে তাৰ পৰা পৰিত্ৰাণ পাব। ইয়াৰ লগতে আমাৰ যি তাৎক্ষণিক ব্যৱস্থা সেইবিলাক নিশ্চয় থাকিব।

মই উপাধ্যক্ষ ডাঙৰীয়াক ধন্যবাদ জনাইছো যে তেওঁ মোক এইখিনি ক'বলৈ সুযোগ দিলে। মই অসমৰ বিত্ত মন্ত্ৰী ডাঙৰীয়া আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জনাইছো যে বানাপানীত তেখেতসকলে নিজে গৈ বানপীড়িত লোকসকলৰ দুখ-দুৰ্দশাৰ খবৰ লৈছে। বানপীড়িত ৰাইজৰ

এনেদৰে খবৰ লোৱা এইটো এটা নজিৰ বিহীন ঘটনা। ৰাইজে যথেষ্ট ভাল পাইছে। ইয়াৰ উপৰিও আমি দেখিছো যে ৰাইজে তাৎক্ষনিকভাৱে Relief ৰ সুবিধা পাইছে। দুই এগৰাকী বিধায়কে অভিযোগ কৰিছে যে কৰবাত ভালদৰে Relief পোৱা নাই বুলি। এইবোৰ ১০০ টাৰ ভিতৰত এটা ঘটনা। হয়তো কৰবাত এনেকুৱা হ'ব পাৰে। কিন্তু দেখা গৈছে যে ১০০ টাৰ ভিতৰত ৯৯ টাতে ভাল কাম হৈছে আৰু ৰাইজে কৈছে যে চৰকাৰে দিয়া বস্তুখিনি তেওঁলোকে পাইছে। এইটো এটা ভাল কথা। ইয়াৰ কাৰণে মই আমাৰ অসম চৰকাৰ তথা মাননীয় জলসম্পদ মন্ত্ৰী তথা মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাই মোৰ কথাখিনি সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী শুকুৰ আলী।

**শ্ৰী শুকুৰ আলী (চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়া Grant No 63, জলসম্পদ বিভাগৰ পৰিপূৰক দাবী মঞ্জুৰী ৬০,০০০ লাখ টকা আনিছে আৰু সেই প্ৰস্তাৱৰ ওপৰত আমি কৰ্তন প্ৰস্তাৱ আনিছো। এইটো এটা নিয়ম। আলোচনাৰ বাবে এটা সুযোগ। ইয়াতে পৰিপূৰক দাবী মঞ্জুৰী তিনিটা শিতানত অনা হৈছে - Flood Damage Restoratio, Central Share FMP, Aditional State Share FMP. এই গোটেইখিনি টকা অতি দৰকাৰী। আজি এই সদনখন এনেকুৱা এটা সময়ত অনুষ্ঠিত কৰা হৈছে যিটো সময়ত সমগ্ৰ অসমত প্ৰবল বানপানী আৰু গৰাখহনীয়া চলি আছে। গতিকে অসমৰ ৰাইজে এই সদনখনক চাই আছে বিধানসভাই দুৰ্গত বান পীড়িত ৰাইজৰ কাৰণে কি সিদ্ধান্ত লয়। মই ভাৱো এইবাৰৰ বানপানী মোৰ জীৱনত দেখা আটাইতকৈ ডাঙৰ বানপানী। এই বানপানীত যথেষ্ট ক্ষতি হৈছে। বিভিন্ন বিভাগ যেনে গড়কাপ্তানী বিভাগ, কৃষি বিভাগ, মীন বিভাগকে ধৰি সকলো বিভাগকেই প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে এই বানপানীয়ে চুই গৈছে। যিহেতুকে আমাৰ আলোচনাটো হৈছে জলসম্পদ বিভাগৰ ওপৰত, এই বিভাগ ১৯৫২ চনৰ আগতে ব্ৰহ্মপুত্ৰৰ বানপানী নিয়ন্ত্ৰণৰ তেনেকুৱা ধৰণৰ কোনো ব্যৱস্থা নাছিলে। ১৯৫২ চনৰ পৰা প্ৰথম গড়কাপ্তানী বিভাগৰ জৰিয়তে কামবোৰ আৰম্ভ কৰা হৈছিল। তাৰ পিছত ফ্লাড কণ্ট্ৰোল বিভাগ কৰা হ'ল, জলসম্পদ বিভাগ কৰা হ'ল। যদিও ফ্লাড কণ্ট্ৰোল বিভাগ কৰা হ'ল বাস্তৱ ক্ষেত্ৰখনত দেখা গ'ল যে ১৯৫২ চনৰ পৰা যিমানবোৰ আঁচনি বান নিয়ন্ত্ৰণৰ কাৰণে গ্ৰহণ কৰা হৈছে, গড়াখহনীয়া হোৱা কৰ'বাত প্ৰতিৰোধ কৰা হৈছে আকৌ কৰ'বাত গড়াখহনীয়া হোৱা ঠাইত মথাউৰি নিৰ্মাণ কৰাৰ কাৰণে বেলেগ ঠাইলৈ সেই পানী গতি কৰিছিল। তেনেকুৱা এটা অৱস্থাৰ মাজেৰে আজি আমি আহি পাইছো। গতিকে বানপানীৰ কাৰণে যি ব্যৱস্থা ইমানদিনে কৰা হৈছে, ১৯৫৬ চনৰ পৰা মথাউৰি নিৰ্মাণৰ কাম আৰম্ভ হৈছে। হয়তো সেই সময়ত বিশেষজ্ঞ সকলে ভাৱিছিলে যে মথাউৰি নিৰ্মাণৰ জৰিয়তে অসমৰ বানপানী নিয়ন্ত্ৰণ কৰিব পৰা যাব। কিন্তু আজি দেখা গৈছে যে সেইটো সম্ভৱ নহ'ল। তাৰবাবে আজি অসমৰ বহু ৰাইজে কয় মথাউৰি ভাঙি আগৰ নিচিনা কৰি দিব লাগে। ইয়াত দীৰ্ঘম্যাদী কোনো ধৰণৰ আঁচনি নোলোৱাকৈ যিবিলাক হ্স্বম্যাদী আঁচনি চলি আছে সেইবিলাক চলাই যাব লাগিব। বিশেষকৈ বানপানীয়ে যিটো ভয়াৱহ ৰূপ লয় দুটা কাৰণত লয়। এটা হ'ল যে পূৰ্বাঞ্চলত মৌচুমীৰ প্ৰভাৱ আছে, মৌচুমী যেতিয়া আহে বৰষুণ হয়, নৈ-উপনৈ সকলো ভৰি পৰি বানপানীৰ সৃষ্টি হয়। বানপানী যেতিয়া বেছি হয় দেখা যায় যে মথাউৰিৰ একফালে ৫-৭ ফুট পানী ওপৰত আৰু আনফালে ৫-৭ ফুট পানী তলত। পানীৰ প্ৰৱল হেচাঁত এই মথাউৰি বিলাক চিঙি যায়।

**(Hon'ble Speaker in the Chair)**

আৰু এটা কাৰণ হৈছে গড়াখহনীয়া। ই বানপানীতকৈ কম গুনে ভয়াৱহ নহয়। এই গড়াখহনীয়াত বহুতো মথাউৰি বানপানী নোহোৱাকৈ ছিগে। গতিকে এই গড়াখহনীয়া প্ৰতিৰোধ আমি কৰিব লাগিব। কাৰণ ই এক জটিল সমস্যা। গড়াখহনীয়াৰ ফলত যোৱা ৫ বছৰে অসমৰ প্ৰায় ১২ লাখ বিঘা মাটি নদীৰ বুকুত জাঁহ গৈছে। সেয়ে ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে আঁচনি ল'ব লাগে। যিবোৰ আঁচনি ইমানদিনে লোৱা হৈছে, এচ ডি আৰ এফ ৰে কিছু কাম কৰা হয় কিন্তু সেই আঁচনি বিলাকেৰে গড়াখহনীয়া প্ৰতিৰোধ নহয়। আজি এফ এম পি আঁচনিৰ যিটো ষ্টেট চেয়াৰ আনিছে, বাতৰি কাকতত প্ৰকাশ পোৱা মতে এই ষ্টেট চেয়াৰ নিদিয়াৰ কাৰণে কেন্দ্ৰই পইচা দিয়া নাই। আমি ষ্টেট চেয়াৰ দি কেন্দ্ৰৰ পৰা পইচা আনিব লাগিব। আজি কেইবা বছৰে এফ এম পি ৰ কোনো ধৰণৰ আঁচনি ইয়াত গ্ৰহণ কৰা হোৱা নাই। এটা মাত্ৰ আঁচনি গ্ৰহণ কৰা হৈছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো এই গড়াখহনীয়া নিয়ন্ত্ৰণ কৰিবলৈ মথাউৰি শক্তিশালী কৰাৰ ব্যৱস্থা লওঁক। যোৱা বানপানীত অসমৰ ৩০ ঠাইত মথাউৰি ছিগিছে আৰু বহু ঠাইত ছিগাৰ উপক্ৰম হৈছে। মোৰ সমষ্টিৰ ৩৪ খন ঠাইত **seepage** হৈছিল, ৭ ঠাইত ভয়াৱহ ৰূপ লৈছিল, তিনি ঠাইত অতি ভয়াৱহ ৰূপ লৈছিল। যদি আৰু ৬ ঘণ্টা বা ১২ ঘণ্টা পানী বাঢ়ি থাকিলহেঁতেন তেনেহ'লে ভয়ংকৰ ৰূপ ললেহেঁতেন যে বৰপেটা জিলাৰ পূব অঞ্চলৰ পৰা বৰপেটা চহৰ পাৰ কৰি বেকী নদী গৈ ব্ৰহ্মপুত্ৰত পৰিলে হেঁতেন। গতিকে এই মথাউৰি বিলাক অতি সোনকালে শক্তিশালী কৰিব লাগে যাতে বানপানীৰ সময়ত এনেকুৱা এক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ ব্যৱস্থা ল'বৰ কাৰণে অনুৰোধ জনালো। যোৱা দুটা বিধান সভা অধিবেশনত বৰপেটা জিলাৰ মোৰ সমষ্টিৰ বহৰি, চেনীমাৰীৰ ভয়ংকৰ গড়াখহনীয়াৰ কাৰণে এই সদনত মন্ত্ৰী মহোদয়ে আশ্বস্ত কৰিছিল। বহৰি, চেনীমাৰী অঞ্চলত মথাউৰি ৫০ মিটাৰ, ১০০ মিটাৰ, ২০০ মিটাৰ আছে। এই মথাউৰি যদি গড়াখহনীয়াৰ ফলত ছিগি যায় বৃহত্তৰ অঞ্চলত হাহাকাৰৰ সৃষ্টি হ'ব। গতিকে ইয়াত প্ৰটেকশ্যনৰ কাৰণে আপুনি এটা ব্যৱস্থা ল'ব বুলি আশ্বস্ত কৰিছিলে। মই আশা কৰিছো আপুনি এইবাৰ ব্যৱস্থা গ্ৰহণ কৰিব। বাতৰি কাকতত পঢ়িবলৈ পাইছো যে যি ২৬৮ খন আঁচনি গ্ৰহণ কৰা হৈছে তাৰে ১৫০ খন আঁচনিয়েই এচ ডি আৰ এফ ৰ সম্পূৰ্ণ হোৱা নাই। যাৰ কাৰণে তেতিয়াই এটা আশংকা কৰা হৈছিল যে এইবাৰ বানপানীত মথাউৰি ছিগি ভয়ংকৰ ৰূপ ল'ব। যদি বিভাগে অতি তৎপৰতাৰে কাম কৰিলে হেঁতেন তেনেহ'লে হয়তো ৩০ টা মথাউৰি নিছিগিলে হেঁতেন। এইবাৰ যিহেতু সোনকালে বানপানী হৈছে গতিকে আকৌ আগষ্ট, চেপ্তেম্বৰ মাহত বানপানী আহিব পাৰে। আমি বাস্তৱ অভিজ্ঞতাত দেখিছো যে আগতীয়াকৈ বানপানী আহিলে আকৌ পিছত বানপানী আহে। গতিকে মাজত যেতিয়া পানী শুকাব চিপেজ হোৱা মথাউৰি বিলাক শক্তিশালী কৰিব লাগে যাতে আকৌ বানপানী হ'লে ভয়ংকৰ ৰূপ নলয়। আমাৰ নামনি অসমত আপোনালোকে জানে যে মাজে মাজে ৰেড এলাৰ্ট জাৰি কৰে। ভূটানৰ কুৰিশ্বু নদীৰ বান্ধৰ পানী এৰিলে ভয়ংকৰ বানপানীৰ সৃষ্টি হয়। এইবেলিও হাই এলাৰ্ট জাৰি কৰোতে দুটা ৰাতি মানুহৰ টোপনি নাই, আতংকত কটাব লগীয়া হৈছে। কুৰিশ্বু নদী হৈছে ৬০ মেগাৱট ক্ষমতা উৎপাদন কৰিব পৰা প্ৰজেক্ট বুলি আমি শুনিছো। বিদ্যুত আমাক লাগিব কিন্তু নামনি অসমত যি ক্ষতি হ'ব এই বিষয়ে এটা অধ্যয়ন কৰাৰ প্ৰয়োজন আছে আৰু প্ৰতিকাৰৰ উপায় উদ্ভাৱন কৰা উচিত। গতিকে এই বিষয়ে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। ভূটানৰ বান্ধে নামনিত কি প্ৰভাৱ পেলাব এই বিষয়ে এটা অধ্যয়ন কৰা হওঁক আৰু ব্যৱস্থা লোৱা হওঁক। এতিয়া প্ৰচাৰ হৈছে যে ভূটানৰ বান্ধৰ কাৰণে নামনি অসমৰ ধুবুৰী, বৰপেটা জিলা ধ্বংস হৈ যাব। গতিকে যাতে নামনি অসম ধ্বংস নহয়, তাক ৰক্ষা কৰিবৰ কাৰণে মই চৰকাৰৰ

দৃষ্টি আকৰ্ষণ কৰিছো আৰু মই মোৰ বক্তব্য সামৰনি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী প্ৰশান্ত ফুকন।

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি জলসম্পদ বিভাগৰ ওপৰত বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱ আনিলে, সেই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই কেইটামান সাৰমৰ্ম সদনত আপোনালোকৰ আগত জনাব বিচাৰিছো আৰু মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আজি ইয়াত বহি থাকোতে মোৰ দুটা কথা বৰকৈ মনত পৰিছে। এটা হ'ল জয়ন্ত হাজৰিকাৰ 'লুইতৰ বলিয়া বান, কলৈনো ঢাপলি মেলিছ', দ্বিতীয়তে শৰৎ সিনহা ডাঙৰীয়াই এই পবিত্ৰ সদনত কৈছিল যে আমি পানীৰ লগত সহবাস কৰিবলৈ শিকিব লাগিব। সেই দুইটা কথা আগত ৰাখি আগন্তুক দিনত বছৰে বছৰে আহি থকা এই বিপদৰ কাৰণে আমি কি ধৰণে ব্যৱস্থা ল'ব লাগিব তাৰে কেইটামান কথা মই সদনক জনাব বিচাৰিছো। প্ৰথম কথা হ'ল আজি আমাৰ এই বৃহৎ ব্ৰহ্মপুত্ৰখন অসমৰ মাজেৰে যি ৬৪০ কি.মি. বৈ গৈছে তাৰে ডিব্ৰুগড় ৰৌমৰিয়ালৈকে আমি ব্ৰহ্মপুত্ৰখনক এটা খৰস্ৰোতা নদী হিচাপে ধাৰ্য্য কৰা যায়। সেইখিনিলৈ নৈ খন খৰস্ৰোত হিচাপে বৈ আহে আৰু তাৰ পাছতে যেতিয়া সমতল ভূমি পাই এই সমতল ভূমিত ডিব্ৰুগড়েই প্ৰথম আৰম্ভ হয় তাৰ ৰুদ্ৰমূৰ্ত্তি। যোৱা ৫০ বছৰ মই এই ৰুদ্ৰমূৰ্ত্তি ডিব্ৰুগড়ত দেখি আহিছো। বিভিন্ন ধৰণে আজি ব্ৰহ্মপুত্ৰই ডিব্ৰুগড়ক ক্ষতি কৰি আহিছে। আজি আপুনি শুনি আচৰিত হ'ব ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ যিটো লেভেল তাতকৈ ডিব্ৰুগড় চহৰখন ৩ ফুট তলত আছে। মথাউৰিটো ভাঙিলেই ডিব্ৰুগড়ৰ ২ লাখ মানুহ মৰাৰ কোনো কাৰণ নাথাকিব, ২ লাখ মানুহ মৰিব। এনেকুৱা এটা অৱস্থাত তথাপি ডিব্ৰুগড়ত আমি সেই ব্যৱস্থা কৰি ৰাখিছো। এতিয়া আটাইতকৈ ডাঙৰ কথা হ'ল কি কাৰণে আমাৰ ইয়াত বানপানী হৈছে, আজি যদি আমি সৰল ভাষাত বুজাই দিব যাও ৪৫৫ লাখ ট্ৰাক বছৰি বালি পৰে এই ব্ৰহ্মপুত্ৰত, আমাৰ এই ৬৪০ কি. মিটাৰ এলেকাত। প্ৰত্যেক বছৰত ৪৫৫ লাখ ট্ৰাক বালি পৰাৰ পিছত ব্ৰহ্মপুত্ৰৰ যিটো সোঁত ৪৮০০০ কিউবিক পানী বহন যিটো, বৈ আহে সেই পানী বৈ অহাৰ পিছত যেতিয়া সমতল ভূমি পাই দ ঠাইডোখৰ নাপায় তেতিয়া পানীবিলাক তাৰ velocity টো বাঢ়ি যায়, চিনেমা হলত যেনেকৈ চিনেমা শেষ হোৱাৰ পিছত মানুহবোৰ যেনিতেনি যায়, তেনেকৈ পানীও যেনিতেনি যাবলৈ আৰম্ভ কৰে আৰু তাৰ ফলত সমগ্ৰ অসমত এই বানপানীৰ বিভীষিকাৰ সৃষ্টি হয়। সেই কাৰণে আমি কেইটামান বস্তু দৃঢ়তাৰে আমি আগবাঢ়ি যাব লাগিব। কাৰণ প্ৰথম কথা হ'ল মন্ত্ৰীমহোদয়ক মই দৃষ্টিগোচৰ কৰাইছো, আমাৰ যিটো water way ব্ৰহ্মপুত্ৰৰ যিটো basic water way আমি গোটেই ব্ৰহ্মপুত্ৰখন খান্দি দিব পাৰিব বুলি মোৰ বিশ্বাস নহয়। কিন্তু যিটো water way সেই water way টোক আমি channelised কৰাৰ ক্ষেত্ৰত মন্ত্ৰীমহোদয়ে কি ধৰণে ব্যৱস্থা গ্ৰহণ লব পাৰে এই কথাটো আজি সদনৰ মজিয়াত খুউব দৃঢ়তাৰে এই কথাটো মই আগবঢ়াই দিছো, যাতে আমি এই water way টোক ঠিক কৰি দিব পাৰো। আপুনি দেখিব water way নিজে পানী বহল কৰি নৈখন দ কৰি পেলাই যায়। কাৰণ কিছুমান ঠাইত আপুনি চাব ব্ৰহ্মপুত্ৰ ডাঙৰকৈ এটা, আজি যদি আপুনি বগীবিল দলঙৰ ওচৰত জোখেগৈ আপুনি পানী জোখে যদি ৭ মিটাৰ আছে কাইলৈ তাত ৪০ মিটাৰ। এইকথাখিনিৰ কাৰণে আমি কথাবিলাক খুব ভাল ভাৱে চাই আগবাঢ়ি যাব লাগিব। দ্বিতীয়তে, আমাৰ বুঢ়িদিহিং নৈখন, অলপ আগতে আমাৰ মন্ত্ৰী মহোদয়ে কৈছে, বুঢ়িদিহিং নৈখন পাটকা পৰ্বতৰ পৰা ওলাই আহি প্ৰায় ৭ টা সমষ্টিক চুই গৈছে। মোৰ সমষ্টিক অকণমান চুইছে, মোৰ সমষ্টিৰ কথাটো মই বাদ দিছো ৭ টা সমষ্টি চুই গৈছে। এতিয়া আমাৰ চৰকাৰে এটা আঁচনি লৈছে

৭৫৭ কোটি টকাৰ, আমি দুয়োফালে এই বৃহৎ অঞ্চলৰ মাৰ্ঘেৰিটাৰ পৰা লৈ মৰাণলৈকে, ডিব্ৰুগড়লৈকে আমি প্ৰায় দুয়োটা মথাউৰি ২০০ কি.মিটাৰ দুয়োটা মথাউৰি আৰু তাৰ ওপৰত দুটা ৬ মিটাৰ বহল এটা ৰাস্তা বনাই দিয়াৰ ব্যৱস্থাৰ কাৰণে আমি এইটো কেন্দ্ৰীয় চৰকাৰলৈ পঠিয়াইছে, সেইটো আমাৰ কেশৱ মহন্ত ডাঙৰীয়াৰ নেতৃত্বত, কেবাবাৰো দিল্লীলৈ যোৱা হৈছিল, এইটো প্ৰায় হোৱাৰ পথত। সেইটো যদি হৈ যায় আমি আপোনাক এটা কথা কৈছো ৭ টা সমষ্টিত বানপানীৰ যি সমস্যা আছে আৰু খহনীয়াৰ যিটো সমস্যা আছে সেইটো নাইকীয়া হ'ব। কাৰণ ২০০ কি. মিটাৰ, ১৮০ কি. মিটাৰ লগতে ২৭ কি. মিটাৰৰ ব'ল্ডাৰ প্ৰট্ৰেকচনৰ কাম আমি এই আঁচনিটোত ধৰিছো। এই আঁচনিটোত ধৰিলে মাৰ্ঘেৰিটাৰ পৰা লৈ আমাৰ থাওৱা সমষ্টিৰো এটা অংশ বানপানী আৰু খহনীয়াৰ সম্পূৰ্ণ নাইকীয়া হ'ব। আটাইতকৈ ইয়াৰ পৰা উদ্ধাৰ পাব মৰাণ সমষ্টিয়ে। এই ব্যৱস্থা যদি আমি হাতত ল'ব পাৰো। সেই কাৰণে আমি এই কথাখিনি খুউব ভালধৰণে যদি চিন্তা চৰ্চা কৰিব পৰা যায় নিশ্চয় আমি এইটো ভাল হ'ব আৰু এটা কথা অধ্যক্ষ মহোদয়, আমি মথাউৰিবিলাক বনাই আছো, বহুত ঠাইত মথাউৰি ধুনীয়াকৈ বনাইছে, আমি জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ৰ জৰিয়তে বিষয়া সকলক দৃষ্টিগোচৰ কৰাব খুজিছো, যে মথাউৰিবিলাকৰ কিছু মথাউৰিত বহুত মানুহৰ ঘৰ আছে, তেওঁলোকে কি কৰে মথাউৰিটোৰ পেটতো কাটি দিয়ে, পেটতো কাটি গাড়ী উঠা নমা কৰিবলৈ বা মটৰ চাইকেল উঠা নমা কৰিবলৈ সেইটো কৰি দিয়ে। মথাউৰিটো যদি আমাৰ উচ্চটা ৮ ফুট থাকে তাৰে ৪ ফুট বা ৫ ফুট তেওঁলোকে পেটতো কাটি দিয়ে। এই কাটি দিয়াৰ ফলত কি হয় যেতিয়া বানপানী আহে তেওঁলোকে নিজৰ বয়বস্তু লৈ গুচি যায় কিন্তু সেই কটা পেটতো কাটাভাগেই থাকে। তেতিয়া সেইফালেৰেও পানী বাগৰা দৃষ্টান্ত বহুত আমাৰ এই অসম ৰাজ্যত আছে। সেই কথা বিলাকে বিষয়া সকলে চোৱাৰ ব্যৱস্থা কৰিব লাগে। মই আৰু এটা কথা কৈছো এতিয়া অলপ দিনৰ আগত বিনন্দ কুমাৰ শইকীয়াই rate hole ৰ কথা কৈছে, rate hole যদি মাৰিব লগা হয় মথাউৰি বিলাক সদায় বালি আৰু মাটিৰ সংমিশ্ৰণৰে বনাব লাগিব। তেতিয়াহলেহে মথাউৰী বিলাকত rate hole নাথাকে। Rate hole ৰঙা মাটিত হয়, ৰঙামাটি এন্দুৰে কাটি ইপাৰৰ পৰা সিপাৰলৈ পাৰ কৰি দিয়ে। সেই rate hole টো থাকি যায়। কিন্তু পলসুৱা মাটি যেতিয়া হ'ব, সি যেতিয়া খান্দিব তেতিয়া মাটিখিনি লাহেকৈ বহি গৈ সেই rate hole টো নাইকীয়া কৰি দিব আৰু সেই কাৰণে আমি আজি কৈছো এই কথাবিলাক আমি খুব দৃঢ়তাৰে কৰিব লাগে। দ্বিতীয়তে, অথনি মন্ত্ৰী মহোদয়ে এটা কথা কৈছিল যে বানপানীৰ লগত যুদ্ধ কৰা।

**মাননীয় অধ্যক্ষ ঃ** Try to conclude.

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়)ঃ** বানৰ লগত যুদ্ধ কৰিব পৰা বস্তু লব লাগে। সেইটো আগতে আছিল, মাজতে বহুদিন বন্ধ হৈ গৈছিল, এতিয়া আকৌ মন্ত্ৰী মহোদয়ে এইটো আৰম্ভ কৰিছে। লগতে এটা কথা মই কলো যে চৰকাৰে ইয়াত এটা ব্যৱস্থা ল'ব লাগে, বাজেটত আৰু বেছি পইচা ধৰিব লাগে, আমাক পেট্ৰ'লাৰ খালাচী প্ৰত্যেক কি.মিটাৰ বা প্ৰত্যেক তিনি কি.মিটাৰত এজন এজনকৈ যদি আমাৰ মথাউৰি বিলাকত দিব পৰা যায়, মাত্ৰ তিনি মাহৰ বাবে জুলাই, আগষ্ট আৰু ছেপ্তেম্বৰ। তিনিমাহৰ কাৰণে পেট্ৰ'লাৰ খালাচী মাহেকত ৫ হাজাৰ টকাকৈ দি ব্যৱস্থা লওঁক আপুনি দেখিব কেতিয়াও মথাউৰিত চিপেজ নহয়। Flood fighting material থাকিব, আগৰ দিনত লেম্প কিনিছিল, টৰ্চলাইত আছিল, জোৰৰ কাৰণে কেৰ'চিন তেল কিনিছিল, বাঁহ কিনিছিল আৰু গানীবেগ কিনিছিল যেতিয়া সেই পেট্ৰ'লাৰ খালাচী বিলাক থাকে, যেতিয়া অহা যোৱা কৰি থাকিব, চকীদাৰী

কৰিব, তেতিয়া পানী যেতিয়া ভুমোক মাৰিব, পানী ওলাব তেতিয়া লগে লগে কৰিব কি তাত বস্তাদিয়াৰ ব্যৱস্থা কৰিব আৰু তেতিয়া মথাউৰীটো নাভাঙে, নভঙাৰ কাৰণে ৰাইজৰ দুৰ্গতি দূৰ হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, বুজি পাইছো। আপোনাৰ আৰু সময় নাই।

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়) ঃ** সেই কাৰণে অধ্যক্ষ মহোদয়, আৰু মই দীঘলীয়াকৈ নকওঁ, এইখিনিকে কলো আৰু মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰালো আৰু আমাৰ এইযে কৰ্তন প্ৰস্তাৱ, এই কৰ্তন প্ৰস্তাৱৰ ক্ষেত্ৰত মই বিৰোধীকো কৈছো যে আপোনালোকে উঠাই লৈ আমাৰ লগত সহযোগিতা কৰক আৰু এই ৬০০ কোটি টকাৰ লগত আৰু ৬০০ কোটি টকা দি অসমৰ মথাউৰিখিনিৰ ব্যৱস্থা আৰু খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ দুজন বক্তা এতিয়াও আছে। আমাৰ আৰু ৮ মিনিট আছে, মই সেইকাৰণে দুয়োজনক কৈছো ৫ মিনিট, ৫ মিনিটকৈ কব, উপায়টো নাই সিমানেই সময় ৰখা আছিল। এতিয়া গুনিন্দ্ৰ নাথ দাস আপুনি ৫ মিনিট আৰু তাৰ পিছত ভূৰন পেগু।

**শ্ৰী ৰাজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** নাই, নাই, আজি আৰু নক'ব, নালাগে, মন্ত্ৰীয়ে উত্তৰ দিয়াৰ পিছতো কব পাৰিব।

**শ্ৰী গুনিন্দ্ৰ নাথ দাস (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ জৰিয়তে দুটামান কথা আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব খুজিছো। আমাৰ বৰপেটা জিলাখন বান আৰু গড়াখহনীয়া সমস্যাৰে জৰ্জৰিত জিলা। কাৰণ প্ৰতি বছৰে আমাৰ চৰকাৰৰ জৰিয়তে আমি আমাৰ মতে উন্নয়ন কৰো। ৰাস্তাঘাট কৰো, বিভিন্ন আঁচনি কৰো, হস্পিটাল কৰো, কিন্তু যেতিয়া জুন, জুলাই আগষ্ট আহিব, তেতিয়া বানপানীৰ লগে লগে গৰাখহনীয়াৰ লগে লগে আমাৰ জিলা খন বিধ্বষ্ট হৈ যায়। আজি বহু বছৰ পিছত ১৯৮০ চনত হয়তো এনেকুৱা বানপানী হৈছে। এইবাৰ যিটো বানপানী ভয়াৱহ। সকলোৱে কৈছে যে এইবাৰ বানপানীটো ভয়াবহ। কিন্তু মই চৰকাৰক ধন্যবাদ দিছো, মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ দিছো, আমাৰ জলসম্পদ মন্ত্ৰীক ধন্যবাদ যাঁচিছো কাৰণ এনেকুৱা এটা প্ৰত্যাহ্বান বিভিন্ন পদক্ষেপৰ দ্বাৰা এই সমস্যাটো সমাধান কৰাৰ কাৰণে চেষ্টা কৰি আহিছে। মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ বৰপেটা জিলাত বিশেষকৈ ব্ৰহ্মপুত্ৰ, বেকী,মানাহ, পল্লা, ভেলেংগী, পহুমাৰা, কালদীয়া, চাউলখোৱা এই নৈ আৰু উপনৈ সমূহৰ জৰিয়তে বানপানীৰ সৃষ্টি হয় আৰু আমি যদি চাও বৰপেটা জিলাৰ বাঘবৰ সমষ্টি, বৰপেটা সমষ্টি, চেঙা সমষ্টি জনীয়া সমষ্টি, সৰুক্ষেত্ৰী সমষ্টি, সৰভোগ সমষ্টি, ভৱানীপুৰ সমষ্টি সকলো সমষ্টি জৰ্জৰিত। কোনোতে কম পৰিমানৰ নহয় । এইবাৰ মই আমাৰ বানপানীত আজি মোৰ নিজৰ সমষ্টিতে বানপানীৰ আগে আগে মাননীয় জলসম্পদ মন্ত্ৰী ভ্ৰমণ কৰিবলৈ গৈছিল। তেওঁক মই আমাৰ ব্ৰহ্মপুত্ৰৰ পৰা চেঙা সমষ্টিৰ পৰা বৰপেটা, বাঘবৰ যি মথাউৰি আছে তাত বিভিন্ন অঞ্চলত ব্যাপক খহনীয়া হৈছিল বানপানীৰ আগে আগে। তেওঁ চাইছিল আৰু ব্যৱস্থা ল'ব বুলি কৈছিল। এইবাৰ বানপানীত ব্ৰহ্মপুত্ৰৰ যিটো মথাউৰি চেঙা সমষ্টিৰ অঞ্চলত, বৰপেটা অঞ্চলৰ ৰহমপুৰত আৰু বাঘবৰ সমষ্টিৰ অন্তৰ্গত বিভিন্ন ঠাইত পানী আহি ভাবুকিৰ সৃষ্টি কৰিছিল কিন্তু জলসম্পদ বিভাগৰ কৰ্মচাৰী সকলে দিন-ৰাতি একাকাৰ কৰি তেওঁলোকে সেই মথাউৰিতো ৰক্ষা কৰিছিল। আমিও নিজে সেই মথাউৰিত গৈ চোৱা চিতা কৰিছিলো। এই ক্ষেত্ৰত মই আমাৰ বৰপেটা জিলাৰ প্ৰশাসনক ধন্যবাদ দিব লাগিব কাৰণ এই বানপানীৰ সময়ত তেওঁলোকে দিন-ৰাতি একাকাৰ কৰি কাম কৰিছিলে। আজি এই

বিভাগটোত এনেকুৰা এটা পৰিস্থিতিৰ সৃষ্টি হৈছে কাৰণ পুঁজি নাথাকিলে মন থাকিলেও কাম কৰিব নোৱাৰি। গতিকে মই ভাবো যে এই আমাৰ চৰকাৰে এই জলসম্পদ বিভাগটোত যথেষ্ট গুৰুত্ব দিব লাগে। ৬০০ কোটি টকাৰে একো নহয়। আমি গৰাখহনীয়া, মথাউৰিৰ সমস্যা সময়ে সময়ে মন্ত্ৰী মহোদয়ক কৈ আছো। গতিকে ব্যাপক ভাবে টকা দিব লাগে কাৰণ আন বিভাগত টকা দি আমি উন্নয়ন কৰি লাভ নাই। কাৰণ এই তিনি মাহত উন্নয়ন ধ্বংসত পৰিণত হয়। মই আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী, বিত্ত মন্ত্ৰী, জলসম্পদ মন্ত্ৰীক ধন্যবাদ দিছো কাৰণ তেওঁলোকে এই বানপানীৰ সময়ত প্ৰতিটো অঞ্চলত গৈ আজি গৰাখহনীয়াত বিধ্বস্ত লোকক যি সহানুভূতি দেখুৱাইছে ইয়াৰ দ্বাৰা ৰাইজে উৎসাহিত হৈছে । হয়তো ভৱিষ্যতে এই প্ৰত্যাহ্বানৰ লগত মোকাবিলা কৰাৰ সাহস পাইছে আৰু ৰিলিফৰ ক্ষেত্ৰত দুয়োগৰাকী সন্মানীয় বিধায়কে কৈছে যে কৰবাত কম হৈছে । কিন্তু মই বৰপেটা জিলা বা বৰপেটা সমষ্টিত কৈছো আমাৰ জিলা প্ৰশাসনে যথেষ্ট কষ্ট কৰিছে আৰু যথেষ্ট পৰিমানে ৰিলিফ দিছে আৰু সময়ে সময়ে চৰকাৰে ব্যৱস্থা হাতত লৈছে । গতিকে মই আপোনাৰ জৰিয়তে অনুৰোধ কৰো মন্ত্ৰী মহোদয়ক যে বৰপেটা জিলাত এই সমস্যাৰে জৰ্জৰিত এই জিলা খনত যিখিনি দুৰ্বলতা আছে ঠিক কৰিব লাগে, এই খিনি অনুৰোধ ৰাখি মন্ত্ৰী মহোদয়ক বৰপেটা জিলাত বিশেষ গুৰুত্ব দিয়াৰ কাৰণে আহ্বান কৰি মোৰ এই বক্তব্য সামৰণি মাৰিছো ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া ভূবন পেগু।

**শ্ৰী ভূৱন পেগু, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱটো বিৰোধীতা কৰি বানপানী সমস্যাটোৰ দ্বাৰা যে ৰাস্তা পদূলি ধ্বংস হয়, মানুহৰ ঘৰ-বাৰী ধ্বংস হয়, জীৱনো ধ্বংস হয় আমি এই সমস্যাটোৰ ভয়াৱহ ৰূপটো দেখি আপুনিও খুব অগ্ৰাধিকাৰ দিছে আৰু আলোচনাৰ বাবে সুযোগ দিছে । কিন্তু এটা বস্তু মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে এই সমস্যাটো সমাধান কৰিব নোৱাৰা বিষয়। অধ্যক্ষ মহোদয়, মই যোৱাকালি অভিযন্তা কিছুমানৰ পৰা পৰামৰ্শ লৈছিলো যে ১ কিলোমিটাৰ নতুন মথাউৰি বনাবলৈ১.৫০ কোটি টকা লাগে। আমাৰ অসমত ৪৫০০ কিলোমিটাৰ পুৰণি মথাউৰি আছে এইখিনিক যদি নতুকৈ বনাবলৈ লাগে ৬৫০০ কোটি টকা। যদি মেৰামতি কৰা হয় তেন্তে তাৰ অধিক পইচা লাগিব। তাৰ পিছত মই যদি কওঁ গৰাখহনীয়া প্ৰতিৰোধৰ কাৰণে কিমান লাগিব তেতিয়া হ'লে প্ৰতি কিলোমিটাৰ ৫কোটিৰ পৰা ১০ কোটি লাগে । আমি যদি গড়ে ৫ কোটি টকা ধৰো তেন্তে অধ্যক্ষ মহোদয় এই ৪৫০০ কিলোমিটাৰৰ গোটেই খিনিও খহনীয়া হোৱা নাই। তাত যদি **১০০০** কিলোমিটাৰ খহনীয়া আছে তেন্তে তাত যদি আমি ৫ কোটিকৈ ধৰো তেন্তে ৫০০০ কোটি টকা লাগে। অধ্যক্ষ মহোদয়, আমাৰ বানপানী, গৰাখহনীয়াৰ সুৰক্ষা দিবৰ কাৰণে গোটেই অসমত ৩০০০ আৰু ৫০০০ কোটি টকা মুঠতে ৪০০০ কোটি টকা লাগে। সেইটো হ'লে ভাল হয়। অধ্যক্ষ মহোদয়, টকাটো আমাৰ আছে। মই যোৱা তিনি বছৰত খবৰ পাইছো বিভাগৰ লগত তিনি বছৰত PMGSY ৰ নামত ৮৫০০ কোটি টকা খৰচ কৰিবলৈ পাইছো । এতিয়া আমি অসম মালাত আমি ৰাস্তা বনাবলৈ ৫০০০ কোটি টকা খৰচ কৰিম । অধ্যক্ষ মহোদয়, পকী ৰাস্তা বনাবলৈ আমি যোৱা তিনি বছৰত বা এতিয়া অনুমোদন পাইছো ১৩,০০০ কোটি টকা। য'ত ৰাস্তা বনাবলৈ ১৩,০০০ কোটি টকা খৰচ কৰিব পাৰো। আমি বাজেত ধৰিছো ৯৮০ কোটি টকা, স্কুল বিলডিং মেৰামতিৰ কাৰণে, আমাৰ মানুহৰ জীৱন লৈ যোৱা গাওঁ ধ্বংস কৰা, ৰাস্তা-পদূলী ধ্বংস কৰা আৰু অসমক ৫ ৰ পৰা ১০ বছৰ পিছুৱাই লৈ যোৱা সমস্যাটোক আমি কিয় অগ্ৰাধিকাৰ দিয়া নাই । অধ্যক্ষ মহোদয়, আমাৰটো

পইচা আছে কিয়নো আমাৰ  বাজেটত ৮০, ৯০ হাজাৰ কোটি টকাৰ। প্লেন বাজেটতো যদি চাওঁ ৩৫ হাজাৰ কোটি টকাৰ। অধ্যক্ষ মহোদয় মই তিনি বছৰৰ এ জি ৰিপোৰ্টটো চালো আৰু মন্ত্ৰী মহোদয়ৰ ৰিপোৰ্ট চালো যে আমাৰ তিনি বছৰত ৩০ শতাংশ টকা থাকি যায় প্ৰত্যেক বছৰে। অধ্যক্ষ মহোদয় ৩০ হাজাৰ কোটি টকা যদি ৩০ শতাংশ টকা ব্যৱহাৰ নহয় আমাৰ প্লেন বাজেটতোৰ, তেন্তে ১০ হাজাৰত ৩ হাজাৰকৈ ৩০ হাজাৰৰ ৯ হাজাৰ  কোটি টকা আমাৰ ব্যৱহাৰ নহয়। আমাৰ ৰাজ্য চৰকাৰৰ ত exchequer পইচা  ব্যৱহাৰ নোহোৱাকৈ থাকি যায়। গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক আৰু বিত্ত মন্ত্ৰী মহোদয়ক আমাৰ এই জলসম্পদ বিভাগত ব্যৱহাৰ নোহোৱা টকা খিনি দিয়ক । ৯০০০ কোটি টকা যিটো ব্যৱহাৰ নোহোৱা টকা থাকি যায়, যিটো পইচা আমি খৰচ কৰিবই নোৱাৰো টকাটোকে এই জলসম্পদ বিভাগক দিয়কচোন । এই ১০ শতাংশ টকা যদি দিয়ে অধ্যক্ষ মহোদয়, ৩০ শতাংশতো বাদ দিয়ক। যদি প্লেন বাজেটৰ ১০ শতাংশ টকা ও দিয়ে তেন্তে আমি বছৰত ৩০ হাজাৰ কোটি টকা পাওঁ। ৩০ হাজাৰ কোটি টকা  যদি বছৰত দিয়ে অহা ২ বছৰত অসমৰ বানপানী সমস্যা সমাধান হৈ যাব। অধ্যক্ষ মহোদয় এই ১০ শতাংশ টকা অগ্ৰাধিকাৰ হিচাপে লৈ প্লেন বাজেটৰ পৰা আমাৰ টকাটো দিব লাগে  বুলি মই অনুৰোধ জনালো। অধ্যক্ষ মহোদয়, দ্বিতীয় কথাটো হ'ল বানপানী, গৰাখহনীয়া হৈছে নৈ পৰীয়া অঞ্চলত । আৰু অধ্যক্ষ মহোদয় আপুনি কথাটো গম পাই আচৰিত হ'ব যে নৈ পৰীয়া অঞ্চলবোৰত আজিলৈকে কোনো ধৰণৰ মাটি জৰীপ হোৱ নাই আৰু বেছি ভাগ মাটিৰ মালিকে ম্যাদিপট্টা পোৱা নাই। এতিয়া সৌসিদিনা চৰকাৰে ঘোষণা কৰিছে যে বানপানীত ঘৰ আদি ধ্বংস হৈছে, তেওঁলোকক সাহাৰ্য্য দিব  । কথাটো ভাল কথা। খেতি নষ্ট হোৱা লোক সকলক compensation দিব। কিন্তু এতিয়ায় ডিচি বোৰে compensation ৰ ৰিপোৰ্ট বনাইছে যে মাটিৰ ম্যাদি পট্টা নাই বাবে compensation নাপাব বুলি ৰিপোৰ্ট বনাইছে । কেনেকৈ হ'ব অধ্যক্ষ মহোদয়, নৈ পৰীয়া অঞ্চলৰ জৰীপ নকৰা আজি ৭০ বছৰে স্বাধীনতাৰ পিছত জৰীপ নকৰাকৈ ৰাখিছে অসম চৰকাৰে বা আমাৰ বিভাগে। আমাৰ কি দোষ আছে।  মোৰ ঘৰ ধ্বংস হৈছে, মোৰ মাটিৰ ম্যাদি পট্টা নাই বুলি ক্ষতিপূৰণ নাপাম এইটো কেনেকুৱা ধৰণৰ কথা । অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এটা প্ৰস্তাৱ ল'ব বিচাৰিছো যে মাটি পট্টা থাকক বা নাথাকক যাৰ ঘৰ বাৰী ধ্বংস হৈছে সকলোৰে ক্ষতিপূৰণ পাব লাগিব ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Minister please. ইমান ধুনীয়াকৈ আলোচনা হৈছে গতিকে মন্ত্ৰীয়ে কোৱাৰ পিছত সময় থাকিলে আপুনি ক'ব ।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় এই কৰ্তন প্ৰস্তাৱৰ ওপৰত আলোচনা কৰি যি খিনি দিশ উন্মোচিত হৈছে আৰু আমাৰ বিশেষকৈ উল্লেখ কৰা পোন প্ৰথম বাৰৰ বাবে কৰ্তন প্ৰস্তাৱৰ ভাগ লোৱা সন্মানীয় বিধায়ক সকলক মই ধন্যবাদ জনাইছো । প্ৰথমে ওৱাজেদ আলী চৌধুৰী, মামুন ইমদাদুল হ'ক চৌধুৰী, গুৰুজ্যোতি দাস, ইমানুৱেল মুছাহাৰী, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, অজন্তা নেওঁগ, আমিনুল ইছলাম, বিনন্দ কুমাৰ শইকীয়া, শুকুৰ আলী, প্ৰশান্ত ফুকন; গুনীন্দ্ৰ দাস আৰু ভূবন পেগু এই  ১২ জন সন্মানীয় সদস্যই আজি ইয়াত বিভিন্ন দিশ উন্মোচিত কৰি বক্তব্য ৰাখিলে মই তেখেত সকলক আটাই কেইগৰাকীক ধন্যবাদ জনালো। মই যেতিয়া এই বিভাগতো পাইছিলো আৰু এই  দায়িত্বতো লোৱাৰ সময়ৰ প্ৰথম বৰ্ষতেই যেতিয়া জুলাই মাহত বাজেট অধিবেশন হৈছিল তেতিয়া কৰ্তন প্ৰস্তাৱৰ ওপৰত একেৰাহে তিনিদিন আলোচনা হৈছিল। এটা বিষয়ৰ ওপৰতে আলোচনা হৈছিল সেইটো হৈছিল জলসম্পদ বিভাগ। এইবাৰৰ  বাজেট

অধিবেশনতো যেতিয়া বাজেট দাখিল হৈছিল তেতিয়াও এই বিষয়টোৰ ওপৰত cut motion হিচাপে আলোচনা কৰা হৈছিলে। এতিয়া যোৱাকালি আৰু শুক্ৰবাৰে Private Members resolutionত ঠিক একেদৰে এই বিষয়টো গুৰুত্ব সহকাৰে আহিছে আৰু আজিও এইটো cut motion হিচাপে আপোনালোকে গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত আমি এটাই কথা দেখিবলৈ পাইছো সন্মানীয় অধ্যক্ষ মহোদয়ে প্ৰমূখ্যে আমাৰ শাসকীয় পক্ষ বিৰোধী পক্ষ সকলোৱে বানপানীৰ ভয়াৱহতা সম্পৰ্কে যথেষ্ট গুৰুত্ব দিছো। এই কথাটোৰ পৰা ৰাইজলৈ ৰাৰ্ত্তা গৈছে যে আমি সকলোৱে বিধান সভাত ইয়াৰ ওপৰত যথেষ্ট আলোচনা কৰিছো আৰু যথেষ্ট গুৰুত্ব দিছো। আমি আলোচনা কৰিছো কিন্তু কিমান পৰিৱৰ্ত্তন আনিব পাৰিছো সেইটো ডাঙৰ কথা-আমাৰ ভূবন পেগু ডাঙৰীয়াই এই ক্ষেত্ৰত কিছু কথা কৈ গৈছে। বিষয়টোৰ গভীৰলৈ যোৱাৰ আগতে মই কেইটামান কথা কৈ ল'ব বিচাৰিছো। পূৰ্ব্বৰ বানৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং ডাঙৰীয়া আহি গোটেইখিনি আমাৰ লগত পৰ্য্যালোচনা কৰি গৈছিল। তাৰ পিছত ২০১৭ চনৰ ১ আগষ্ট তাৰিখে যেতিয়া ভয়াবহ বান হৈছিল তেতিয়া প্ৰধানমন্ত্ৰী ডাঙৰীয়া আহিছিল। আমাৰ লগত আলোচনা কৰিছিল দিহা পৰামৰ্শ দিছেলে। ঠিক সেইদৰে কেন্দ্ৰীয় জল সম্পদ মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে লগে লগে আহি চোৱাচিতা কৰি আমাৰ লগত আলোচনা কৰিছে। প্ৰত্যেক বছৰে Central Team আহি বানপানীৰ ক্ষয়ক্ষতিৰ assessment কৰিবলৈ আহে অসমত। গতিকে কেন্দ্ৰীয় চৰকাৰে যথেষ্টখিনি গুৰুত্ব প্ৰদান কৰে। প্ৰধানমন্ত্ৰী ডাঙৰীয়াও আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত টেলিফোন যোগে যোগাযোগ অব্যাহত ৰাখিছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া দিল্লীলৈ যাওঁতে এই সম্পৰ্কে খবৰখাতি লৈছে আৰু কৈছে। আমি আপোনালোকৰ লগত আছো। যেনেধৰণৰ সহায় লাগে আমি কৰিম। এইখিনি আমি কেন্দ্ৰৰ পৰা সঁহাৰি পাইছো। মই আজি সদনত উপস্থিত মাননীয় বিধায়কসকলক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে ৰাজনীতিৰ উৰ্দ্ধত থাকি এই বিষয়টো গভীৰভাবে আৰু গুৰুত্বসহকাৰে আলোচনাত ভাগ লৈছে যাতে এটা সমাধান সূত্ৰ উলিয়াব পাৰি। তাৰ লগতে মই উল্লেখ কৰিব লাগিব মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ কথাও। কাৰণ এই দুৰ্যোগৰ সময়ত যথেষ্ট ঘুৰা পকা কৰি তেওঁলোকে আমাৰ বিভাগকে ধৰি দায়িত্বশীল বিভাগসমূহৰ কাম কাজ ৰিভিউ কৰিছে, প্ৰয়োজনীয় দিহা পৰামৰ্শ দিছে, তৎপৰতাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰ উপৰিও আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কিছু কথা কেন্দ্ৰীয় পৰ্য্যায়ত লৈ গৈছে। সেইটো হৈছে যে আমাৰ যিটো Fifteenth Finance হৈ আছে, তাৰ Chairman হৈছে N.KSing ডাঙৰীয়া , তেখেতৰ লগত আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া আলোচনা কৰিছে erosion ৰ বিষয়টো Disaster ৰ অৰ্ন্তভূক্ত কৰিব পৰা যায় সেই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে। আমি আশা কৰিছো হয়তো Fifteenth Financeৰ ৰিকোমেণ্ডশ্যন হয়তো আমি এইবাৰ পাম। তাৰোপৰি আৰু এটা বিষয়ত তেখেতে ব্যৱস্থা ল'ব বিচাৰিছে যে, বানপানীৰ সময়ত বনৰীয়া বন্য জন্তুকো ৰিলিফ দিয়াৰ বাবে তেখেতে ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ দুই এজন বিধায়কে এটা কথা কৈছে- কিন্তু য'ত আমাৰ মাননীয় বিধায়কসকল তৎপৰ তাত কোনো চৰকাৰী বিষয়াই ৰিলিফ দিয়াৰ ক্ষেত্ৰত কেতিয়াও হেমাহি কৰিব নোৱাৰে। আমাৰ মুখ্যমন্ত্ৰী ড্ঙৰীয়াই আৰু এটা initiative লৈছে যে আমাৰ ইয়াত যিবিলাক Embankment আছে সেইবিলাক Road Cum Embankment কৰিবলৈ বিশেষ সাহাৰ্য্য আমাৰ কেন্দ্ৰই দিব লাগে। যাতে গোটেইখিনি ৰাস্তালৈও convert কৰিব পাৰো আৰু অন্যান্যধৰনে ব্যৱহাৰ কৰিব পাৰো। আৰু এটা বিষয়ত মুখ্যমন্ত্ৰী ডাঙৰীয়া তৎপৰ হৈছে যে, কোনোবা বানপানীত ঢুকালে তাৰ process কৰোতে বহু সময় লয় কিন্তু এতিয়াৰ পৰা বানপানীত

ঢুকোৱা ব্যক্তিগৰাকীৰ পৰিয়ালে ৪৮ ঘন্টাৰ ভিতৰত বিধি অনুযায়ী যিটো ৪ লাখ টকা পায় সেই টকা পোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মই লগতে বিত্ত মন্ত্ৰী ডাঙৰীয়াৰ কথাও ক'ব লাগিব। তেখেতেও বহু ঠাইত নিজে গৈ চাইছে, বিষয়াসকলৰ লগত কথা পাতিছে। ৰিভিউ কৰিছে। এইবাৰ এটা এটা নতুন concept ৰ কথা তেখেতে চিন্তা কৰিছে। লগতে এই সম্পৰ্কত আমাৰ বিভাগকে ধৰি ভেটেৰেনেৰী, জন স্বাস্থ্য, জলসিঞ্চন, শিক্ষা, কৃষি আৰু সমাজ কল্যাণ বিভাগ - অৰ্থ্যাৎ যিকেইটা বিভাগৰ বেছিকৈ ক্ষয় ক্ষতি হ'ব পাৰে বানপানীৰ বাবে , বিষয়া পৰ্য্যায়ত মন্ত্ৰী পৰ্য্যায়ত সকলোকে লৈ কেইবাবাৰো তেখেতে বিশেষ উদ্যোগ লৈ আলোচনা কৰি এটা কথা কৈছে। --- সাধাৰণতে General Budget ৰ পৰা বানপানীৰ ক্ষয় ক্ষতি মোকাবিলা কৰা হয়। SDRF ৰ সকলো norms আমাৰ সেই কামখিনি পূৰণ কৰিব নোৱাৰে। মানে মেৰামতি কৰিব বিচাৰিলেও তাৰ পৰা পূৰণ নহয়। আমাৰ জল সম্পদ বিভাগৰ যিখিনি মেৰামতি কৰিব পৰা নাযায় তেখেতে কৈছে সেইখিনি পুন নিৰ্মান হ'ব লাগে। তাৰ বাবে জল সম্পদৰ বিভাগৰ আঁচনিৰ পুন নিৰ্মানৰ কাৰনে ২০০ কোটি টকা আগবঢ়াইছে, ঠিক তেনেদৰে F M P ৰ যিটো টকা পৰি আছিল , চেন্ট্ৰেল গৰ্ভমেন্টৰ পৰা মোকলাই আনিবৰ কাৰনে ব্যৱস্থা লৈছে । State Share ১০০ কোটি টকা আৰু Central Share ৩০০ কোটি, তাৰ মানে চেন্ট্ৰেলৰ পৰা পইচা আহিলে আমাৰ BUDGET PROVISION থাকিলে আমি সেই পৰ্য্যায়লৈকে আমি টকা খৰছ কৰিব পাৰিম। এইখিনি ব্যৱস্থা তেখেতে গ্ৰহণ কৰিছে। অকল এইটো বিভাগেই নহয় তেখেতে জন স্বাস্থ্য বিভাগত বাজেট ধৰিছে, মানে এ ডি ধৰিছে, এগ্ৰি কালছাৰতো ধৰিছে,ভেটেৰেনেৰী, জন স্বাস্থ্য, জলসিঞ্চন, শিক্ষা আৰু সমাজ কল্যাণ বিভাগ ইত্যাদিতো ধৰিছে। যিকেইটা বিভাগৰ ক্ষয় ক্ষতি হৈছে, সেই বিভাগকেইটাই যাতে তৎকালীনভাবে মেৰামতি কৰিব পাৰে তাৰ ব্যৱস্থা লৈছে। যিটো অসমৰ ইতিহাসত আগতে কেতিয়াও হোৱা নাছিল। এইটো প্ৰথমবাৰৰ কাৰনে হৈছে- বানপানীৰ কাৰণে SOPD ৰ পৰা বাজেটত SD ধৰা এইটো অসম বিধান সভাত প্ৰথম। গতিকে মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াক ইয়াৰ বাবে বিশেষভাবে ধন্যবাদ জনাইছো। নদীখনৰ ক্ষেত্ৰত আমাৰ কোনো নিয়ন্ত্ৰণ নাথাকে। ঠিকাদাৰৰ নিয়ন্ত্ৰণহে তাত হৈ থাকে। যেতিয়া গৰাখহনীয়া হৈ যায় তেখেতে কোৱাৰ দৰে প্ৰায় ১০ ফুট তললৈ ইয়াৰ foundation গুছি যায়। নদীখনৰ ক্ষেত্ৰত নদীৰ excess পানী হলে, আমাৰ নেতৃত্বলৈ আহে। নদীখন যেতিয়া স্বাভাৱিক ভাৱে গৈ থাকে Water Resource ৰ কাম একো কৰিব লগীয়া নাই। নদীখনৰ যদি পাৰ বাগৰি পৰে, মথাউৰি ভাঙে, তেতিয়া Water Resource ৰ কাম। নদীত থকা বালি, শিল Forest department ৰ নদীত থকা মাছ Fishery department ৰ পানী যেতিয়া বাঢ়ি বাগৰিব সেই দিনা Water Resource department ৰ কাম। গতিকে চৰকাৰক কৈছো যে অন্তত বালি কাম খিনি আমাক দিয়ক। বালি আৰু পানী বেচিলেও মথাউৰিৰ কাম খিনি হৈ যাব। অন্তত তাৰ পৰা revenue earning ও হব। মই revenue earning ৰ কথা কৈছো যদিও সেইটো মুল কথা নহয়। মুল কথাটো হৈছে আমি কৰবাত parcupine দিম। parcupine দিয়াৰ পিছত বালি পৰিব, তাৰ পিছত বালি বিক্ৰি কৰোতে তাত ঠিকাদাৰে সেইখিনিকে ওচৰত পাই উঠাই লৈ যাব। আমি পাৰকুপাইন দি বালি পেলাই একো লাভ নহয়। গতিকে এই কথাটো আজি কালি নহয়, এইকথাটো যুগ যুগ ধৰি স্বাধীনতাৰ পিছৰ পৰাই চলিয়ে আছে। প্ৰত্যেক চৰকাৰেই পাইছে। গতিকে পানী excess হলে। এই যিকেইটা কথা কৈছে গোটেই কথাখিনি চাব লগীয়া। মই বিটিচিৰ নদীত গৈ চাইছো যে অকল শিলৰ কাৰণে যেনি তেনি খহাই গৈছে। মাননীয় সদস্য গৰাকীয়ে

যিখিনি কথা কৈছে তেখেতৰ কেইবাটাও আঁচনি আছে, প্ৰায় ৮,৯ খন আঁচনি ৰূপায়ন কৰিছো আৰু তাত temporary কাম বিলাক বিটিচিৰ ফাগুৰ পৰাও কৰে। তেখেতে যথেষ্টখিনি ভাল পৰামৰ্শ দিছে,গতিকে এইখিনি ভৱিষ্যতৰ দিনবিলাকত কামত আহিব বুলি মই ভাবিছো।

আমাৰ সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কেইবাটাও কথা কৈছে যদিও সমষ্টি কেন্দ্ৰীক নহয়। যেনেকৈ Airport পানীৰ পৰা বচোৱাতে তেখেতৰ সমষ্টিৰ কথা নহয়। Air-port টো আমাৰ অসমৰ বা উত্তৰ পূৰ্ব্বঞ্চলৰ। গতিকে Airport ৰ কাৰণে ভাবুকি আহিছে, ময়ো গৈ চাইছিলো। তেখেতৰ লগতে বিষয়াসকলেও চাই আছে। কথা হৈছে কি তাত এফালে আৰু এটা চেনেল, তাৰ কোনো কতৃত্ব নাই। সেইফালেও পানী ওলাই যাব লগা আছে, সেই বিষয়টো চাইছো আমি। কিন্তু এটা কথা মই আগজাননি দিও যে গুৱহাটীত যিটো কৃটিম বানপানী হৈছে, এইটোৰ সকলোখিনি Water Resource Department তে নিয়ন্ত্ৰণ কৰিব নোৱাৰে। যদি নিয়ন্ত্ৰণ কৰা নাযায় এদিন দেখিব জালুকবাৰীৰ পৰা ধৰি Airport লৈকে যিটো এলেকা, যিটো এলেকা উন্নত হৈ আছে, এদিন তাতো সমানে কৃটিম বানপানী হব। গতিকে এতিয়াও সময় আছে কাৰোবাক উঠাই দি হলেও, compensation দি হলেও, তাৰ drainage বিলাক ঠিক কৰাৰ বিশেষ ব্যৱস্থা ল'ব লাগে। মই মোৰ বিভাগক এই বিষয়ে Airport Authority লৈ লিখিবলৈ দিছো, আগতে লিখিছে, বিধায়ক ডাঙৰীয়াই তাত সহযোগ কৰিছে যাতে পইচা পাতি তেওঁলোকেও দিয়ক, দি পেলাই যাতে আমি কাম কৰিব পাৰো। এই খিনি মুল কথা। আৰু তেখেতৰ যিখিনি অন্যান্য সমষ্টিৰ সৰু সৰা কাম আছে, এই কামখিনি হৈ আছে। গতিকে মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা দাঙিধৰিছিল, এই ক্ষেত্ৰত মই এইখিনি কথা আপোনাক জনালো।

ইয়াৰ পিছত মাননীয় সদস্যা অজন্তা নেওঁগ ডাঙৰীয়ানীয়েও কেইবাটাও অতি দৰকাৰী পৰামৰ্শ দিছে। তেখেতে যিখিনি পৰামৰ্শ দিছে বিভাগে কৰিবলগীয়া সংস্কাৰৰ কিছুমান কথা কৈছে। তেখেতে ঠিকাদাৰৰ কথাও কৈছে। আমি যথেষ্ট সংস্কাৰ কৰিব চাইছো, কিন্তু চাই কৰবাত আমি অকণমান ৰব লগা হয়। কিয় আমাৰ যেনেকৈ বাকী works department ধৰক PWD হওঁক, PHE হওঁক বা Irrigation য়ে হওঁক, তেখেতসকলৰ কামৰ যিটো কথা, তেখেতসকলে এটা আঁচনি লয় তাৰ পিছত tender কৰে, ডেৰ বছৰ সময় দিয়ে আঁচনিটো ৰূপায়ণ হয়। Water Resorce ৰ কথা হৈছে কি tender provision ডেৰ বছৰ থাকিলেও, কামটো তিনিমাহত কৰিব লাগে। তাতকৈ যদি বেছি সময়লয় তেতিয়া হলে পানী আহি উটুৱাই নিব। গতিকে তাত কামটো কম সময়ৰ ভিতৰত হব লাগে।

তাৰ পিছত আৰু এটা সমস্যা হৈছে কি এইটো এতিয়া হোৱা নহয়। আজি চৰকাৰখনক দোষ দিব লগীয়া কথা নহয়। মই এতিয়া দেখিছো FMP আঁচনিখিনি আগৰ চৰকাৰৰ দিনতে আহিছিল। কিন্তু যেতিয়া FMP আঁচনি central share ৰ কাৰণে demand দিব লগা হৈছে, আমাৰ এনেকুৱা হৈছে যে এটা এটা মথাউৰিত শ শ ঠিকাদাৰ। সকলোৱে বিল আনি demand দিওঁতে, সেইফালে মাৰ্চৰ মাহ পাৰ হৈ যাব, পইচা নাপাওঁ, এনেকুৱা অৱস্থা হৈছে। গতিকে এইটো ৰাজ্য চৰকাৰৰ সৰু সৰু আঁচনি। কেন্দ্ৰীয় চৰকাৰৰ ডাঙৰ ১২ শ কোটি টকীয়া, এটা মথাউৰিত ১শ কোটি টকীয়া আঁচনি বিলাকতে কেইবাশ ঠিকাদাৰ দি সেই সময়তে কাম কৰিছে। সেই ট্ৰেণ্ডটো এতিয়া আমি কেতিয়ালৈকে শেষ কৰিম, এই ২০১১ চনৰ কথা, ২০১২ চনৰ কথা, ২০১৩ চনৰ কথা। সেই ট্ৰেণ্ডটো এতিয়া বন্ধ কৰিব নোৱাৰা অৱস্থা হৈছে। মই মন্ত্ৰী হিচাপে দায়িত্ব লোৱাৰ পিছত এই ক্ষেত্ৰত পদক্ষেপ ল'বলৈ ধৰিলো। আমাৰ মাননীয় বিত্ত মন্ত্ৰীয়ে কয় এইটো বিভাগহে

দেখিছো contractor ৰেও ধৰ্ণা দিয়ে। কিন্তু কথা হ'ল কি তাৰ আকৌ এটা বেলেগ দিশ আছে, সেই দিশটো হ'ল যেতিয়া বাৰিষা emergency কাম হয়, তাৰে ওচৰত থকা জলসম্পদ বিভাগত কাম কৰি থকা দুই চাৰি ঠিকাদাৰে ৰাতি ১২ টা, ১ টা বজাৰ ভিতৰত আহি তাত সেই protection ৰ কামটো কৰিবলৈ সেই জন ঠিকাদাৰক পাব। আগতে ডাঙৰ কোটি টকীয়া ঠিকাদাৰ গুৱাহাটীৰ পৰা গৈ বা অন্য কৰবাৰ পৰা গৈ যিজনে ডাঙৰ কাম কৰিছিল, সেই ঠিকাদাৰ জনক emergency meet কৰিবলৈ নাপায়। গতিকে আমি এতিয়া কিছু কথা চিন্তা কৰিছো যে emergency work ৰ কাৰণে আগতেই panel ত contractor ঠিক কৰি থব পাৰি নেকি যে emergency work হলে, তেওঁলোকে কাম কৰিব পাৰিব। তেওঁলোকৰ বাহিৰে অন্য contractor, সেই সময়ত পোৱা নাযায়। সেই কাৰণে আমি ভাবিছো এই যিটো contractor ৰ কথা কৈছে আমি বিভাগে কিছু reform কৰিছো। ইয়াত এইবাৰ tender হলে এইটোৰ reform আপোলোকে দেখিবলৈ পাব। তাত যাতে আমি contractor well -1 বুলি চাৰিজনক ভাগ কৰি দিব লগা নহয়। তাৰ পিছত গৈ আমাৰ গ্ৰুপটো কি হয়, ১০ কোটি টকাৰ কাম আছে যদি S.E. group ৰ এটা, engineer group ৰ এটা এনেকৈ ভাগ কৰি পেলাই, সৰু contractor লৈ অলপ কাম থোৱা হয়। গতিকে কামৰ nature চাইহে আমি এইখিনি কৰিম। গতিকে যথেষ্টখিনি reform হৈছে আৰু বানপানীৰ ক্ষেত্ৰত যিখিনি নিপকোৰ পানীৰ কথা কৈছে, বৃহত্তৰ নদী বান্ধ এই বিলাকৰ বিষয়ে ইতিমধ্যে আমাৰ আলোচনা বিলোচনা হৈ আছে। আমি তেখেতৰ পৰামৰ্শখিনিৰ বাবে চেষ্টা কৰিম। তেখেতৰ তাত কেইটামান জলন্ত বিষয় আছে। আমি তাত কেইখনমান আঁচনি ধৰিছো। এইবাৰো আঁচনি এখন ধৰিব লাগিব। এইখিনি কথা ঠিকথাক কৰি লোৱা হৈছে।

Relief ৰ ক্ষেত্ৰত তেখেতে কৈছিল, আমি জনাত তাত বিশেষ একো অসুবিধা হোৱা নাই। হয়তো কোনো কথা কৰবাত যদি ৰৈ গৈছে, সেইখিনি আমি চোৱা চিতা কৰিম।

তাৰ পিছত মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়া, তেখেতেও কেইবাটাও পৰামৰ্শ আগবঢ়াইছে। তেখেতে MNR ৰ পূজি বঢ়োৱাৰ কথা কৈছে। আপুনি যিটো MNR ৰ পূজি বঢ়োৱাৰ কথা কৈছে, এইটো পুৰণা কথা কৈছে। এতিয়া সেই বিলাক কাৰবাৰ নাই, এতিয়া বহু strict, কোনো কথাত তেনেকুৱা কৰিব নোৱাৰে। আমাৰ MNR পূজি হওঁক, flood fighting ৰ পূজিয়ে হওঁক ৰাইজক কৈ ল'বা , শুধি ল'বা, যদি কাম কৰিব লাগে কৰিবা। কাৰন এটা কথা ঠিক যে পানীত যেতিয়া কাম কৰিব, অলপ লোকচান হ'ব। যদি ৰাইজে কয় যে কৰিব নালাগে, কাম কৰিব নালাগে, আৰু যদি কৰিব লাগে বুলি ৰাইজে কয়, তেতিয়াহলে কাম কৰিব। এনেকুৱা তেখেতে যিখিনি বৰ্ণনা দিছে, সেইখিনি তেখেতসকলে যেতিয়া ঠিকা কাম কৰাই আছিল, সেই দিনৰ কথা। আজিৰ দিনত তেনেকুৱা কাম কোনেও কৰিব নোৱাৰে। এইটো কথা আমাৰ বিভাগৰ সকলো বিষয়ায়ো জানে, আনেও জানে। এটা কথা আৰু মই কওঁ যেতিয়া এইবাৰ বিধান সভাৰ প্ৰথমতে আলোচনা হৈছিল, সেই দিনাই আমি কিছু কথা ঠিক কৰি দিছিলো। আমাৰ প্ৰত্যেক জন Executive Engineer, SDO বিধায়কৰ ওচৰলৈ গৈছিল। বিধায়কৰ ওচৰলৈ গৈ বিধায়ক জনক লৈ তেখেতৰ সমষ্টিৰ প্ৰতিটো কোনত একেলগে আমি চাবলৈ দিছিলো। সেইটো প্ৰথম হৈছিল। আৰু প্ৰত্যেকেই চাই- চিতি তেখেত সকলে গোটেই আঁচনিখন প্ৰস্তুত কৰিছিল। মই কৈ দিছিলো, ইয়াত আঁচনি বিধায়কৰ পৰা আহিব, ইয়াত contractor ৰ পৰা নাহে। আজিলৈকে contractor ৰ পৰা আঁচনিএই বিভাগত আহিব পৰা নাই। এতিয়া বিধায়কৰ আঁচনি। বিধায়কে যিখিনি

আঁচনি দিছে, সেইখিনি আমি ৰূপায়ণ কৰিছো। আৰু সেইটোৱে নহয়, আমি এতিয়া আপোনালোকক দায়িত্ব দিছো। আমি প্ৰত্যেকজন বিধায়কক Vigilence Committee ত Chairmen কৰি থৈছো। যাতে তেখেত সকলে নিজে কাম চাব, নিজে certified কৰিব যে এইটো কাম হৈছে নে নাই? আপোনাৰ যদি কৰবাত তেনেকুৱা হৈছে, আপোনাৰ Lapse .আপুনি সেই বিলাক চাইচিতি কামখিনি আগবঢ়াব বুলি মই আশা কৰিছো। তাৰ পাছত আমি তেখেতৰ তাতো যিখিনি আঁচনি আছে, প্ৰায় ১৫ কোটি টকাৰ আঁচনি, ধিং সমষ্টিতো আমি কৰিছো। ইয়াৰ পাছতে আমাৰ বিনন্দ শইকীয়া ডাঙৰীয়াই কেইটামান কথা আগবঢ়াইছে। তেখেতে ৰাইজৰ সহযোগিতাৰ কথা কৈছে। তেখেতৰ তাত চলি থকা কেইবাটাও বিষয় দাঙি ধৰিছে। তেখেতৰ ২ খন sluice gate ৰ প্ৰয়োজন আছে। সেইটো আজিৰ প্ৰশ্নটো আছিল, সেইটো অথনি আমি নোৱাৰিলো ক'ব। সেইটো আমি TAC ত পাছ কৰাইছো। সেইখিনি হ'ব। তেখেতে ননৈ, শাকতোলা এইখিনি নদীৰ কথা কৈছে। আমি এই কাম খিনিৰ ক্ষেত্ৰত যিখিনি স্থায়ী ব্যৱস্থা লব লাগে, সেইখিনি লম। আৰম্ভণিতে তেখেতে বিভাগটোৰ ক্ষেত্ৰত এটা ব্যাখ্যা দিছিল। প্ৰথমতে এইটো E&D আছিল Embankment and Drainage তাৰ পাছত এইটো Flood control হ'ল, তাৰ পাছত এইটো Water Resource হ'ল আৰু কেন্দ্ৰীয় চৰকাৰত এইটো এতিয়া জলশক্তি হ'ল। এতিয়া মাননীয় প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়াই, তাত জল শক্তিত Drinking Water ও ভৰাইছে, irrigation টো আছেই, তাৰ পাছত NRCD, National River Conservation Department এই বিলাক সকলোকে আনি এতিয়া জলশক্তি কৰিবলৈ বিচাৰিছে। এইটো energy লৈ লৈ গৈছে। গতিকে নীতি আয়োগৰ সভাত মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াও উপস্থিত আছিল। তেওঁলোকে ভাবিছে যে এই বিলাক অলপ integrated হ'ব লাগে। গতিকে এই বিষয়টো লাহে লাহে হয়তো State ৰ পৰ্য্যায়তো ইয়াক আমাৰ জলশক্তি, কেন্দ্ৰীয় চৰকাৰে Shape দিয়াৰ নিচিনাকৈ হয়তো ইয়াতো কিছু দায়িত্ব বাঢ়িব পাৰে, আৰু এই যিটো কথা জলসম্পদৰ পৰা জলশক্তি লৈ গৈ আছে, গতিকে আমি আশা কৰিছো, যে আমাৰ বিভাগটোত তেনেধৰণে আমি কিছু reform কৰিবলৈ লৈছো, যাতে ইয়াৰ কাম-কাজখিনিৰ নমুনাটো সলনি হয়। ইয়াৰ পাছত আমাৰ প্ৰশান্ত ফুকন ডাঙৰীয়া, তেখেতে আৰম্ভ কৰিছিল, যে পানীৰ লগত সহবাস। তাৰ পাছত গেদৰ যিটো পৰ্য্যাবেশন অৰ্থাৎ কিমান গেদ আহিছে তাৰ পৰা গেদটো আমি নিষ্কাষণ কৰিব পৰা নাই। এনেধৰণৰ কেইবাটাও পৰামৰ্শ দিছে আৰু বুঢ়ীদিহিঙে ৭টা সমষ্টি লৈ আহে। গতিকে ৭ টা সমষ্টিৰ আমি কেনেধৰণে বচাব পাৰো। এই গোটেইখিনি কথা কৈছে। গতিকে আমি বুঢ়ীদিহিঙৰ কাৰণে ৭৫৭ কোটি টকাৰ এটা Estimate CWC ত ৰাখিছো, আৰু তেওঁলোকে investment clearance কৰিলে , আমি World Bank ৰ পৰা সেইটো invest কৰাবলৈ চাইছো। সেই ধৰনে বেকী ও আছে, আই নদীও আছে। প্ৰায় ১৫০০ কোটি টকাৰ কাৰণে এইটো দিয়া হৈছে। গতিকে আটাইকেইটা CWC তে আছে আৰু তেখেত সকলে এইখিনি কথা খুব ভাল ধৰনে জানে। এতিয়া কথা হ'ল আপোনালোকে যদি চাই, এই বাৰ ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি, লক্ষীমপুৰত ৰঙানদীৰ বাহিৰে ঢকুৱাখানা বা জোনাইত বানপানীৰ প্ৰকোপটো কম। এই বানপানীৰ প্ৰকোপটো কম হোৱাৰ কাৰনে আমাৰ ইয়াতে ৰনোজ পেগু ডাঙৰীয়া আছে, ভুবন পেগু ডাঙৰীয়া আছে আৰু তাৰ যি কেইজন সন্মানীয় বিধায়ক সকলোখিনি লগ লাগি তেখেত সকলে কোনকেইটা কাম কৰিব লাগে চিহ্নিত কৰিছে। পইচাটো আমাক সৰহকৈ দিব নোৱাৰে, আমাৰ পৰা যদি ২০ কোটি টকাৰে কাম কৰে এই কেইখন জিলাত, তেতিয়া হ'লে আমাক এই কেইটা কাম কৰি দিয়ক।

সেই মতে তেখেত সকলৰ পৰামৰ্শ মতে কাম কেইটা কৰাৰ কাৰণে তাত এইবাৰ বানপানী ৰঙানদীৰ বান পানী বাঢ়ি অহাৰ বাদে অন্য বান পানী হোৱা নাই। ঠিক তেনেধৰনে ডিব্ৰুগড়তো এখেত সকলে প্ৰায় তেনেধৰণে বহি পেলাই চিহ্নিত কৰে যে এই কেইটা কাম কৰি দিলে আমাৰ কাম হ'ব। সেই কাৰণে তেখেত সকলৰ তাতো আটাইকেইজন মাননীয় বিধায়ক আছে নাম কৈ নাযাওঁ, হোৱা নাই। গতিকে এই কথাখিনিত আমি যথেষ্ট সকাহ পাইছো। তাৰ পাছত শুকুৰ আলি ডাঙৰীয়াই কৈছে, তেখেতৰ যিখিনি পৰামৰ্শ সেইখিনি মই লৈছো। আৰু ভুৱন পেগু ডাঙৰীয়াৰ কথাখিনি মই আকৌ দোহাৰিব বিছৰা নাই। তেখেতে কেইবাটাও গুৰুত্বপূৰ্ণ কথা কৈছে যে আমি ধৰক ১০০ কোটি টকা খৰচ কৰিলো। তাত ১০ শতাংশ যদি protection ত খৰচ কৰা হলে ৯০ কোটি টকা বাছিলহেতেন। ৯০ কোটি টকা এতিয়া এনেয়ে আছে। গতিকে ধাৰনাটো আমি সলনি কৰিব লাগে। গতিকে এইখিনি কথা কৈছে। মই খুব চমু কৰি দিব বিচাৰিছো, সময় নাই। আমাৰ বিভাগৰ যিটো Strength সেই Strength টো আমি বঢ়াবলৈ ঠিক কৰিছো। আমাৰ ৬৫ জন ইঞ্জিনিয়াৰৰ অতি সোনকালে ইন্টাৰভিউ হৈ আছে। তাৰ পৰা দিব, আমাৰ কেবিনেটে পাছ কৰিছে। ৮০ জন এচিচ্ ষ্টেন্ট ইঞ্জিনিয়াৰ, ৭০ জন জে, ই এনেকে মিলাই ২১৬ জন হয়তো চেপ্তেম্বৰ মাহৰ ভিতৰত আমি কাৰিকৰি বিষয়া লব পাৰিম। গতিকে লব পাৰিলে আমাৰ বিভাগৰ ক্ষেত্ৰত এইটো শক্তি বাঢ়িব, আৰু যিটো আমাৰ খালাচী আৰু SA, Sectional Assistant এইকেইটা হৈছে আমাৰ Field ৰ মানুহ। এতিয়া আমাৰ খালাচী খালী হৈ আছে ১২৩৮ জন, আৰু Sectional Assistant ৫০৩ জন, sub-Engineer আছে ৮২ জন, sub-Engineer Gr.- I ৫২ জন, আৰু Junior-Assistant আছে ৫২ জন Field ৰ মানুহ আমাৰ নাই। যিকেইজনৰ আমাৰ প্ৰতিটো মঠাউৰি কিঃ মিঃ হিচাপত তেখেত সকলৰ লগত ভগোৱা থাকে যে এইখিনি তেওঁলোকৰ এইখিনি এওঁলোকৰ। গতিকে এই Strength টো আমাৰ নাই। এইটো আমি মুভ কৰিছো। এইটো বিত্ত বিভাগে আমাক অনুমতি দিম বুলি কৈছে। গতিকে আমি হয়তো ইয়াৰ পাছত এইখিনি ল'ব পৰা হ'ম। মোৰ আৰু যথেষ্টখিনি বিষয় আছিল দাঙি ধৰিবৰ কাৰণে। মোতা-মোতিকৈ মই পইণ্টকেইটা কৈছো যে Administrative Reforms আমি বহুতখিনি আনিম এইবাৰ আপোনালোকে গম পাব। Contractor ৰ ক্ষেত্ৰটো আনিম। আমি আৰু কিছু Re-Organize কৰিবলৈ কমিতি কৰি দিছিলো। Re-Organization ৰ কামো আমাৰ হৈ আছে। গতিকে বিভাগটোক এটা উপযুক্ত বিভাগ হিচাবে ঠিয় কৰাবৰ কাৰনে যথেষ্টখিনি আমি ব্যৱস্থা গ্ৰহন কৰিছো। গতিকে আমি আশা কৰিছো যাতে এইখিনি কাম কৰিব পাৰিম। আৰু এইবাৰ আমাৰ বিশেষকৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত তৎপৰতা হৈছে, আৰু অন্যান্ন ৰিলিফকে ধৰি বাকী সকলোতে যি খিনি তৎপৰতা গ্ৰহন কৰিছে, তেখেতলৈ মই ধন্যবাদ জনাইছো, আৰু বিত্ত মন্ত্ৰী ডাঙৰীয়াই প্ৰথম বাৰৰ কাৰণে যিটো আমাৰ SD ত মেৰামতিৰ বিষয়টো আনিলে অকল জলসম্পদ নহয় আটাইকেইটা বিভাগত. এইটো এটা গুৰুত্বপুৰ্ন কাম হৈছে। মই বিভাগীয় যথেষ্টখিনি বিষয় আপোনালোকক জনাবলৈ প্ৰস্তুত হৈ আহিছিলো কিন্তু তাৰে কিছু থাকি গ'ল। পৰৱৰ্তী সময়ত সেইখিনি জনাম । মই প্ৰত্যেক গৰাকী সদস্যকে ধন্যবাদ জ্ঞাপন কৰিছো কিয়নো আপোনালোক সকলোৱে নিজৰ সমষ্টিত নিজেই পদক্ষেপ লৈ বানাক্ৰান্ত লোকক সহায় কৰাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিছে আৰু জল সম্পদ বিভাগক সহযোগ কৰিছে। আগন্তুক দিনতো আপোনালোকৰ সহযোগিতা আশা কৰি আপোনালোকৰ কৰ্তন প্ৰস্তাৱটো উঠাই লোৱাৰ বাবে অনুৰোধ জনাই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া যিহেতু ২ বাজিছে গতিকে মই জল সম্পদকে ধৰি বাকী থকা সকলো মঞ্জুৰী প্ৰস্তাৱ Guillotine ত দিব বিচাৰিছো। মঞ্জুৰী প্ৰস্তাৱ নং- ৬৩, ১, ২, ৩, ৪, ৫, ৬, ৮, ৯, ১১, ১২, ১৪, ১৫, ১৭, ১৯, ২০, ২১, ২২, ২৫, ২৬, ২৭, ২৮, ২৯, ৩০, ৩১, ৩২, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪২, ৪৩, ৪৪, ৪৬, ৪৮, ৪৯, ৫১, ৫২, ৫৩, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬১, ৬২, ৬৪, ৬৫, ৬৬, ৬৭, ৭০, ৭১, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭, ৭৮ সদনৰ অনুমোদনৰ বাবে আগবঢ়ালো।

যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, মঞ্জুৰি প্ৰস্তাৱ নং ৬৩, ১, ২, ৩, ৪, ৫, ৬, ৮, ৯, ১১, ১২, ১৪, ১৫, ১৭, ১৯, ২০, ২১, ২২, ২৫, ২৬, ২৭, ২৮, ২৯, ৩০, ৩১, ৩২, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪২, ৪৩, ৪৪, ৪৬, ৪৮, ৪৯, ৫১, ৫২, ৫৩, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬১, ৬২, ৬৪, ৬৫, ৬৬, ৬৭, ৭০, ৭১, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭, ৭৮ গৃহীত হ'ল বুলি ঘোষণা কৰিছো।

এতিয়া মই "অসম বিনিয়োজন (নং ৩) বিধেয়ক, ২০১৯"ৰ কপি সদনত বিতৰণ কৰিবলৈ অনুৰোধ কৰিছো।

(বিধেয়কৰ কপি সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ মাজত বিতৰণ কৰা হয়।)

মই সদনৰ অলপ সময় বঢ়াই লৈছো। সদনৰ সন্মতি আছেনে?

(সদনে সন্মতি জনায়)।

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি ল'বলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "অসম বিনিয়োজন (নং ৩) বিধেয়ক, ২০১৯" সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰিবৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(সদনে সন্মতি জনায়)।

ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে **২০১৯** চনৰ ৩০ জুলাই তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207(1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the 'Assam Appropriation (No.III) Bill, 2019' in the Assam Legislative Assembly."

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "অসম বিনিয়োজন (নং ৩) বিধেয়ক, ২০১৯" সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব, অসম বিধান সভাঃ** বিধেয়কখনৰ শিৰোনামা -"অসম বিনিয়োজন (নং ৩) বিধেয়ক, ২০১৯" ।

এতিয়া ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে **২০১৯** চনৰ ৩০ জুলাই তাৰিখে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো- Under the provision of Article 207(3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that the 'Assam Appropriation (No.III) Bill, 2019' be taken into consideration by the Assam Legislative Assembly."

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, বিত্ত ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, "অসম বিনিয়োজন (নং ৩) বিধেয়ক, ২০১৯" বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**শ্ৰীমতী অজন্তা নেওগ, (গোলাঘাট)ঃ** অধ্যক্ষ মহোদয়, এই সদনত ২০১৭-১৮ বৰ্ষৰ C&AG ৰ যি প্ৰতিবেদন দাখিল হৈছে সেই সম্পৰ্কে মই কিছু কথা ক'ব বিচাৰিছো। এই প্ৰতিবেদনখনৰ যথেষ্ট খিনি তথ্য উদ্বেগজনক। মাননীয় বিত্ত মন্ত্ৰীয়ে ২০১৭-১৮ চনৰ বাজেট যেতিয়া উপস্থাপন কৰিছিল তেতিয়া মূল্যবোধ আৰু গণতন্ত্ৰৰ প্ৰতি আস্থা ৰাখি অসমৰ ৩ কোটি ২৫ লাখ লোকৰ প্ৰতি সমৰ্পণ কৰিছিল। কিন্তু, মই মাননীয় বিত্ত মন্ত্ৰীক C&AG ৰ প্ৰতিবেদনত উল্লেখিত চাৰিটা বিশেষ কথাৰ ওপৰত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

প্ৰথমতে হ'ল, ২৬৬০.৩৯ কোটি টকা বাজেট বহিৰ্ভূত ব্যয় হোৱা বুলি C&AG এ কৈছে। ই সংসদীয় গণতন্ত্ৰৰ পৰিপন্থী। গতিকে, এই কাম কিয় কৰা হ'ল?

দ্বিতীয়টো হ'ল-Rush of Expenditure. বিত্ত মন্ত্ৰী ডাঙৰীয়াই যেতিয়া ২০১৭-১৮ চনৰ বাজেট উপস্থাপন কৰিছিল তেতিয়া তেখেতে financial reforms আৰু ত্ৰৈমাসিক খৰচৰ কথা কৈছিল। তেখেতে কৈছিল যে, যেতিয়া বাজেট ব্যয় হ'ব তেতিয়া তিনি মাহৰ মূৰে মূৰে 1st, 2nd আৰু 3rd instalment ত ব্যয় হ'ব আৰু চতুৰ্থ ত্ৰৈমাষিক ব্যয়টো কম হ'ব লাগে, কাৰণ এইটো দুৰ্বল বিত্তীয় ব্যৱস্থা আৰু সেইটো তেখেতে reform কৰিব বুলিও কৈছিল। কিন্তু, C&AG য়ে দিয়া Report ত দেখিছো যে চতুৰ্থ ত্ৰৈমাসিকত খৰচ বেছিহে হৈছে। গতিকে C&AGয়ে প্ৰতিবেদনত specifically কৈছে যে এইটো দুৰ্বল বিত্তীয় ব্যৱস্থাপনা।

তৃতীয়টো হ'ল, Unrealistic Budget. ২০১৭-১৮ চনৰ বাজেটখনক অবাস্তৱ আৰু পৰিকল্পিত নহয় বুলি কৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অৰ্থাৎ আমি ৫২১ কোটি টকা SD ত আনিছো over an above the SDRF amount. এইবাৰ আমি ৰাজ্যচৰকাৰৰ নিজৰ পুঁজিৰ পৰা SD ত আনিছো। Appropiation Bill ত আপেনালোকে অনুমোদন দিয়াৰ পিছত আমি খৰছ কৰিব পাৰিম। তাৰোপৰি Water Resource Department ক এইবাৰ আমি অতিৰিক্তভাৱে ৩০০ কোটি টকা দিছো FMP Scheme ৰ Central Share ৰ কাৰণে। কোনোবাই ক'ব যে Central ৰ পৰা ৩০০ কোটি টকা আনিব নোৱাৰে তেতিয়াহলে পইচাটো পৰি থাকিব। আমি ৩০০ কোটি টকাৰ বাজেট দিছো তাৰ লগতে ১০০ কোটি টকা State Share ৰ কাৰণে আমি এই বাজেটতে ধৰি দিছো। তাৰমানে আজিৰ দিনটোত মাননীয় মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াৰ হাতত মুঠ ৯০০ কোটি টকা উপলব্ধ কৰাইছো। এইবছৰ যদি Water Resource Departmentএ ভালদৰে কাম কৰিব পাৰে আমি গোটেইখিনি সমস্যা

সমাধান কৰিব পাৰিম। ইয়াৰ উপৰিও PWD ক আমি ৩০০ কোটি টকা দিছো। এইধৰণে বানপানীৰ পিছত আমি যি commitment কৰিছিলো সেইখিনি পুৰ কৰিবৰ কাৰণে ৰাজ্য চৰকাৰৰ ফালৰ পৰা প্ৰথমবাৰৰ বাবে Flood Damage Repair এটা নতুন শিতান খুলি ৫২১ কোটি টকা আৰু FMP ৰ কাৰণে Water Resource Department ৰ কাৰণে ৪০০ কোটি টকা অৰ্থাৎ ৯২১ কোটি ৰাইজৰ যিখিনি ক্ষতি হ'ল সেইখিনি পুৰ কৰিবলৈ এটা ব্যৱস্থা হাতত লৈছো। ইয়াৰ উপৰিও SDRFত ভাৰত চৰকাৰে ৯০ শতাংশ আৰু অসম চৰকাৰে ১০ শতাংশ দিয়ে। এইবাৰ SDRF ৰ কাৰণে মুঠ ৫০০ কোটি টকা। কিন্তু বানপানীত যিসকল লোক ক্ষতিগ্ৰস্ত হ'ল তেওঁলোকে ঘৰ সম্পূৰ্ণৰূপে ভাঙিলে ৯৫ ,০০০ টকা পায়, গৰু ম হৰ মৃত্যু হ'লে যাতে ক্ষতিপূৰণ পায়, মৃত ব্যক্তিৰ পৰিয়ালেও যাতে ক্ষতিপুৰণ পায় আৰু বাচন-বৰ্তন, কাপোৰ আদি নষ্ট হ'লে ৩৮০০ টকা পায় এইখিনি ব্যৱস্থা কৰাৰ কাৰণে তেওঁলোকৰ টকা কম হ'ব পাৰে বুলি ভাৰি ৰাজ্যচৰকাৰে নিজৰ ফালৰ পৰা আৰু ৫০ কোটি টকা যোগ কৰি দিব অহা মাৰ্চ মাহৰ ভিতৰত। আমাৰ বিধায়কসকলে চকু ৰাখিব লাগে যাতে manual মতে বানাপানীত যিখিনি ক্ষতিগ্ৰস্ত হৈছে সেইসকল লোক প্ৰাপ্য ধনৰ পৰা বঞ্চিত নহয়। Relief Camp ত থকা লোকসকলৰ ঘৰ-দুৱাৰ, কাপোৰ কানি বাচন বৰ্তন নিশ্চয় নষ্ট হৈছে গতিকে তেওঁলোকে ৩৮০০ টকা পোৱাটো উচিত। আমাৰ জিলা উপায়ুক্ত সকলে কয় যে তালিকাখন বনালে বহু দীঘলীয়া হৈ যায়। গতিকে তাৰবাবে আপোনালোকে উপায়ুক্তসকলৰ লগত সহযোগীতা কৰি যিসকল প্ৰকৃত ক্ষতিগ্ৰস্ত লোক আছে তেওঁলোকে যাতে ক্ষতিপূৰণ পায় তাৰ ব্যৱস্থা লয়। তাৰবাৰে যদি আৰু বেচি টকাৰ প্ৰয়োজন হয় এইখিনিয়ে আমি দিব পাৰিম। এইবাৰ বাজেটত আমি ৫০ কোটি টকা ধৰিছো

যদিও আৰু ৫০ কোটি টকা দিয়াৰ মোৰ ইচ্ছা আছে। অনুগ্ৰহ কৰি আমাৰ বিধায়কসকলে ইয়াৰ পৰা ঘুৰি গৈ প্ৰকৃত ক্ষতিগ্ৰস্ত লোকসকলে যাতে ক্ষতিপূৰণ পায় তাৰ ওপৰত নজৰ দিবলৈ মই অনুৰোধ জনালো। অধ্যক্ষ মহোদয়, এই পুঁজিখিনি আমাৰ Appropiation Bill ত ধৰা আছে। সেইবাবে মই ভাৰিলো যে এই কথাখিনি কোৱাটো যুগুত হ'ব। এই কথাখিনি ক'বলৈ মোক সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো।

অধ্যক্ষ মহোদয়, অজন্তা নেওগ বাইদেউৱে AG Report ৰ ওপৰত কৈছে। কিন্তু সদনত AG Report ৰ ওপৰত comment দিয়াটো উচিত নহয়। AG Report যায় Public Accounts Committee তআৰু Public Accounts Committee য়ে ৰাজ্য চৰকাৰ আৰু AG দুয়োটা পক্ষক শুনি সদনত PAC ৰ Report লৈ আহে। কিন্তু থুলমূলভাৱে এইবাৰ AG ৰ Report ত যিবোৰ positive কথা দেখুৱাইছে তাৰ ওপৰত মই দুটা বিন্দুত আলোকপাত কৰি সামৰণি মাৰিব খুজিছো।

অধ্যক্ষ মহোদয়, মই আগলৈকে নাযাওঁ। যদি মই আগলৈকে যাওঁ, including our tenure তেতিয়াহলে আপোনালোকে দেখিব যে Excess Expenditure বুলি বাউদেউৱে যিটো উল্লেখ কৰিছে আমাৰ অসমত ২০০৫-২০০৬ ৰ আগত বহুত Excess Expenditure হৈছিল। তেতিয়া প্ৰেমধৰ বৰা ডাঙৰীয়া সদনত আছিলে। তেতিয়াৰ চৰকাৰৰ প্ৰচেষ্টাত এটা সিদ্ধান্ত হ'ল যে যদি Excess Expenditure হয়, কিন্তু সেইটো আমি regularize কৰিম। কিন্তু আমি সিদ্ধান্ত ললো যে Excess Expenditure হয় কিয়? AG এ কৈছে regular কৰিব লাগে কিন্তু আমি প্ৰচেষ্টা লেছো এইটো হ'বই নালাগে। AG ৰ complain

টো হৈছে Excess Expenditure relating to the previous year requiring regularization. তেওঁলোকে মাত্র বিচাৰে যে সদনত আহি regular কৰি দিব লাগে। কিন্তু মই সংকল্প লৈছো যে Excess Expenditure হ'বই নালাগে। Regular কৰাটো সহজ কাম। PAC এ প্রতিবেদন দিলে regular হৈ যাব। PAC ৰ Chairman, Rajdeep Gowala ৰ লগত মই কথা পাতি আছো এই বিষয়ে আৰু তেখেতক কৈছো যে আপোনালোকে এইবলাক সোনকালে আনি regular কৰি দিয়ক। But is is just regularization. Excess Expenditure নোহোৱা হলেহে আমাৰ বিত্তীয় শৃংখলা হ'ব।

অধ্যক্ষ মহোদয়, কংগ্রেছ চৰকাৰৰ দিনত কি হ'ব সেয়া মই ক'বলৈ নাযাওঁ। ২০১৪-২০১৫ ত Excess Expenditure হৈছিল ৩৮০১ কোটি টকা। আমাৰ দিনত ২০১৬-২০১৭ ৰ টো আমাৰ Expenditure ১৩৪৮ কোটি টকা। কিন্তু অধ্যক্ষ মহোদয়, এইবাৰ AG Report ত চাব যে Excess Expenditure has come down to just 168 crore. Observation আহিছে কিন্তু যেতিয়া ২০১৬-২০১৭ আৰু ২০১৭-২০১৮ এই দুইখনক চালেহে আমি তুলনা কৰিব পাৰিম। ২০১৯ ত যিটো report দিছে সেইমতে অকল এটা Excess Expenditure হৈছে সেইটো হৈছে relating to BTC, 168 crore. This is an achievement of this House. ২০১৩-২০১৪ ত ৩৪০০ কোটি টকা যি Excess Expenditure হৈছিল আৰু ২০১৬-২০১৭ ত যি ১৩৪৮ কোটি টকা Excess Expenditure হৈছিল, This year it has come down to just 168 crore. Excess Expenditure শব্দটো প্রতিবেদনত আছে কিন্তু যদি quantum টো আপোনালোকে চায়, this year it has come down to just 168 crore. তাৰ লগত AG য়ে কি কৈছে যে capital Expenditure of the State increase significantly by 40% from 2016-2017. প্রধানমন্ত্রী আৱাস যোজনাৰ প্রত্যেকটো ঘৰেই হৈছে Revenue Expenditure. কাৰণ ঘৰটো আমি own নকৰো। বাকী থকা গোটেইবিলাক capital expenditure. Central Road Fund ত যিমান কেইটা ৰাস্তা বনাইছো সকলোবিলাক Capital Expenditure. কিন্তু AG য়ে লিখে Revenue Expenditure. কাৰণ CRF টো ভাৰত চৰকাৰৰ Revenue শিতানত আছে গতিকে আমাৰো Revenue শিতান। IMY, PMAY ৰ ঘৰ শিল ইটাৰে বনোৱা হয় কিন্তু ঘৰটো State এ own নকৰে কাৰণে সেইটো Revenue Expenditure পৰে। Latrine টো আমি বনাওঁ কিন্তু সেইটো আমি own নকৰো কাৰণে সেইটো Revenue Expenditure পৰে। গতিকে সেইটো

Revenue আৰু Capital Expenditure ৰ পাৰ্থক্য বুজাটো খুব টান। প্রধানমন্ত্রীৰ যিমানকেইটা flagship Scheme আছে সেই গোটেইবিলাক Revenue Expenditure. উজ্বলা গেছ, প্রধানমন্ত্রীৰ আৱাস যোজনা, ঘৰে ঘৰে দিয়া লেট্রিণ, অটল অমৃত, পি এম জি এচ ওৱাই এই সকলোবোৰ Revenue Expenditure. আজি বানপানী ৰিপেয়াৰিঙৰ কাৰণে যিটো পইচা দিলো সেইটোও Revenue Expenditure. নতুন মথাউৰি বনালেহে সেইটো Capital Expenditure হ'ব। মোৰ মতে it is better to interpreate that State ৰ revenue generally আমাৰ Expenditure ৰ বাঢ়িছে। যোৱাবাৰ হাউচত যেতিয়া মই প্রতিবেদন দিওঁতে exactly যিখন কিতাপ দিছিলো সেই কিতাপখনতে মই কৈছিলো যে Expenditure 70% আৰু এইবাৰ **65%.** অহাবাৰ ৰিপোৰ্ট আহিলে চক খাবলগীয়া একো নাই

কাৰণ মই আগতেই ৰিপোৰ্ট দি দিলো। কিন্তু যদি আমি পুৰণি দিনৰ লগত কমপেয়াৰ কৰো Îî Â¿ Âþ¥Ãëü Õ±Ëâ±ò±Ëü ±Ë³Áî òÃäâ Îû Îû±»±¡ Âòéâ±ÂâåÃî ÂÕ±÷ 51% of the Expenditure ৰ পৰা আমি 70% লৈকে গ'লো। অহাবাৰ মোৰ মনত দৃঢ় আশা যে we will be touching around 75-76% আৰু তামিলনাডুয়ে খৰচ কৰে 80%. আমাৰ বেলেগ ষ্টেটৰ হাইয়েষ্ট হৈছে 80-82% কাৰণ ভূবন পেগু ডাঙৰীয়াই কৈছে যে আমাৰ ৰাহি হৈ যোৱাখিনি বানপানীত খৰচ কৰিব লাগে। আমি কিন্তু কতো ৰাহি নকৰো। ৰাহিটো হৈছে কমিটমেণ্ট যেতিয়া পূৰা নহয় যেনে ভাৰত চৰকাৰে আমাক কৈছে তিনিশ কোটি টকা দিম, সেয়ে বাজেটত তিনিশ কোটি টকা লিখি দিলো। কৰিব পাৰিলে ডেৰশ কোটি টকা। ইউ চি দিব নোৱাৰিলে সেয়ে বাকী ডেৰশ নপঠিয়ালে। কিন্তু বাজেটত ডেৰশ কোটি টকা লিখা থাকিলে। আমাৰ একচুৰেল টকা নাথাকে। কাৰণ ৩১ মাৰ্চত সকলো বিলাক শেষ হৈ যায়। কিন্তু World Bank ৰ পৰা যি পাঁচশ কোটি পাম, কিবা কাৰণত ৰাস্তা নোহোৱাৰ বাবে দিলে দুশ কোটি টকা। গতিকে তিনিশ কোটি টকা কিতাপত জমা হয়। ব্যৱহাৰিক জমা নহয় কাৰণ ব্যৱহাৰিক জমাটো ৩১ মাৰ্চত মোৰ খালী হৈ যায়। কিন্তু এইবাৰ ৭ হাজাৰ কোটি টকা থাকি গ'ল। কাৰণ model code of conduct ৰ কাৰণে যোৱা বছৰ আমি একো কৰিব নোৱাৰিলো। So, this year our opening balance was 7000 crore. এইটো এটা exception আছিল কাৰণ লোকসভাত model code of conduct ৰ কাৰণে কৰিব নোৱাৰিলো। কিন্তু মই হাউচত এটা কথা জনাব বিচাৰিছো, ফাইনেলী বিধায়ক সকলৰ পৰা এটা অনুমতি ল'ম যে আমাৰ GSDP 2013-14 ত এক লাখ সাতসত্তৰ হাজাৰ কোটি আছিল। GSDP 2018-19 ত বাঢ়ি বাঢ়ি ক্ৰমান্বয়ে 3,25,400 crore আৰু এই বছৰ আমাৰ হ'বগৈ GSDP 3,74,000 crore. অৰ্থাৎ 2013-14 ৰ তুলনাত 2018-19 ৰ ভিতৰত অসমৰ ঘৰুৱা উৎপাদন 83% শতাংশ বৃদ্ধি হৈছে। গতিকে ইয়াত ভাল খবৰ বহুত আছে। ঠিক তেনেদৰে অধ্যক্ষ মহোদয়, এইবাৰ চি এ জি ৰিপোৰ্টত ভাল কথা লিখিলে the Government maintain the minimum cash balance with RBI during 2017-18 and no wage and means advance or overdraft was taken during the year and capital expenditure of the state increase significantly by 40% in 2016-17 and there is excess expenditure only one item in compare to 5, 6, 7 item in the previous financial year. গতিকে অধ্যক্ষ মহোদয়, মই ভাৱো যে we are in right track আমি একো বেয়া ৰাস্তাত যোৱা নাই। বিধায়ক সকলৰ লগত এইবাৰ এটা ইচ্ছ্যু থাকিবই আৰু আমি অলপ কঠোৰ হ'ব লাগিবই। সেয়ে মই অলপ Utilization Certificate ৰ কথাটো এডভাঞ্চ কৈ থৈছো। 2015-16 লৈকে আমাৰ ৰাজ্যখনত Utilization Certificate বাকী আছিলে 8,551 টা। অৰ্থাৎ 8,551 টা Utilization Certificate আমি দিয়া নাই। যোৱাবাৰ 2017 ৰ আমাৰ যিটো প্ৰথম ৰিপোৰ্ট আহিলে এই ৰিপোৰ্টটো যদি আপোনালোকে চায়, ইয়াত য়ে ক'লে যে আমাৰ চৰকাৰ হোৱাৰ পিছত 1600 Utilization Certificate নাই। এইটো বহুত চিৰিয়াচ কথা। আমি গোটেই বছৰ চেষ্টা কৰি কৰি এইবাৰ এজি য়ে লিখি দিলে যে এতিয়াও 819 খন Utilization Certificate দিয়া নাই। তেওঁলোকে নকয় যে 1600 ৰ পৰা 800 খন কমি গ'ল। যোৱাবাৰ কৈছিল চৰকাৰে 1600 খন দিয়া নাই। এইবাৰ এ জি য়ে কৈছে চৰকাৰে 800 খন দিয়া নাই। কিন্তু দুয়োখন ৰিপোৰ্ট পঢ়িলেহে বুজি পায় যে 1600 ৰ পৰা 800 কমিল।

কিন্তু তেওঁলোকে কেতিয়াওঁ ৰিপোৰ্টত নিলিখে যে 1600 ৰ পৰা state এ 800 কমালে। কাৰণ একাউটেণ্টৰ কাম হ'ল শূন্য নোহোৰালৈকে তেওঁলোকে লিখি থাকিব। এখন হ'লেও এটাই লাইন ক'ব ১৬০০ থাকিলেও এটা লাইনেই ক'ব। যি নহওঁক যোৱা বছৰ আমাৰ অফিচাৰ সকলে প্ৰায় ৮ খন মান মিটিং কৰিলে, মই ও কৰিলো আৰু বহুত চেষ্টা কৰি অসমৰ এই বদনামটো কেনেকৈ আমি ধুই নোহোৰা কৰিব পাৰো। excess expenditure টো নোহোৰা কৰি আমি এটালৈকে আনিছো। UC ও আমি ইচ্ছা কৰিলে নোহোৰা কৰিব পাৰো সেয়ে আমি চেষ্টা চলালো। এ জিৰ ৰিপোৰ্টখন জুনত ৰেডী হয় গতিকে জুনলৈকে আমাৰ UC দিব থাকিলে ৮১৯। জুনৰ পিছত আজিলৈকে আমি আৰু UC জমা দিলো। দিওঁতে দিওঁতে আমাৰ UC এতিয়া নামি আহিলে ৫৫৮ in relation to 2016-17. 2017-18 ত UC আমি দিব লাগে এইবছৰ। এটা বছৰ গেপ থাকি দিব লাগে। গতিকে অহা বছৰৰ কথাটো মই পিছত কম। 2016-17 ত Utilization Certificate আমি কমাই কমাই লৈ আহিলো ৫৫৮। যোৱা কালি যেতিয়াত সদনত ক'লে যে এজি ৰিপোৰ্টি টো আমি আলোচনা কৰিম বা অধ্যক্ষ মহোদয়ে আলোচনা কৰিব দিব পাৰে তেতিয়া মই আকৌ বহিলো যে ৫৫৮ খন নো কাৰ। আপোনালোকে জনা প্ৰয়োজন যে ইয়াৰে ৫৮খন ইউ চি দিয়া নাই Finance Economic Affairs Departmen য়ে দেখিলে লাগে যে বিত্ত বিভাগে দিয়া নাই। এই Finance Economic Affairs Departmen য়ে গ্ৰাণ্ট দিয়ে from fifth Finance Commission. Fifth Finance Commission ৰ গ্ৰাণ্ট পঞ্চায়ত আৰু লোকেল ব'ডীয়ে পায়। এই পঞ্চায়ত আৰু লোকেল বডীৰ পৰা আমি ৫৮ খন ইউ চি পোৱা নাই। গতিকে এইবাৰ মই কঠোৰ হ'ম। যি যি লোকেল ব'ডীয়ে আমাক ইউ চি দিয়া নাই অহাবাৰ আমি তেওঁলোকক ৰিলিজ নকৰিম আৰু নকৰাৰ লগে লগে দৰমহা পোৱা নাই বুলি নিউজ ওলাব। তেতিয়া কিন্তু হাউচটোৱে মোৰ লগত অলপ সময় থিয় দিব লাগিব কাৰণ বিত্তীয় ব্যৱস্থাপনা আৰু মানৱীয়তা দুয়োটা একেলগে নাযাব। কৰ'বাত কৰ'বাত আমি বুজি পাব লাগিব যে এইটো কিয় পোৱা নাই। তেতিয়া বিধায়ক সকলে ক'ব লাগিব যে মন্ত্ৰীয়ে টো হাউচত কৈছিলে যে ইউ চি নিদিলে টকাটো নিদিওঁ। বি টি চি ৰ পৰা আমি ৬৭ খন ইউ চি পোৱা নাই। বি টি চি ৰ ক্ষেত্ৰটো এইবাৰ দ্বিতীয় কিস্তিটো দিওঁতে এই কথটো মই কম। তেতিয়া বি টি চি ৰ বিধায়ক সকলে মোক ক'ব যে টকাটো এৰি দিব লাগে। আমি টকাটো এৰি দিব লাগিব ডিচেম্বৰত। গতিকে ডিচেম্বৰলৈকে মোক টকাটো এৰি দিম বুলি কোৱা লৈকে, ডিচেম্বৰলৈকে যদি আমি ৬৭ খন ইউ চি লৈ আহিব পাৰো it is a bigger achievement গতিকে মই সেই দৃষ্টি নিক্ষেপ কৰিছো। Untied Fund ত 2016-17 ত আমাৰ ইউ চি দিয়া নাই ৯৮খন। আজি আমাৰ বিত্ত বিভাগৰ পৰা চিঠি গৈছে যে 2016-17 ৰ all untied fund has come to close by 31st August. কাৰণ মোক ইউ চি লাগিব, ডি চি য়ে ক'ব মই হাফডানত ক'ত ইউ চি দিম। গতিকে বিধায়কেও যদি ৫০ লাখ টকা পাইছিলে, কাৰোবাক যদি মইও Untied Fund দিছিলো ৩০ আগষ্টৰ ভিতৰত যদি আমি প্ৰজেক্ট কমপ্লিট কৰিব নোৱাৰো দুবছৰ পিছত যেতিয়া ৩০ আগষ্টত সেই টকা আমাক ঘূৰাই দিব তেতিয়া ক'ব নালাগে যে চৰকাৰৰ বিত্তীয় অৱস্থা বেয়া বাবে টকা ঘূৰাই লৈছে। ২০১৬-১৭ ত যিখিনি Untied Fund খৰচ কৰা নাই সেইখিনি ৩০ আগষ্ট বা ১৫ চেপ্তেম্বৰত ত দিব পাৰিব। তেতিয়া DC এ excess savings ৰ টকাখিনি জমা দি স্কীমটো foreclose কৰি দিব। foreclose কৰি দি ইউ চি পঠাই দিব। যদি কোনোবা স্কীম আপোনালোকৰ খুব জৰুৰী তেতিয়াহ'লে re-sanction ৰ কাৰণে আহিব আৰু ইউ চি কেইখন

দিব লাগিব। এই ৯৮ ৰ ভিতৰত এম এল এ ফাণ্ড আৰু Untied Fund ও জমা হৈ আছে। সেয়ে ২০১৬-১৭ ৰ সকলো অৰ্থ সম্পূৰ্ণ এম এল এ ফাণ্ড ১৫ চেপ্তেম্বৰৰ ভিতৰত সম্পূৰ্ণ হ'ব লাগিব নহ'লে স্কীমটো foreclose হ'ব, টকাটো ট্ৰেজাৰীত জমা দি ডি চি য়ে ইউ চি দিব। কাৰণ আমি বিত্তীয় ব্যৱস্থাপনা আনিবলৈ হ'লে সকলোৰে সহায় কৰিব লাগিব। **Social Welfare Department** সমাজ কল্যাণ বিভাগৰ প্ৰমিলা ৰানী ব্ৰহ্ম ডাঙৰীয়ানী মোৰ লগতে আছে, বাইদেউৰে বিভাগৰ পৰা ১১৬ UC আমি পোৱা নাই। বাইদেউৰে নতুনকৈ লৈছে বিভাগটো, কিন্তু এতিয়া বাইদেউৰ লগত আমাৰ কথাটো হ'ব যে ১৫ ছেপ্তেম্বৰৰ পিছত No further fund to Social Welfare Department will be released as till 160 UCs have to submit by that Department. এনেকুৱা হলে মনটো অলপ কঠোৰ কঠোৰ লাগিব যে কিয় এনেকুৱা কৰিলে। কিন্তু মই দেৰমাহ সময় দিছো যাতে দেৰমাহৰ ভিতৰত সকলোবোৰ UC পাওঁ। যাতে অহাবছৰ এটা ৰেকৰ্ড কৰিব পাৰো যে all UCs are submitted. এইটো মোৰ achievement নহয়, it will be collective achievement of the House. UDD বিভাগ আৰু একেলগে পৌৰসভাবিলাকৰ UC আমি পাব আছো ২০ খন। অৰ্থাৎ ৯৮ খন, ৬৭ খন, ১১৬ খন আৰু ২০ খন বাকী দুই এখন কোনোবা বিভাগৰ আছে, এইখিনি যদি দিব পাৰো আপোনালোকে মোক অহা ছেপ্তেম্বৰ মাহৰ বিধান সভাত প্ৰশ্ন কৰিলে মই কব পাৰিম যে প্ৰথমবাৰ স্বাধীন ভাৰতবৰ্ষৰ স্বাধীন অসমত প্ৰথমবাৰৰ বাবে কোনোবা এটা বছৰৰ UC সম্পূৰ্ণ দিয়া হ'ল। That can be a very big achievement. AG ৰ Report we can interpret positively. কাৰণ প্ৰতিটো সংকততে যিটো মই বিশ্বাস কৰো যে যেতিয়া জীৱনত কোনোবা মানুহৰ সংকট বা বিপদ আহে সেইটোক মানুহে opportunity লৈকে convert কৰিব লাগে। Every crisis can be converted to big opportunity. আজি কংগ্ৰেছ দলৰ অৱস্থা বেয়া কিন্তু In this 5 years can be a big opportunuty for their turn arountd revival. BJP ৫ বছৰ দুখত আছিল, মোদী ডাঙৰীয়াই সেই opportunuty ব্যৱহাৰ কৰি এতিয়া ক্ষমতাত। জীৱনত যি কাৰণতে নহওঁক যে সংকতে এটা সম্ভৱনা বা opportunuty আনি দিয়ে। হয় আমাৰ সদস্য সকলৰ অলপ কষ্ট হ'ব। কোনোবাই হয়তো নামঘৰত ১ লাখ টকা দি থৈছে, তাৰ ভিতৰত ৪০ হাজাৰ টকা দিয়া হৈছে আৰু ২০ হাজাৰ টকা দিব আছে। অসুবিধাটো মই জানো আমাৰ কোনো সদস্যই টকাৰ হৰলুকি কৰা নাই। এইটো ব্যৱহাৰিক, এইটো মোৰ সমষ্টিতো হৈছে ১ লাখ টকা দি থৈছো তাৰে ৭৫ শতাংশ release হৈছে বাকী ২৫ শতাংশটো জিলা উপায়ুক্তই UC নিদিলে নিদিব। গতিকে ১৫ তাৰিখে ডি চি য়ে সেই ২৫ শতাংশ টকাটো ৰাজকোষত জমা দিব। তেতিয়া আমাৰ মনটো বেয়া লাগিব। কিন্তু দৰকাৰ হলে সেইখিনি টকা মই Untide Fund ৰ পৰা আকৌ re-sanction কৰি দিম। But, let us take it collectively. কিন্তু কোনোবাই কব পাৰে যে বিত্তমন্ত্ৰীয়ে টকা খৰচ কৰিব পৰা নাই, কিন্তু বিত্ত বিভাগে টকা খৰচ নকৰে, টকা খৰচ কৰে অন্য বিভাগবোৰে। কিন্তু সকলোৰে মিলি এই কামটো কৰিব পাৰো, আমি যদি লগ লাগো। মই যিকোনো এজন ব্যক্তিক অনুৰোধ কৰিম যে পৰৱৰ্তী বিধান সভাত অনুগ্ৰহ কৰি আপোনালোকে এটা প্ৰশ্ন কৰিব যে ২০১৬-১৭ বৰ্ষত কিমান UC বাকী আছে। তেতিয়া মই উত্তৰ দি ভাল পাম যে বাকীৰ ঘৰটো শুন্য। Let us take that place. কিজানি আমি এইখিনি কৰিব পাৰোৰে। ১০/১৫/৫০ থাকি গলেও This House can set a gold standard. ভাৰত বৰ্ষৰ কোনো বিধান সভাই এতিয়ালৈকে ১০০ শতাংশ

UC দিব পৰা নাই। But this 2016-17 যদি আমি এটা reference বছৰ হিচাপে লওঁ আৰু ১০০ শতাংশ UC যদি আমি জমা দিওঁ তেতিয়াহলে This House will set a gold standard for the entire Country. মই ভাৱো যে মই সেইখিনি সময় খৰচ কৰিম, আপোনালোকেও কৰক। Let us set a gold standard for Assam Assembly. Excess expenditure আমি প্ৰায় নোহোৱা কৰিছো, এইটো এখনলৈকে আনিলো, অহাবাৰ হয়তো শুন্য হ'ব পাৰে বা ৫ খনো হ'ব পাৰে। কিন্তু যিয়ে নহওঁক কিয় একলৈকে আহিছে। অহাবাৰ যদি শুন্য হৈ যায় খুব ভাল হব, হয়তো নহবওঁ পাৰে কোনোবা বিভাগত। ইমানটোতো কৃষ্ণৰ বাদেতো কাৰো ইমান হাত, কাৰো ইমান চকু নাথাকে, কৰবাত হৈ যাব পাৰে মাজত। কিন্তু এইবাৰ এটালৈকে নামিছে। UC আমি শূন্য কৰিম, আজি আপোনালোকক এই কথা নকলোহেতেন মোৰ বিভাগখিনিৰ কাৰণে মই কব নালাগে, But, it will affect Honourable Member. কাৰণ আনটাইদ ফাণ্ড আৰু বিধায়ক পুঁজিটো আমি লৈ যাওঁ আৰু চৰকাৰে দিয়ে। ফতক কৰি কথাটো গম পালে আপোনালোকে মোক বেয়া পাব, সেইকাৰণে আজি মই কথাখিনি ৰেকৰ্ডত ৰাখিলো। মই ভাৱো যে এই সদনখনে বিশেষকৈ বানপানীৰ ক্ষেত্ৰত বিৰোধী শাসকৰ মাজত একো পাৰ্থক্য নাই। শাসকীয় পক্ষৰে হওঁক বা বিৰোধী পক্ষৰে হওঁক বানপানীত যিমান খিনি মথাউৰি ভাঙিলে বা মানুহৰ ক্ষতি গ্ৰস্থ হ'ল তাৰ বাবে আমি মুখ্যমন্ত্ৰী ডাঙৰীয়াকে ধৰি সকলোৱে আলোচনা কৰি এই পুঁজিৰ আৱন্টন কৰিছো আৰু মই ভাৱো যে প্ৰত্যেকটো সমষ্টিত দূৰ্দশা গ্ৰস্ত মানুহসকলে অলপ সকাহ পায়, তাৰ বাবে আমি প্ৰয়াস কৰিম আৰু এই দুষাৰ কৈ মই ভাৱো যে মাননীয়া অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে উঠোৱা প্ৰশ্নকেইটাৰ উত্তৰ দিবলৈ চেষ্টা কৰিছো। মই নাজানো তেখেত সন্তুষ্ট হৈছে নে নাই? এই দুষাৰ কৈ এই বিধেয়ক খন পাৰিত কৰাৰ বাবে পবিত্ৰ সদনক অনুৰোধ কৰিছো।

**শ্ৰী ৰকিবুল হুচেইন ঃ** মাননীয় অধ্যক্ষ মহোদয়, অধ্যক্ষ মহোদয়।

.........(সদনত হুলস্থুল..........)

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া কাকো একো কবলৈ নিদিম, এতিয়া সময় ২.৪৫। এতিয়া অসম বিনিয়োজন (নং ৩) বিধেয়ক ২০১৯ বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য/সদস্যাই ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যাই ইয়াৰ বিপক্ষে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে প্ৰস্তাৱটো গৃহীত হল। মই বিধেয়ক খনৰ দুই নং দফা আৰু তিনি নং দফাৰ লগতে অনুসূচীখনো সদনত দাঙি ধৰিলো। বিধেয়ক খনৰ দুই আৰু তিনি নং দফাৰ লগতে অনুসূচীখনো বিধেয়কৰ অংশ হ'ব, যি সকল মাননীয় সদস্য/সদস্যাই ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যাই ইয়াৰ বিপক্ষে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে বিধেয়কৰ দুই আৰু তিনি নম্বৰ দফাৰ লগতে অনুসূচীখনো বিধেয়কৰ অংশ হ'ল।

.........(সদনত হুলস্থুল..........)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই বিধেয়ক খনৰ ১ নম্বৰ দফা, সংক্ষিপ্ত নাম সদনত দাঙি ধৰিলো। বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যাই ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল মাননীয় সদস্য/সদস্যাই ইয়াৰ বিপক্ষে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে। বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম বিধেয়কৰ অংশ হ'ল। এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদিও শব্দৰ ধ্বনিৰ মাজত আমাৰ সন্মানীয়

সদস্য ৰকিবুল ডাঙৰীয়াই কৈছিল যে আমি সকলোৰে interest fund ঘূৰাই লওঁ কিন্তু বিধায়ক পুঁজিৰ লব নালাগে, আৰু বিষয়টো মই মানি লৈছো যে আমি বিধায়ক পুঁজিৰ interest fund ঘূৰাই নলওঁ আৰু আমি সেইমতে এটা instruction issue কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, আপুনি এতিয়া প্ৰস্তাৱটো সদনত উত্থাপন কৰক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিনিয়োজন (নং ৩) বিধেয়ক, ২০১৯ পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হৈছে অসম বিনিয়োজন (নং ৩) বিধেয়ক, ২০১৯ পাৰিত কৰা হওঁক। যি সকল মাননীয় সদস্য/সদস্যাই ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল মাননীয় সদস্য/ সদস্যাই ইয়াৰ বিপক্ষে তেখেত সকলে কওঁক নহয়, মই ভাৱো হয় সপক্ষে হয় সপক্ষে হয় সপক্ষে । প্ৰস্তাৱটো পাৰিত হ'ল, বিধেয়কখন পাৰিত কৰা হৈছে। মই সকলো সন্মানীয় সদস্যকে কৈছো যে এইখন Appropriation Bill আছিল Supplementary Demand ৰ, আপোনালোকে Rule খিনি চাব, মই আচলতে এইবিলাক কোৱা নাই। ২৪১ আমাৰ TAC ৰ কি দায়িত্ব আছে আৰু সেই কাৰণে ১৫৪, ১৫৫ত আছে কেনেকৈ Appropriation Bill ৰ কিখিনি কৰিব পাৰো। সেই কাৰণে মই কিছুমান কথা বৃহত্তৰ স্বাৰ্থৰ খাতিৰত কৰো কিন্তু strictly speaking কথাখিনি আপোনালোকে কৈছে তাৰ উত্তৰ পাইছে বাকীখিনি কেতিয়াবা আপোনালোকে আলোচনা কৰি ল'ব।

**মই এতিয়া সদন অহা ০১-০৮-২০১৯ তাৰিখৰ ৰাতিপুৱা ৯.৩০ বজালৈকে স্থগিত ৰাখিলো।**